কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

খাৰুপেটীয়া অধ্যয়ন কেন্দ্ৰৰ (ডি.এল.এড.) আলোচনী

# ৰেঙণি



মুখ্য সম্পাদক

**লক্ষীৰাম নাথ**

KHARUPETIA COLLEGE LIBRARY
Estd. - 1961

# ৰেঙণি

## কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

খাৰুপেটীয়া মহাবিদ্যালয়

অধ্যয়ন কেন্দ্ৰৰ (ডি.এল.এড.) আলোচনী

To, The Librarian
Kharupetia College.
15/3/15
Co-ordinator
KKHSOU, Study Centre
Kharupetia College

মুখ্য সম্পাদক

লক্ষীৰাম নাথ

KHARUPETIA COLLEGE LIBRARY
Estd.- 1981
Date............
KHARUPETIA, DARRANG, ASSAM

RENGANI : A magazine of Krishna Kanta Handiqui State open University, Kharupetia Study Centre (D.El.Ed. Course)

প্ৰকাশ ঃ মাৰ্চ, ২০১৫

## সম্পাদনা সমিতি

তত্ত্বাৱধায়ক ঃ এম. জাকিৰ হুছেইন চৌধুৰী, সমন্বয়ক
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
খাৰুপেটীয়া মহাবিদ্যালয় অধ্যয়ন কেন্দ্ৰ

মুখ্য সম্পাদক ঃ লক্ষীৰাম নাথ

সম্পাদক ঃ মঃ মাজহাৰ আলি

সহঃ সম্পাদক ঃ পল্লৱ কুমাৰ চহৰীয়া

সদস্য-সদস্যাবৃন্দ ঃ ময়ফুল ইয়াছমিন
ৰফিকুল ইছলাম
সংগীতা চক্ৰৱৰ্তী
তনবীৰ আলম
ৰশ্মিৰেখা ডেকা
নুৰুল আমিন চৌধুৰী
দোস্ত মহম্মদ চাফি
আবু তালেব
শ্বেখ আব্দুলাহ
আব্দুচ চালাম

বেটুপাত-অলংকৰণ ঃ পল্লৱ কুমাৰ চহৰীয়া

অংগসজ্জা ঃ লক্ষীৰাম নাথ

ছপা ঃ পাহি লেজাৰ প্ৰিণ্টচ্
চিলাৰায় মাৰ্কেট, মঙলদৈ

Co-ordinator
KKHSOU, Study Centre
Kharupetia College

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
**Krishna Kanta Handiqui State Open University**
GUWAHATI-781006, INDIA

*Professor Srinath Baruah*
*Vice-Chancellor*

Housefed Complex
Last gate, Dispur

*Date : ২৪-০২-১৫*

## শুভেচ্ছাবাণী

খাৰুপেটিয়া মহাবিদ্যালয় শিক্ষণ কেন্দ্ৰৰ ডি.এল.এড. প্ৰশিক্ষাৰ্থী গোট, ২০১৪-১৫ তৰফৰ পৰা 'ৰেঙনি' নামেৰে এখনি মুখপত্ৰ প্ৰকাশ কৰাৰ যো-জা কৰা বুলি জানিব পাৰি নথৈ আনন্দিত হলোঁ। আশাকৰো প্ৰকাশৰ বাবে সাজু হৈ উঠা 'ৰেঙনি'য়ে শিক্ষাৰ্থীৰ উপৰিও সমাজৰ সকলো শ্ৰেণীৰ ব্যক্তিৰ বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব। 'ৰেঙনি'ৰ উজ্জ্বল ভৱিষ্যত কামনাৰে -

ইতি

(ৰ্শ্ৰীনাথ বৰুৱা)

KHARUPETIA COLLEGE LIBRARY
Estd.- 1981
Date.............
KHARUPETIA . DARRANG . ASSAM

Phone & Fax: 03713 255583
OFFICE OF THE PRINCIPAL
**KHARUPETIA COLLEGE**
P.O. KHARUPETIA, PIN-784115
DIST. DARRANG (ASSAM)
Website : www.kharupetiacollege.org.
Email : kharupetiacollege@gmail.com

*Memo No. KC/2014* *Date:...............*

*From*

*Dr. B.C. Hazarika, M.Sc., B.Ed., Ph.D.*
*Principal*

## শুভেচ্ছাবাণী

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অন্তৰ্গত খাৰুপেটীয়া মহাবিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰৰ ডি. এল. এড. ৰ ২০১৪-১৫ ১ম আৰু ২য় বৰ্ষৰ প্ৰশিক্ষাৰ্থী সকলে **'ৰেঙণি'** নামৰ এখনি মুখপত্ৰ প্ৰকাশ কৰিবৰ বাবে আগবাঢ়িছে বুলি জানি নথৈ আনন্দিত হৈছোঁ। প্ৰশিক্ষাৰ্থীসকলৰ এই প্ৰয়াস সফল ৰূপায়ন হোৱাৰ লগতে ই বৌদ্ধিক বিকাশৰো পথ সুগম কৰি তুলিব বুলি আশা ৰাখিছো।

(ডঃ বুদ্ধিন চন্দ্ৰ হাজৰিকা)
অধ্যক্ষ
খাৰুপেটীয়া মহাবিদ্যালয়
খাৰুপেটীয়া, দৰং।

KHARUPETIA COLLEGE LIBRARY
DARRANG, ASSAM
Estd - 1981
Date



## মুখ্য সম্পাদকৰ কাপেৰে...

লিখিব লাগিছিল নীলা আকাশ, শুকুলা মেঘ, নিয়ৰসনা পদূলিৰ কথা। লিখিব লাগিছিল আঘোণৰ সোণালী পথাৰৰ কথা, ভেলাঘৰ, ধানৰ নৰাৰ মেজি, মতা হাঁহ আৰু বুঢ়া কোমোৰাৰ উৰুকাৰ ভোজ, মাঘ বিহুৰ দিনা পিঠাচুঙাৰ আমোলমোল গোন্ধ আৰু ম'হৰ এঠা দৈৰ কথা... ...

কিন্তু লিখো কেনেকৈ? কথাতে কয় নহয়, "ভবা কথা নহয় সিদ্ধি, বাটত আছে কণাবিধি!" মাঘৰ বিহুত পৰিয়ালৰ সদৌটি লগ হৈ এসাজ ভালদৰে খোৱাৰ হেঁপাহ আছিল— অথচ কি ৰাজনৈতিক চত্ৰান্তত পৰি কচমিন কালে নোহোৱা কাম এটা কৰি ৰজাঘৰীয়াই আমাৰ দৰে 'টেট শিক্ষক' নামধাৰী দুৰ্ভগীয়া কেইজনক আধা দৰমহা বিহুৰ আগদিনা দি অশনি ভৱিষ্যতৰ যেন সংকেত দিলে— দিছপুৰীয়া প্ৰভুসকলে।

কোনো সংগঠন কৰিব নোৱাৰে, প্ৰতিবাদী সমদলত অংশ ল'ব নোৱাৰে বুলি কৈ আমাক পিছফালৰ পৰা ৰাম টাঙোন মাৰিব আৰু আমি চাকৰিৰ খাতিৰত নিৰ্বিকাৰ হৈ থাকিব পাৰিম জানো? সেইবাবে মাঘৰ ভোগালীৰ নিচা এৰি আত্মৰক্ষাৰ বাবে ভাৱনাত ডুব গৈছো। আমি সংগঠিত হ'বৰ হ'ল।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বি ৱবিদ্যালয়ৰ খাৰুপেটীয়া মহাবিদ্যালয় অধ্যয়ন কেন্দ্ৰৰ প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ শিক্ষক, প্ৰশিক্ষাৰ্থী আৰু সমন্বয়ক এম. জাকিৰ হুছেইন চৌধুৰী ছাৰৰ তাগিদাত 'ৰেঙণি' প্ৰকাশৰ সকলো দায়িত্ব মূৰ পাতি ল'বলগীয়া হোৱাত চিন্তাত পৰিছিলো যদিও, সকলোৰে গঠনমূলক দিহা-পৰামৰ্শত সকলো হৈ গ'ল।

অৱশ্যে বহুবোৰ লিখনি প্ৰকাশৰ অনুপযোগী হোৱাৰ বাবে 'ৰেঙণি'ত ঠাই দিব নোৱাৰিলো। তাৰ বাবে দুঃখিত। বহুকেইজন বন্ধু-বান্ধৱীৰ ফটো নথকাত খেদ প্ৰকাশ কৰাৰ বাহিৰে একো কৰিব নোৱাৰি। বহুবোৰ লিখনি অসম্পাদিত ৰূপত দিয়াৰ লগে লগে বহুবোৰ লিখনি পূৰ্ণ সম্পাদন কৰিবলগীয়া হ'ল। বৰ্ণাশুদ্ধিৰ প্ৰতি সততে নজৰ দিয়া ৰেঙণিয়ে পাঠকৰ মনত চিন্তাৰ খোৰাক দিব পাৰিলে আমাৰ চেষ্টা সফল হ'ব। শেষত পাহি লেজাৰ প্ৰিণ্টচ্‌ৰ স্বত্বাধিকাৰী সমন্বিতে কৰ্মীবৃন্দলৈ ধন্যবাদ জনাই সম্পাদকীয় কলমৰ সামৰণি মাৰিলো।

লক্ষীৰাম নাথ
সম্পাদক-'ৰেঙণি'

## *From the Editor's Desk....*

With a viwe to disseminating rays of hope and knowledge in the realm of inquisitive minds by the trained faculties those who converged under the aegis of Krishna Kanta Handiqui State Open University, this tiny task of publishing a yearly magazine, regarded as a milestone in the sphere of educational revolution, is taken in hand with friendly co-operation from the management as well as all the D.El.Ed. trainees of Kharupetia College. I hope the conveyed message through contents and class of various resource persons would nourish the attitude of promoting a strong will power among the young ignited minds to realise their grand success. It is inspiration that transforms a seed into seedling with hope of survival. So, inspiring the young ignited minds is one of the greatest noble tasks of teachers to realise his/her duty for the society. So, let us climb the rocky steps without caring for comfort zone; and overcome our fear of failure. He fails who feels doubt.

At the end, I extend my sincere gratitude to the management and the editorial associates for their assistance along with the trainees who inspired and helped me to take up the task of literary column and publish it. I also offer my sincere thanks to the press for their immence help in composing, designing and printing of the magazine 'Rangani.'

*Mazhar Ali*



# সূচীপত্ৰ


◎ আলোকচিত্ৰ

◎ আঘোণ অহাৰ বাটেৰে ✍ তনবিৰ আলম/৯
◎ সোঁৱৰণীৰ স্তৱক ✍ লক্ষীৰাম নাথ/১২
◎ আহক, পৃথিৱীখন সুন্দৰ কৰোঁ!! ✍ তৃষ্ণা দেৱী/১৫
◎ হাঁহি ✍ পম্পী দাস/১৭
◎ কুলি ✍ ৰীণা বৰুৱা/১৮
◎ উত্তৰবিহীন ✍ লখিমী হাজৰিকা/১৯
◎ প্ৰেম ✍ চুমী দেৱী/২৫
◎ দেউতা ✍ দিপ্তীমণি শৰ্মা/২৬
◎ একবিংশ শতিকা আৰু ইছলামিক সমাজ ✍ ময়ফুল ইয়াছমিন/২৭
◎ বিয়লিৰ অনুভৱ ✍ লক্ষ্য কুমাৰ ডেকা/৩৪
◎ ভাৱনা ✍ গোলাপ হুছেইন/৩৫
◎ চৰ অঞ্চলৰ শিক্ষা আৰু বৰ্তমান সমাজ ✍ মঃ চাহেব আলী/৩৬
◎ সাম্প্ৰদায়িক সম্প্ৰীতি ✍ শ্বাহ আলম/৩৮
◎ বৰ্তমান শিক্ষা ব্যৱস্থাত প্ৰাথমিক শিক্ষাৰ
ডিপ্লমা পাঠ্যক্ৰমৰ প্ৰয়োজনীয়তা ✍ জামাল উদ্দিন/৩৯
◎ মই কোন? ✍ আবু তালেব আহমেদ/৪২
◎ নিষ্ঠুৰ সময় ✍ ছাবিনা ইয়াচমিন/৪৩
◎ মানুহে আদিম অৱস্থালৈ ঘূৰি যাব বিচাৰে নেকি? ✍ মানিক আলী/৪৪
◎ আমাৰ বাসনা ✍ জিয়াউৰ ৰহমান/৪৭
◎ কথোপকথন ✍ ৰুবী ডেকা/৪৮
◎ অন্ধবিশ্বাসৰ কবলত অসমীয়া সমাজ ✍ মঃ হাইদৰ আলী/৪৯
◎ জীৱনলৈ... ✍ নিবেদিতা শইকীয়া/৫২

# সূচীপত্ৰ


◎ জীৱন ✍ মৰ্জিয়ানা বেগম/৫৩

◎ চৰ চাপৰিৰ শিক্ষা আৰু কিছু ব্যক্তিগত অনুভৱ ✍ লক্ষীৰাম নাথ/৫৪

◎ অপেক্ষা ✍ ৰাজীৱ নাথ/৬১

◎ মিলন গীত ✍ মাজিদা বেগম/৬২

◎ যুৱ উত্থানত আধ্যাত্মিকতাৰ প্ৰাসংগিকতা ✍ ৰীতা ডেকা/৬৩

◎ মোৰ সপোন ✍ উম্মে চাউদা পাৰবিন/৬৬

◎ অকণ অকণ মইনা ✍ শ্বেখ আব্দুলাহ/৬৭

◎ চৰ-চাপৰিৰ মুছলমান আৰু শিক্ষা ✍ খন্দকাৰ জাহাঙ্গীৰ আলম/৬৮

◎ পৰিৱৰ্তন ✍ মঃ আইনাল হক/৭১

◎ হেৰোৱাৰ বেদনা ✍ মঃ খইবৰ ৰহমান/৭২

◎ উপকাৰীক অজগৰে খায় ✍ সমৰ আলী/৭৩

◎ আমাৰ গাৱৰ ৰাতিপুৱা ✍ মুস্তাফা হুছেইন/৭৫

◎ এপাহি গোলাপ ✍ দীপ কুমাৰ দে/৭৬

◎ পেটৰ বিষ ✍ কৃষ্ণ সাহা/৭৭

◎ নিঃসংগ ✍ জেহেৰুল ইছলাম/৮০

◎ Fighting Communalism in India in the light of the principles of the philosophy of the Veda ✍ Dr. Parimal Kr. Dutta/81

◎ Attitude ✍ Mazhar Ali/88

◎ Tongue Twister/ Benefits of smoking ✍ Suranjana Basumatary/90

◎ আদিবাসী ধাৰণাৰ ওপৰত চমু আলোকপাত ✍ ৰফিকুল ইছলাম/৯২

◎ বিহু সম্পৰ্কীয় কেইটামান জানিবলগীয়া প্ৰশ্ন ✍ নুৰুল আমিন চৌধুৰী/৯৬

◎ মানুহৰ ব্যক্তিত্ব গঠনৰ নীতি কথা ✍ মুস্তাফা হুছেইন/৯৯







কৰ্মৰত অৱস্থাত খাৰুপেটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ

ড° বুদ্ধিন চন্দ্ৰ হাজৰিকা



কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ খাৰুপেটীয়া মহাবিদ্যালয় অধ্যয়ন কেন্দ্ৰৰ সমন্বয়ক এম. জাকিৰ হুছেইন চৌধুৰী আৰু সহকাৰী সমন্বয়ক শ্ৰীনিলয় ৰাজবংশী



ৰেঙণি সম্পাদনা সমিতি



শিক্ষক-প্ৰশিক্ষাৰ্থী গোট (ডি.এল.এড. ২০১৩-১৫ বৰ্ষ)



শিক্ষক-প্ৰশিক্ষাৰ্থী গোট (ডি.এল.এড. ২০১৪-১৬ বৰ্ষ)

# আঘোণ অহাৰ বাটেৰে

**তনবিৰ আলম**

আঘোণ..., মোৰ শৈশৱৰ স্নিগ্ধ সুবাস। শৰতক হেঁচুকি হেমন্ত আহে সম্ভাৱনাৰ সমুজ্বল বাটেৰে, সপোন ফলিওৱাৰ বাতৰি হৈ। বালিঘৰ সজা শৈশৱৰ; ৰূপালী সময়ৰ সোণোৱালী সপোনবোৰ খেদি ফুৰোতে এদিন মোৰ চিনাকি হৈছিল আঘোণৰ সৈতে। লঠঙা নৰাৰ মাজে মাজে বিচাৰিছিলো পকা ধানৰ এৰি যোৱা লেছেৰি.....। সমনীয়াৰ সৈতে জঁপিয়াই জঁপিয়াই লেছেৰি বুটলি ফুৰাৰ সময়তে ঠৰঙা নৰাবোৰে দুভৰিত কাটিছিল, সেই দাগবোৰ এতিয়াও ভৰি দুখনত থকাহেঁতেন ভালেই আছিল... ... নষ্টালজিয়া হ'লহেঁতেন।

দীপাৱলীৰ নিশা চাকি জ্বলাই পদলিমুখ পোহৰাই পোহৰৰ মেলা পতাৰ দিনাৰ পৰাই যেন হেঁপাহৰ আঘোণে ভুমুকি মাৰে আমাৰ দেহ আৰু মনৰ কোনোবা কোণত। যোৰ পাতি উৰি যোৱা কপৌহালে সংসাৰ বহলোৱাৰ সপোন দেখে... ...। বাৰীৰ ঢাপত চকলা টেঙা পকে আৰু দাৱনীৰ হাতত কাঁচিখনেও আনন্দতে চিক্‌মিক্ কৰে আঘোণ অহাৰ বাতৰি পাই।

হেমন্তৰ কৰুণ আবেলি, আঘোণৰ পথাৰত পাহোৱাল ডেকাৰ ব'হাগী সপোনটিয়ে পাখি মেলি উৰে। ভঁড়াল ভৰা ধানখিনিৰে এইবাৰ ব'হাগত মনৰ মানুহজনীক জীৱন লগৰী কৰাৰ প্ৰত্যাশাই ভুমুকি মাৰে মন গহনৰ নিৰ্জন প্ৰান্তৰত। দুৰ-দুৰণিৰ পৰা ভাহি আহে চেৰা গীতৰ সুৰীয়া ৰাগিণী।

লচ-পছ সোণগুটিৰ সোণোৱালী পৰশত মিচিকি হাঁহে ৰংমন ককায়ে...।

*"হেমন্তৰ হিমাৰ্ত বতাহ কঁপে*
*সন্ধ্যাৰ দোলনাত,*
*সুমথিৰা বনৰ যেন সৌ মৌমাখি জাক।"*

*— হিৰুদা*

সোণোৱালী পথাৰে হাত বাউলি মাতে... ..., জাক জাক দাৱনীৰ হাতৰ পৰশত শাওণৰ সপোনবোৰ ফলিয়ায়। আবেলি গোনা ম'হৰ ডিঙিত আঁৰি দিয়া সেই টিলিঙাটিয়ে ৰিঙিয়াই কয়— "আমি আজি পথাৰৰ লখিমী ঘৰলৈ নিম। সেই ম'হৰ গাড়ীখন আৰু গাৰোৱানজন সেই সময়ত সকলোৰে দৃষ্টিৰ কেন্দ্ৰবিন্দু হৈ পৰে। তেতিয়া দূৰৰ পৰা চাই চাই এনে ভাব হৈছিল— ম'হৰ গাড়ীৰ গাৰোৱান হ'বলৈ কিজানি সাত জনমৰ পুণ্যৰ প্ৰয়োজন। ধানৰ দাঙৰি বিৰিয়াত আঁৰি লৈ আগবাঢ়ে পাহোৱাল ডেকাজন... .... সপোন ফলিওৱাৰ আনন্দত ফুলি উঠা বুকুখনলৈ চাই দূৰৰ পৰা প্ৰেয়সীয়ে মিচিকি হাঁহে... ...। লাহে লাহে অস্ত আকাশত মাৰ যায় হেমন্তৰ নিৰ্জু বেলি। ন-প্ৰভাতৰ প্ৰত্যাশা লৈ বিদায় মাগে দাৱনীৰ জাক। টং টং শব্দ কৰি পদূলি মুখত ৰয়হি লখিমী কঢ়িওৱা ম'হৰ গাড়ীখন। নিমিষতে ঘৰখনত বৈ পৰে আনন্দৰ লহৰ। ঘৰৰ জ্যেষ্ঠজনে অতি ভক্তিভাৱে ঘৰলৈ নিয়ে লখিমী আদৰি। ঘৰৰ লখিমী ঘৰ পালেহি বুলি সকলোৱে স্বস্তিৰ নিশ্বাস এৰে।

সময়ৰ বোকোচাত এদিন এৰি আহিলো আঘোণৰ সোণোৱালী পথাৰখন, ৰংমন ককাইৰ গোনা ম'হৰ হাল, ৰাংঢালী দাৱনীৰ জাকটি আৰু মোৰ জীৱনৰ অলেখ স্মৃতিৰ ভোগদৈখন... ...। সেয়ে হয়তো হীৰুদাই কৈছিল—

*"ভঙা কলিজাত কোনে বিনায়;*
*কবিতা মোৰ দুখৰ ঋতুৰ এপাহ খৰিকাজাঁই।"*

এতিয়া আঘোণৰ স্মৃতি সাঁচাকৈয়ে দুখৰ ঋতুৰ এপাহ খৰিকাজাঁই। যান্ত্ৰিকতাময় জীৱনত আঘোণ আজি নষ্টালজিয়া... ...। স্মৃতিৰ ৰহন সানি আঘোণৰ সৌন্দৰ্য বিচাৰি ফুৰাৰ সময়তে; প্ৰচণ্ড আবেগে বুকুত খুন্দিয়ায়, হেৰুৱাৰ বেদনা হৈ। চেনেহৰ আঘোণ। ... ...হেমন্তৰ বোকোচাত তুমি ৰচা সৌন্দৰ্যৰ ৰ'দ-কাঁচলি মই হেৰুৱাব নিবিচাৰো। তুমি আছা বাবেইতো শাওণৰ পথাৰত বোকা দি নাভাগৰে হালোৱা, ৰোৱনীৰ জাক....। আঘোণ, তোমাৰ কোলাত সাৰ পায়; মোৰ ৰাংঢালী যৌৱনৰ সুঁহুৰি হৈ এদিন মোৰ জীৱনলৈ তুমি আহিছিলা ভালপোৱাৰ সুৰভি বিলাবলৈ। দেহ-মন জুৰি বৈ আছিল এটি ৰিঙা ৰিঙা সুৰৰ ৰাগিণী। হেঁপাহৰ বিহুৱানখন পাবলৈ মনত জগা সপোনটিৰ উমান, মোৰ আয়ে বহু আগতে পাইছিল ছাগে... ...। সেয়েহে এদিন শাৰদী সপোনটি হৈ আয়ে মোক কৈছিল— "বোপাই, এইবাৰ আঘোণত ধানখিনি



দাই অনাৰ পাছতে ঘৰখনলৈ এজনী লখিমী বোৱাৰী আনিব লাগিব। ন-বোৱাৰীৰ হাতেৰে ন-ধানৰ ন-ভাত খাবলৈ পালেহে মোৰ আত্মাই শান্তি পাব।"

সেইবাবেই কিজানি দূৰৰ পাহাৰখন প্ৰতিধ্বন্নিত হৈছিল— "আঘোণ অসমীয়া জীৱনৰ সঞ্জীৱনী সুধা।"

বকুল, বৰা, মাণিকী মাধুৰীৰ সুগন্ধি বিলাই আজিও আঘোণৰ প্ৰত্যাশা জাগে প্ৰতিজন অসমীয়াৰ দেহ আৰু মনৰ নিভৃত কোণত। সৌ তাহানিৰ হোজা অসমীয়াৰ প্ৰাণৰ অলিন্দত হেন্দোলিত আঘোণৰ স্নিগ্ধ সুবাসত আজিও আলোড়িত হয় দ পথাৰৰ সেউজীয়া দলনিখন। সংঘাতময় সমাজ জীৱনৰ ধামখুমীয়াত আঘোণৰ সপোন দেখিবলৈ আজিৰ অসমীয়াৰ সময়ে বা ক'ত? আগৰ সেই দাৱনীৰ লিহিৰি হাতৰ পৰশৰ ঠাই ল'লে শস্য কটা মেছিনে, গোনা ম'হৰ গাড়ীখনৰ ঠাই ল'লে ট্ৰেক্টৰে। তথাপিও মই আজিৰ লঠঙা আঘোণৰ বুকুত বিচাৰি ফুৰো তাহানিৰ পূৰ্ণ যৌৱনা আঘোণৰ মায়াবিনী সৌন্দৰ্য সুধা... ...। দুৰু দুৰুকৈ কঁপে আঘোণক হেৰুওৱাৰ ভয়ত মোৰ নিশকতীয়া কলিজা, মোৰ নাসিকাত খুন্দা খায় হেৰুওৱা সুগন্ধিৰ নষ্টালজিক অনুভৱ। আঘোণৰ স্মৃতি চিৰ যুগমীয়া কৰাৰ বাবেই কিজানি আমাৰ গাঁৱৰ ৰতনী বাইয়ে পুতেকৰ নাম 'আঘোণা' ৰাখিছিল। হয়তো সেইবাবেই আঘোণৰ দৰেই আঘোণ কাইয়ো সকলোৰে প্ৰিয় আছিল।

আঘোণ অহাৰ বাটতে আমি সকলো ৰৈ থাকিম জীৱনৰ গীত গাবলৈ, ভালপোৱাৰ সুৰভি বিলাবলৈ আৰু সপোনৰ আবিৰ সানি তোমাৰ সৈতে আকাংক্ষাৰ আকাশীগংগা বগাবলৈ। হয়তো অস্ত আকাশৰ সোণাৱালী ৰ'দজাকত ঠেকা খাই, মালৌ পথাৰৰ ধাননিডৰাই হৃদয়ৰ নিভৃত কোণত সাঁচি ৰখা হেঁপাহৰ আঘোণৰ কথা ক'ব। কোনোবা উতনুৱা ডেকাই এফাকি বিহুগীত গাব। কিন্তু এই সকলোবোৰকে আধুনিক ডেকাই যদি তাহানিৰ কথা বুলি ভেঙুচালি কৰে। তেন্তে তুমি সেইকণ ভেঙুচালিলৈ বৰকৈ মন নিদিবাদেই। হেঁপাহৰ আঘোণ মোৰ... ... তই প্ৰতি বছৰে অসমীয়াৰ হিয়াৰ আমঠু হৈ থাকিবি দেই... ... মোৰ হেঁপাহৰ আঘোণ... ...।।◈

# সোঁৱৰণীৰ স্তৱক

**লক্ষীৰাম নাথ**



(১)

কিয় উকা উকা আজি
আইৰ পদূলি
তুমি ক'ত
হে প্ৰাণৰ গণশিল্পী
জোনাকী বাটৰ বাটৰুৱা
গ'লা ক'লৈ
গীত গাই গাই
জাতিক জগোৱা
প্ৰভাতী পক্ষী!
পোহৰ নহ'ব নহ'ব
আইৰ পদূলি।

(২)

প্ৰেমিক চৰাই
যাযাবৰী শিল্পী
চিনাকী তোমাৰ!
আইৰ পূজাৰ পূজাৰী
জাতিৰ প্ৰহৰী
স্বভাৱ কবি,
মাটিৰ মানুহ
হিয়াৰ আমঠু
প্ৰাণৰ স্পন্দন মোৰ।



ব'হাগৰ গীত
শৰতৰ সুৱাস
ৰিণিকি ৰিণিকি
ভাহি আহা ঐনিতম তুমি।

(৩)

নাই ক'ত তুমি
পাহাৰ ভৈয়াম
নদ-নদী
নৈ নিজৰা হৈ
মিচিং, মিৰি, অকা, ডফলা
হাজং, কাৰ্বি, খামটি
গাৰো, নেপালী
দেউৰী, কছাৰী, তিৱা
লালুং, ৰাভা, নগা
মিজো, মণিপুৰীৰ
শিৰা উপ-শিৰাই;
বৈ আছা তুমি
আহোম চুতীয়া আপাতানিৰ।
আছা তুমি
বৰ অসমৰ সংস্কৃতিৰ কোঁহে কোঁহে
চাহ গছৰ সুবাস
বধুৱা লছমীহঁতৰ নৃত্যৰ ছন্দও তুমি।

(৪)

যাওঁ বুলি গুচিয়ে গ'লা
নাই, বুলি নোহোৱা হ'লা
অভিমান হ'ল নেকি তোমাৰ?
গজি উঠিবনে আকৌ
গানৰ ভেটিত গান
সূৰুযমুখী গান

কবিতা কবিতা লগা গান
জাতিক জগোৱা গান
বুৰঞ্জীৰ সুৱাস লগা গান
মানুহৰ গান
বিপ্লৱৰ গান
শোষণ বিৰোধী গান
সৰ্বহাৰাৰ গান
জীৱনৰ গান
একতাৰ গান
প্ৰেমৰ গান
গানৰ বুকুৰ গান।

(৫)

আহা আকৌ এবাৰ আহা
অ' মোৰ দৰদী সুধাকণ্ঠ
বুকুৰ শিল্পী
প্ৰভাতী পক্ষী হে
জাতিটোক জগোৱাহি
শব্দৰ যাদুৰে
তোমাৰ বাঁহীৰ অমিয়া সুৰেৰে
কবিতাৰ চলেৰে।।◈



# আহক, পৃথিৱীখন সুন্দৰ কৰোঁ!!

তৃষ্ণা দেৱী

হাঁহি হাঁহি দুখবোৰক হৰুৱাই জীৱনক জয়ৰ মালা পিন্ধাবৰ বাবে কণমণি দেৱশিশু এটাক উদ্দেশ্য কৰিয়েই আমি আমাৰ কৰ্তব্য স্থিৰ কৰি ল'ব পাৰোঁ। 'গু' মানে হৈছে অন্ধকাৰ আৰু 'ৰু' মানে হৈছে পোহৰ। অৰ্থাৎ যিয়ে এন্ধাৰৰ পৰা পোহৰলৈ নিয়ে তেৱেঁই হ'ল গুৰু।

এখন ফুলনিত ফুলি থকা ফুলবোৰৰ দৰেই শিশুৰ পৱিত্ৰ সত্তা। সিহঁতে নাজানে হিংসা-দ্বেষ, অত্যাচাৰী পৃথিৱীৰ কথা। ফুলকোমল বদন কমলত তিৰবিৰাই থকা তৰাৰ দৰে নেত্ৰযুগলত অনৰ্গল প্ৰশ্নৰ উকমুকনি। শিকি ল'ব খোজা এই বয়সত সেয়ে শিশুক ইতিবাচক শিক্ষা প্ৰদান কৰিব লাগে। কিয়নো, কোমল মন-মগজুত খোপনি পুতি লোৱা কথাবোৰেই সময়ত দৈত্যাকাৰ ৰূপ লয়।

শিশুৱে পাহৰি নাযায়। যেনেদৰে আমিও পাহৰি যোৱা নাই সৰুকালিতে শিক্ষাদান কৰা গুৰুসৱলৈ। কোনে বেছিকৈ মৰম কৰিছিল, কোনগৰাকী শিক্ষাগুৰু খঙাল আছিল, কোনগৰাকীয়ে ভালদৰে শিকাইছিল... ... ইত্যাদি ইত্যাদি এশ এবুৰি কথা। সেয়েহে শাৰদীয় জোনাকৰ দৰেই নিৰ্মল, পৱিত্ৰ এখন হৃদয় লৈ গুৰুৱে ছাত্ৰক শিক্ষাদান কৰিব লাগে; যাতে সি নিজম নিশাৰ শেৱালিৰ সুগন্ধিৰ দৰেই আমোলমোলাই সমাজখনক সুবাসিত কৰিব পাৰে।

বিশাল আকাশৰ নীলাভ সৌন্দৰ্য, সেউজীয়া ধাননি, নিয়ৰত তিতি থকা বননিৰ অনিৰ্বচনীয় সৌন্দৰ্যই মুগ্ধ কৰিব পৰা মন এটা শিশুৰ অন্তৰত প্ৰতিষ্ঠা কৰিবলৈ আমি যত্ন কৰিব লাগে। প্ৰতিগৰাকী শিক্ষকৰে হৃদয়ৰ মন্দিৰত থাপিত হ'ব লাগে কৰ্তব্যৰূপ দেৱতাৰ মূৰ্তি। নিজৰ কৰ্তব্যকেই ভগৱান ৰূপে পূজিলে তাৰ সুফল লাভ কৰাটো নিশ্চিত।

তাহানি এটা গীত শুনিছিলো লোকনাথ গোস্বামীৰ কণ্ঠত মোৰ প্ৰিয় গান— "হাঁহিৰে জীৱন সুন্দৰ কৰা/চকুৰ পানীৰে নহয়!/কামেৰে তুমি যুগজয়ী হোৱা/ প্ৰতিশ্ৰুতিৰে নহয়!"

কঁচুপাতৰ পানীৰ দৰে এই আছে, এই নাই আমাৰ এই জীৱন। যেন এটুকুৰা থুনুকা আইনা। নহয়; আইনা বুলিলে ভুল হ'ব— দাপোণ! হেজাৰ হেজাৰ প্ৰতিবিম্ব বুকুত সাৱটি এখন দাপোণ। এটি দীঘল বাট— খোজেপতি দলদোপ হেন্দোলদোপ কৰে অলেখ সপোন। কাৰোবাৰ যদিওবা বাটটো দুৰ্ভাগ্যজনকভাৱে ৰিং এটা মাৰিলে শুনাৰ দৰেই চুটি হয়, তথাপি তাতো লুকাই থাকে সুন্দৰৰ স্বপ্ন।

পৃথিৱীখন এখন ফুলনি আৰু আমি হ'লো তাৰ মালী। আমি পৃথিৱীৰ চুক-কোণ চিকুণাই তাক বাসোপযোগী কৰি ৰাখিব লাগে, যাতে মানৱতাৰ সুৰভি বিলাই নেদেখাজনৰ করুণা লভিব পাৰোহঁক। জীৱনৰ পল-অনুপলবোৰ ফুলবোৰৰ প্ৰতিপালন কৰি যেতিয়া দেখিম বাগিছা ভৰি ফুলা ফুলৰ সৌৰভে সমাজখন স্বচ্ছ আৰু নিকা কৰি তুলিছে, তেতিয়াই এগৰাকী শিক্ষক হিচাপে আমাৰ জীৱনবোৰ সাৰ্থক হোৱা বুলি ভাবিব পাৰিমহঁক। সেয়ে কৰো আহক আৰাধনা সত্য আৰু সুন্দৰৰ...!!◈

## জানি থোৱা ভাল

**শিশুৱে যি দেখে তাকে শিকে ঃ—**

◈ যদি শিশু সমালোচনাৰ মাজত বাস কৰে, সিহঁতে গৰিহণা দিবলৈ শিকে।
◈ যদি শিশু শত্ৰুতাৰ সৈতে বাস কৰে, সিহঁতে কাজিয়া কৰিবলৈ শিকে।
◈ যদি শিশু ভয় আৰু শংকাৰ পৰিবেশত বাস কৰে, সিহঁতে উদ্বিগ্ন হ'বলৈ শিকে।
◈ যদি শিশু পুতৌৰ সতে বাস কৰে, সিহঁতে নিজকে আত্মবিশ্বাস হেৰুৱাবলৈশিকে।
◈ যদি শিশু উৎসাহ-উদ্দীপনাৰ মাজত বাস কৰে সিহঁতে আত্মবিশ্বাসী হ'বলৈ শিকে।
◈ যদি শিশু সততাৰ সৈতে বাস কৰে, সিহঁতে সত্যবাদী হ'বলৈ শিকে।
◈ যদি শিশু নিকা পৰিৱেশৰ স'তে বাস কৰে, সিহঁতে ন্যায়পৰায়ণ হ'বলৈ শিকে।

**সংগ্ৰাহক ঃ আকতাৰ আলী**



# হাঁহি

**পম্পী দাস**

তুমি বাৰু কেতিয়াবা
হাঁহিছিলালে?
পোৱাৰ আনন্দত নে
নোপোৱাৰ বেদনাত।
তোমাৰ হাঁহিত অন্তৰৰ কথাবোৰ
পৰিস্ফুট হয়নে?
নে তোমাৰ হাঁহিত আনক
হেৰুৱাৰ কুটিলতা প্ৰকাশ পায়
নিষ্পাপ শিশুৰ হাঁহিটোৰ লগত
তুলনা কৰি চাইছানে কেতিয়াবা?
কি যে ঐশ্বৰিক অনুভূতি প্ৰকাশ পায়
বেদনাৰ হাঁহিবোৰ বাৰু কেনেকুৱা
জীৱনৰ হেৰুৱাবোৰ, নোপোৱাবোৰ
প্ৰকাশ পায়নে?
শোষকেৰে ভৰি পৰা পৃথিৱীত
নোপোৱাবোৰৰ বাবে কান্দি
জানো লাভ হ'ব।
কান্দিলে কাৰ কি
আহে যায়
নিজক দুৰ্বল নকৰিবা কান্দি
হাঁহিবা মাথোঁ হাঁহিবা
দুখৰ হুমুনিয়াহৰ হাঁহি
হাঁহিৰে হে জীৱন জোখে
চকুলোৰে নহয়।।◈



# কুলি

ৰীণা বৰুৱা



গা চোন গা
তোৰ সুৰীয়া গান
পুনৰ গা
তোৰ গীতত মই
হওঁ মতলীয়া
অবুজ ভাষাৰে গোৰা...
নিজম দুপৰীয়া।
শুনো তোৰ গান
অলেখ বাৰ
তথাপিও মোৰ
নালাগে ভাগৰ।
ক'ত শিকিলিনো বাৰু
ইমান সুমধুৰ সুৰ?
নাপায় কোনেও দুখ,
লভে সৰগীয় সুখ।

তই বাৰু কিয় লাজকুৰীয়া?
ওৰণিৰ তলৰ ন-কইনাৰ দৰে
পাতৰ মাজৰ পৰা
শুনোৱা ভুবন ভুলোৱা সুৰ।
ভালপাওঁ তোক মনৰ জোখাৰে...
সদায় বিচাৰো কাষত,
থাকিবিনে সখী আমাৰ মাজত
চিৰদিন চিৰকাল।
নাযাবি তই দূৰলৈ
কাবৌ কৰিছো তোক
থাক সখী থাক
নাযাবি! নাযাবি!◈



গল্প

# উত্তৰবিহীন

লখিমী হাজৰিকা

পদূলিৰ পৰা ভাহি অহা চাইকেলৰ টিলিঙাটো শুনি শাৰদীয়ে ষ্ট'ভৰ জুইৰ শিখাটো অলপ কমাই দি বাহিৰলৈ ওলাই আহিল। হকাৰজনে লোহাৰ জপনাখনত লগাই দি যোৱা বাতৰি কাকতখন ড্ৰয়িং ৰুমৰ চেণ্টাৰ টেবুলখনতে থৈ তাই পাকঘৰলৈ খোজ দিলে। নীহাৰক অফিচলৈ উলিয়াই পঠোৱাৰ পিছত জোনাকী শুলেহে তাই সেইখন পুনৰ ল'ব। বাতৰি কাকত পঢ়াটো যেন শাৰদীৰ একান্ত অনিচ্ছাকৃত এক কৰ্তব্য। পঢ়িবলৈও মুঠেই ইচ্ছা নাই, অথচ নপঢ়িলেও যেন কিবা আধৰুৱা হৈ ৰয় দিনটো। সম্পাদকীয় পৃষ্ঠাটোৰ লগতে শব্দজ্ঞানৰ জালখনৰ ক'লা- বগা ঘৰকেইটাইহে তাইক বেছিকৈ আকৰ্ষণ কৰে। নহ'লে হত্যা, হিংসা, লুণ্ঠন, অপহৰণ, ধৰ্ষণৰ খবৰেৰে ভৰি থকা কাকতখনৰ ক'ৰবাত এটা ভাল খবৰ বিচাৰি হাবাথুৰি খাবলগীয়া অৱস্থা। পুৱাই পুৱাই মনটো বেয়া লাগি যায়। শাৰদীয়ে ষ্ট'ভটো বন্ধ কৰি দিলে। নীহাৰ প্ৰাতঃভ্ৰমণৰ পৰা আহিলেই জলপান লাগিব। পুৱাৰ এই সময়খিনিত যেন শাৰদী ঘড়ীৰ কাঁটাকেইডালৰ আগে আগে ঘূৰিব লাগে। এক মিনিট ইফাল-সিফাল হ'লেই গোটেই দিনটোৰ কাৰ্যসূচীত আউল লাগি যায়। সিহঁতৰ দৰঙীয়া পেহাকে ক'বৰ দৰে- 'কণা লাগিল আ দিনটোলে'। কথাষাৰ মনত পৰাত অজানিতেই শাৰদীৰে ওঁঠেৰে হাঁহি এটি মিচিকিয়াই গ'ল।

ঃ গুড মৰ্ণিং ডিয়েৰ। -নীহাৰে মাত লগালে।

ঃ গুড মৰ্ণিং। আহিলা? যোৱা গাটো ধুই অহাগৈ। মোৰ হৈছেই। জোনাকীও উঠিব চাগে এতিয়া। -কুকাৰটো নমাই দি তাই চাহৰ যোগাৰ কৰাত লাগিল।

ডাইনিং টেবুলৰ নিৰ্দিষ্ট স্থানত পায়সৰ বাতি দুটা থৈ ব্ৰেড্‌খিনিত বাটাৰ লগাব খুজিছিল শাৰদীয়ে।

ঃ মা... মা..., অ' মা চোৱাহিছোন... মা... আ....

জোনাকীৰ চিঞৰত শাৰদী আগফালে যাবলৈ ওলাইছিলহে মাথোন। হাতত সেইদিনাৰ বাতৰি কাকতখন লৈ তাই নিজেই দেও দি দি আহিল।

ঃ মা চোৱাছোন মোৰ নিচিনা ছোৱালীৰ ফটো। মোৰ যে বগা ফ্ৰকটোযে! তুমি যে পূজাত ... ...

জোনাকীৰ অনৰ্গল কথাবোৰতকৈ তেতিয়া শাৰদীৰ ধ্যান আছিল তাই দেখুওৱা ফটোখনতহে। প্ৰথম পৃষ্ঠাতে ইনছেটত এগৰাকী মৰমলগা ছোৱালীৰ ফটোৰে ৰঙা আখৰেৰে জিলিকি থকা বাক্যকেইটা.... বাক্য নহয় যেন কেঁচা তেজৰ এক ধাৰাল সোঁতহে! 'ধৰ্ষণ কৰি হত্যা ন বছৰীয়া কন্যাক' দুজন ধৃত। বাতৰিটো দেখি শাৰদীয়ে যেন এক মুহূৰ্তৰ বাবে নিজক পাহৰি গ'ল। হেৰুৱাই পেলালে যেন সমস্ত চিন্তাশক্তি। আঢ়ৈ বছৰীয়া কণমানিজনীৰ কথাত কিদৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব তাই যেন ঠিক ঠিৰাং কৰিব নোৱাৰিলে আৰু তাইৰ এই অসহায়তা ফুটি উঠিল ধুনীয়া মুখখনত বেঁকা হৈ পৰা ভাঁজবোৰত।

তেনেতে বাথৰুমৰ পৰা ওলাই অহা নীহাৰে একো তৎ ধৰিব নোৱাৰি কাষ চাপি আহিল। হয়তো মাকৰ পৰা আনদিনাৰ দৰে একো সঁহাৰি নাপাই জোনাকীৰ কণমাণি মনটোৱেও কিবা বুজি উঠিছিল। নীহাৰে জানে এই মুহূৰ্তত তাৰ কৰণীয় কি! ... ...

শাৰদী তেতিয়া এম.এ. পৰীক্ষা দি উঠিছে। ৰিজাল্ট ওলোৱা পৰ্যন্ত তাই ঘৰতে কিবা-কিবি কৰি থাকিব বুলি ভাবোতেই একে অঞ্চলৰে জুনিয়ৰ কলেজখনত দুটাকৈ দিনে ক্লাছ কৰা সুবিধা পালে। নিবিচৰাকৈয়ে পোৱা মনৰ পছন্দৰ কাম বুলি তায়ো গৈ থাকিল কলেজখনলৈ। একেটা অঞ্চলতে যদিও তিনি কিল'মিটাৰমান হয় কলেজখনলৈ। তাই স্কুটাৰখন লৈয়ে যায়। সিহঁতৰ চহৰখন নতুনকৈ গঢ় লৈ উঠা। গতিকে ঘন হাবি, বাগান, বিস্তৃত খেতিপথাৰেৰে চহৰৰ ওচৰৰ অঞ্চলবোৰত এক গাঁও গাঁও ভাব লাগি থাকে।

সিদিনা আছিল বতৰটো ডাৱৰীয়া। কলেজৰ পৰা ওলায়ে এক কিলোমিটাৰ মান আহি তাই হঠাৎ ৰৈ দিবলগীয়া হ'ল। সন্মুখৰ চ'কটোত



বহুত গাড়ী-মটৰ গোট খাইছে। জুমটোৰ বেছিভাগেই কলেজীয়া ছাত্ৰ-ছাত্ৰী, স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক তথা তেওঁলোকৰ বাহন। অলপ আগবাঢ়ি গৈ গম পালে বোলে আধাঘণ্টামান আগতে এখন ট্ৰাকে স্কুলীয়া ছাত্ৰ এজনক খুন্দিয়াই থৈ গ'ল। হাস্পতাললৈ নিছিল, কিন্তু ল'ৰাজন ঢুকাল। তাৰেই প্ৰতিবাদত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা স্থানীয় ৰাইজে পথটো অৱৰোধ কৰি ৰাখিছে। ল'ৰাজনলৈ ভীষণ বেয়া লাগিলেও শাৰদীৰ হঠাতে টিঙিচ্‌কৈ খঙটো উঠি আহিল। মানুহবিলাকৰ কিছু বিবেচনাহীন কাণ্ডই কেতিয়াবা তাইক বাৰুকৈয়ে অতিষ্ঠ কৰি তোলে। গাড়ীখনে ল'ৰাজনক খুন্দিয়াই গুচি গ'ল। তোমালোকে গাড়ীৰ নম্বৰটো সংগ্ৰহ কৰিব নোৱাৰিলা, গাড়ীখন ধৰাটোতো বহু দূৰৰে কথা। পিছে পিছে গৈ, কাৰোবাক ফোন কৰি হ'লেও গাড়ীখন ধৰাত পুলিচক অলপো সহায় কৰিব নোৱাৰিলা। এতিয়া আহিছা গাড়ীখন পলাই যোৱাৰ পিছত অবৰোধ কৰিবলৈ। ধিক! বাটটো বন্ধ কৰি আন আন যাত্ৰীক হাৰাশাস্তি কৰিলে কাৰ কি লাভ হ'ব?

'পুলিচ প্ৰশাসন হায় হায়!' 'আমাৰ দাবী মানিবলৈ লাগিব।' 'এই মৃত্যুৰ বিচাৰ লাগে'— ডিঙিৰ সিৰ ফুলাই হাত দাঙি চিঞৰি থকা ল'ৰাকেইজনক চিনি পালে শাৰদীয়ে। ডিঙিত মোটা চেইনডাল পিন্ধি থকা সেইটো চ'কটোতে পাণ দোকানৰ সন্মুখত কেৰম খেলা ল'ৰাটো। তাৰ নিজৰে বাইকৰ কাঁটা যাঠীৰ তলত নাথাকেই ট্ৰাকখন পলাই যাওঁতে ক'ত মৰিছিলগৈ? কিয় তীব্ৰ বেগত গৈ আগচিব নোৱাৰিলে? কাম নাইকিয়া কেলেহুৱাকেইটা। সচেতনতা দেখুৱাইছে চা! নিজৰ লগতে ছাত্ৰ-ছাত্ৰীখিনিকো বান্দৰামি শিকাইছে।

'স্পীড ব্ৰেকাৰ লাগিবই'— কথাষাৰত শাৰদীৰ খং দুগুণে চৰিল। বিদ্যালয়ৰ সন্মুখত যে এটাও গতিৰোধক নাই, সেই কথাটো আজিহে সকলোৰে চকুত পৰিল নে? সেই ট্ৰাকবোৰতো সদায়েই তীব্ৰ গতিত চলি থাকে। কোনোবা দুজনমান গোট খাই কিয় ড্ৰাইভাৰবোৰক এবাৰো ক'ব নোৱাৰে গাড়ীৰ গতিবেগ কমাবলৈ। তিনি-চাৰিজনে দুদিন একেৰাহে সকীয়নি দিলে কাৰ সাহস আছে বিদ্যালয়ৰ সন্মুখেৰে তীব্ৰ গতিত গাড়ী চলাবলৈ।

পথ অৱৰোধ কৰি বহি থকা মানুহবোৰক মনৰ ভিতৰতে গালি-শপনি পাৰি শাৰদীয়ে কেতিয়া স্কুটাৰখন ঘূৰাই অহা বাটেৰে আগবাঢ়িলে তাই নিজেও গম নাপালে।

কলেজৰ পৰা অলপ আহিয়েই পোৱা চ'কটোৰে সোমাই গ'লে সিহঁতৰ পিছফালেৰে যোৱা হাইৱেত উঠিবগৈ পাৰে বুলি তাই জানে যদিও গৈহে পোৱা নাই। যোৱাৰ প্ৰয়োজনো নাই অৱশ্যে। যি নহওক আজিয়ে যোৱা হওক বুলি শাৰদী আগবাঢ়িল।

'Welcome to Naharani Tea Estate' বুলি লিখা বৃহৎ হৰ্ডিংখন পাৰ হৈছে মাথোন শাৰদীয়ে। অকস্মাৎ সন্মুখত বাগানৰ কাষৰ ৰাস্তাটোৰ পৰা এখন বাইক আহি পৰাত হঠাৎ তাই ব্ৰেক মাৰি দিলে জোৰেৰে। কিন্তু ভাৰসাম্য ৰাখিব নোৱাৰি বাগৰি পৰিল তাই।

ঃ ইস্ ইস্ দাৰ্লিং, বেছিকৈ দুখ পালা নেকি চাওঁ। হেলমেটটো খুলি তাইৰ পালে এটা কুৎসিত চাৱনি লৈ আগুৱাই অহা ল'ৰাজনক দেখি শাৰদী হতভম্ব হৈ পৰিল।

ঃ তই ইয়াত?

ঃ কিয়? মোৰ মানুহজনীয়ে অকলে অকলে ইমান দূৰ বাট আহিব আৰু মই লগ নিদিমনে?

ঃ ঐ দূৰত থাক। নাহিবি, নাহিবি বুলিছো নহয়। শাৰদীয়ে মাটিৰ পৰা উঠিব চেষ্টা কৰি চিঞৰি উঠিল। Help, Help... কোন আছ। কিন্তু শাৰদীৰ চিঞৰকেইটা আধৰুৱা হৈ মুখতে বৈ গ'ল। ইতিমধ্যে আনজন বাইক আৰোহীয়ে শাৰদীৰ স্কুটাৰখন বাগানৰ মাজলৈ লৈ গৈছিল আৰু ল'ৰাজনে আগুৱাই দিয়া ৰুমালৰ নিচাজাতীয় দ্ৰব্যৰ অভিশাপত শাৰদী অচেতন হৈ পৰিছিল।

যেতিয়া শাৰদীয়ে জ্ঞান ঘূৰাই পাই নাৰ্ছিং হোমৰ বিছনাত নিজকে আৱিষ্কাৰ কৰিছিল, তেতিয়ালৈ বহুত কিবা কিবি ঘটি গৈছিল। বাতৰি শিৰোনাম হৈছিল শাৰদী। লগতে নিজৰ শাৰদী নামটোও হেৰুৱাই তাই হৈছিল 'ধৰ্ষিতা'।

কলেজলৈ যোৱাৰ পৰাই তাইক ভালপোৱাৰ প্ৰস্তাৱ দি প্ৰথমে প্ৰত্যাখিত আৰু পিছলৈ অপমানিত হোৱা স্থানীয় বিধায়কৰ ভতিজাক অচ্যুতে যে এনেদৰে প্ৰতিশোধ ল'লে, সেই কথা মনত পৰি তৎ ধৰিবলৈ শাৰদীৰ বহুত সময় লাগিল। মাত্ৰ একৰাতিৰ ভিতৰতে বিধ্বস্ত হৈ পৰা শাৰদীৰ মাক-দেউতাকতকৈও যেন শাৰদীৰ চেতনা অহালৈ অধীৰ আগ্ৰহেৰে বাট চাই



আছিল নিউজ চেনেলৰ সাংবাদিক কেইটাইহে। আৰক্ষী আৰু ডাক্তৰৰ তৎপৰতাতহে যেনিবা তাই অলপ সুস্থ হোৱালৈ সকলোৱে অপেক্ষা কৰিলে। মাকৰ বুকুত সোমাই কোৱা ঘটনাৰ বিৱৰণখিনি পুলিচ বিষয়াজনে ডায়েৰীত টুকি ওলাই গৈছিল।

টেষ্টৰ কাৰণে নিয়া হৈছিল তাইক। উস্ কি যন্ত্ৰণা। গোটেই শৰীৰত অসহ্য বেদনা, ক'লা ক'লা দাগ, আঁচোৰেৰে ভৰ্তি দেহাটোত চিকিৎসকে প্ৰমাণ কৰিবলৈ আৰু কি বাকী থাকিল? কিমানখিনি চৰ্ত পূৰণ হ'লে ধৰ্ষিতাৰ প্ৰমাণ পত্ৰ দিব পাৰি? উস্ কি নিৰ্মম পৰীক্ষা!

দুঘণ্টমানৰ পিছতে সাংবাদিকৰ উপৰ্যুপৰি প্ৰশ্নবাণ। প্ৰতিটো প্ৰশ্নতে, কেমেৰাৰ প্ৰতিটো ফ্লাছতে একোবাৰকৈ পুনৰ ধৰ্ষিতা হোৱা যেন অনুভৱ হ'ল শাৰদীৰ। মাকে হাজাৰ বাধা কৰা স্বত্বেও তাইৰ ফটো তোলা হ'ল। ভিডিঅ' ৰেকৰ্ডিং কৰা হ'ল তাইৰ হিয়াভঙা কান্দোনৰ। মাকে কৰযোৰে তেওঁলোকক বাধা দিলে, শাৰদী বেহুঁচ হৈ পৰি গ'ল বিছনাত। মাকে ৰুদ্ৰমূৰ্ত্তি ধাৰণ কৰিলে। "ওলাই যোৱা ওলাই যোৱা তোমালোক। মোৰ ছোৱালীজনীক জীয়াই থাকিবলৈ দিয়া।" জানে তেওঁ ধৰ্ষিতাৰ নাম পৰিচয় ফটো আদি প্ৰকাশ কৰাটো আইন বিৰোধী। কিহৰ খাতিৰত তেন্তে ফটো লাগে? ধুঁৱলী-কুঁৱলিকৈ হ'লেও ফটোখন দিয়াৰ প্ৰয়োজনেই বা কি? এফালে অচেতন শাৰদী, আনফালে কোঠাৰ এচুকত পুৱাৰে পৰা জুপুকা মাৰি বহি থকা গিৰীয়েক ডাঃ শুভ্ৰকিংকৰ চলিহা। শাৰদীৰ দেউতাক। কাক চাব তেওঁ! কাক?

প্ৰায় ২০ দিনৰ চিকিৎসাৰ অন্তত শাৰদী ঘূৰিল ঘৰলৈ। ঘৰ নহয় যেন এখন মৰিশালি। ওচৰ চুবুৰীয়া, আত্মীয়বোৰ যেন অতৃপ্ত আত্মাহে যি কাকো শান্তিত থাকিব নিদিয়ে। খবৰ ল'বলৈ নে সাহস দিবলৈ নে কটা ঘাঁত চেঙা তেল ঢালিবলৈ মানুহবোৰ আহি থাকিল। তেওঁলোকে নিক্ষেপ কৰা চাৱনিটো ঘৃণাৰ নে পুতৌ নে সহানুভূতিৰ আছিল সেয়া শাৰদীৰ বোধগম্যতাৰ বাহিৰত। কোনো কোনোৰ চাৱনিত এনে লাগিছিল যেন শাৰদীয়েহে যেন গাত লেবেল মাৰি কৈ ফুৰিছিল 'Come on! Rape Me.' বুলি। শাৰদী অসুস্থ হৈ পৰিছিল। মানুহ গ'লেই ওচৰত যি পাই তাকেই দলিয়াই দিবলৈ আৰম্ভ কৰছিল।

অৱশেষত ডাক্তৰ চলিহাই পত্নী ঝৰ্ণা আৰু শাৰদীক লৈ চহৰ এৰি

দিল্লী পাইছিলিগৈ। দুই-এজনৰ বাদে আত্মীয়-স্বজনৰ লগতো যোগাযোগ ৰখা নাছিল। আত্মাৰ মিলেই যদি নাই, দুখত যদি সহানুভূতিৰ হাতখনেই নাই, তেন্তে কিহৰ আত্মীয় হ'ল বুলি চলিহাই বাদ দিছিল সকলো। সম্পূৰ্ণ ছয়মাহৰ চিকিৎসাৰ অন্তত শাৰদী সুস্থ হৈ উঠিল ডাঃ নিলেশ মিশ্ৰ আৰু তেওঁৰ কনিষ্ঠ সহযোগী নীহাৰ শইকীয়াৰ তত্বাৱধানত। লাহে লাহে শাৰদী আগৰ শাৰদীজনী হৈ উঠিল। তেতিয়ালৈ চলিহাই দিল্লীত এটা ফ্লেট কিনিছিল। চিকিৎসাৰ সক্ৰান্তত ইতিমধ্যে যথেষ্ট ঘৰুৱা হৈ পৰা নীহাৰে এদিন প্ৰস্তাৱ দিছিল শাৰদীক বিয়া কৰোৱাৰ বাবে। শাৰদী আকোৰগোঁজ। তাই কোনোপধ্যে মানি নলয়। কিন্তু দিল্লীত থকা সময়ছোৱাত সু-উচ্চ চিন্তাধাৰাৰ, যথেষ্ট মৰমিয়াল নীহাৰৰ সংগই সলনি কৰি পেলাইছিল শাৰদীৰ মন। অৱশেষত শাৰদী চলিহা 'শাৰদী শইকীয়া' হৈ সোমাইছিলিগৈ নীহাৰ আৰু মাকৰ দুজনীয়া সংসাৰত। তাৰ তেৰ বছৰ পিছত জোনাকীৰ জন্ম। কিন্তু বিধিৰ কি বিপাক। জোনাকীৰ এবছৰ নৌহওঁতেই ষ্ট্ৰ'ক হৈ নীহাৰৰ মাক ঢুকাই থাকিল। ইয়াৰ পিছত নীহাৰহঁত গুচি আহিল অসমলৈ, নীহাৰৰ গৃহ চহৰ ডিব্ৰুগড়লৈ। ডিব্ৰুগড়লৈ আহি প্ৰয়াত পিতৃৰ সপোন বাস্তৱ কৰি নীহাৰে এখন 'মানসিক চিকিৎসালয়' স্থাপন কৰিলে। এতিয়া নীহাৰৰ আৰু শাৰদীৰ বাবে শাৰদীৰ মাক-দেউতাকেই অভিভাৱক। কাৰণ শাৰদীৰ মাক-দেউতাকো নিজৰ চহৰখনলৈ নগৈ ডিব্ৰুগড়তে থকা আৰম্ভ কৰিলে। মাক-দেউতাক, শাৰদী আৰু নীহাৰৰ এটি এটি হেঁপাহ হৈ ডাঙৰ হৈ আহিছে জোনাকী।

'জোনাকী', তাই ডাঙৰ হৈ আহিছে। শাৰদী ধৰ্ষিতা হোৱা সমাজখনতে জোনাকীও ডাঙৰ হৈ আহিছে। আজি তাই বাতৰি কাকতত কেৱল ছবি চাবলৈ শিকিছে। দুদিন পাছত পঢ়িবলৈ শিকিব। তাই যদি সোধে কেতিয়াবা 'ধৰ্ষণ' মানে কি মা? কি উত্তৰ দিব শাৰদীয়ে? উচ্চাৰণ কৰিবলৈ মন নোযোৱা শব্দবোৰেৰে যেতিয়া টেলিভিছনত বাতৰিবোৰ পাঠ কৰি থকা হয়, জোনাকীক ক'ত লুকুৱাই থ'ব শাৰদীয়ে? এগৰাকী ছোৱালীৰ মাতৃ হিচাপে, নাৰী হিচাপে শাৰদীয়ে প্ৰতি মুহূৰ্ততে অনুভৱ কৰি থকা নিৰাপত্তাহীনতাৰ ছবিখন কিদৰে আঁকিব? কেতিয়াবাই চেঁচা পৰি যোৱা পায়সৰ বাতিকেইটা সন্মুখত লৈ শাৰদী স্থানু হৈ ৰ'ল। দুচকুত ওলমি থাকিল বহু উত্তৰবিহীন প্ৰশ্ন।।◈



# প্ৰেম

## চুমী দেৱী



যৌৱন বসন্তৰ প্ৰাতঃবেলাত
সকলোৰে বুকুৰ গোপন উদ্যানত
এপাহি এপাহিকৈ ফুলিবলৈ আৰম্ভ কৰে
প্ৰেমৰ খৰিকাজাঁই।
যেন তাৰ অবৰ্ণনীয় সৌন্দৰ্যৰে
ৰঙীণ কৰি তুলিব
কাৰোবাৰ জীৱন।
প্ৰেমৰ প্ৰাৰম্ভত প্ৰত্যেকেই
কাণ পাতি শুনিব খোজে
বিষণ্ণ নিশাৰ নীৰৱতাৰ কথা।
প্ৰেমৰ ঈষৎ হালধীয়াই যদি ধুই নিছে
কাৰোবাৰ জীৱনৰ সকলোবোৰ মলিনতা,
তেন্তে... ... কাৰোবাৰ জীৱনৰ বলুকাত সিঁচি দিছে
বিষাদৰ কঠীয়া।
প্ৰেমেৰে কোনোৱে জীৱন কৰি তুলিছে পৰিপূৰ্ণ,
কোনোৱে আকোঁৱালি লৈছে
মৃত্যুৰ শীতলতাক।
অথবা... প্ৰেমৰ সেউজীয়া অনুপ্ৰেৰণাৰে
দুখৰ মাজতো জী উঠিছে
জীৱন মৰুৰ কোনো তৃষ্ণাতুৰ পথিক......।।◈

# দেউতা

**দিপ্তীমণি শৰ্মা**

তিনিটা আখৰৰ এটি মিঠা শব্দ
দেউতা,
স্নেহৰ এক বিশাল সমুদ্ৰ।
তোমাৰ আঙুলিত ধৰিয়েই শিকিছিলো
জীৱনৰ আদিপাঠ।
Simple Living High Thinking
তোমাৰ জীৱনৰ আদৰ্শ।
তোমাৰ বাবে জীৱনৰ অৰ্থ
কেৱল যুদ্ধ।
যুঁজি যুঁজি ভাগৰি নপৰা মানুহজন
অৱশেষত হাৰি গৈছিলা,
টোপনিত ধলি পৰিছিলা তুমি
মাৰ চিঞৰে গছৰ পাত সৰুৱাইছিল
তথাপি তুমি সাৰ নাপালা।
তোমাৰটো টোপনি ইমান গভীৰ
কেতিয়াও নাছিল
তেতিয়াও কিন্তু তোমাৰ মুখখনে
হাঁহি আছিল ওঁঠ টিপি।
কিন্তু লাহে লাহে তোমাৰ ওঁঠৰ
সেইজীয়া হাঁহিটো
উৰি গৈছিল কুণ্ডলী পকাই যোৱা
ধোঁৱাৰ লগত।
আৰু তুমি
এসোপা ছাঁইৰ মাজত হেৰাই গৈছিল
চিৰদিনলৈ... ...।◈



*(৬ জুলাই ২০১৪ তাৰিখে স্বৰ্গগামী হোৱা পিতৃ দেৱতাৰ স্মৃতিত)*



# একবিংশ শতিকা আৰু ইছলামিক সমাজ

**ময়ফুল ইয়াছমিন**

মোৰ দুৰ্বল কলমৰ লিখনিয়ে সমাজত কোনো নতুন যুগৰ সূচনা সৃষ্টি কৰিব নোৱাৰিলেও মই আশাবাদী, সমাজলৈ এটি ক্ষুদ্ৰ বাৰ্তা প্ৰেৰণ কৰিবলৈ সমৰ্থ হ'ম। হাদিছ কোৰাণত বিজ্ঞ পণ্ডিত নহ'লেও কোৰাণৰ সতৰ্কবাণীৰ প্ৰতি পূৰ্ণ আস্থা আছে। ইছলামৰ পঞ্চ খুটিৰ প্ৰতি মনত দৃঢ়তা মজবুত আছে। বৰ্তমান মুক্তি আৰু অধিকাৰৰ নামত মহাসংগ্ৰাম চলাই আছো। কিন্তু সমাজ সংৰক্ষণৰ দায়িত্বভাৰ গ্ৰহণ কৰা ব্যক্তি তেনেই নগণ্য। অহংকাৰী মনৰ দৰ্পৰে কোৰাণ হাদিছৰ সতৰ্কবাণী নমনাৰ পৰিণাম ভুগিছে সমগ্ৰ ইছলামিক সমাজে, স্বাস্থ্য বিধি নামানিলে ৰোগশয্যা, আল কোৰাণ আৰু হাদিছ অৱমাননা কৰি আগুৱালে ইছলামিক সমাজৰ ধ্বংস অনিবাৰ্য। ধ্বংসৰ কৰাল গ্ৰাসৰ পৰা এই সমাজ উদ্ধাৰ কৰাৰ দায়িত্ব ল'ব লাগিব আপুনি, মই, আমাৰ দৰে হাজাৰ নৰ-নাৰীয়ে। ইছলামিক সমাজৰ প্ৰতিজন ব্যক্তিয়ে কোৰাণৰ সতৰ্কবাণী নতশিৰে মানিলে সমাজত শান্তি-শৃংখলা অটুট থাকিব, লগতে আমাৰ মাতৃভূমি সুন্দৰ, স্বচ্ছ, নিৰ্মল আৰু অন্যায়মুক্ত হ'ব। কাৰণ মোৰ তুচ্ছ বোধেৰে ক'ব পাৰো ইছলামে কোনো সমাজ বিৰোধী কাৰ্যক স্বীকৃতি নিদিয়ে। দুৰ্নীতি পৰায়ণ, অন্যায়কাৰী, অজাচাৰী, হত্যাকাৰী, দেশদ্ৰোহী, মিথ্যাচাৰী আদি ব্যক্তিসকল ইছলামৰ অন্তৰ্ভুক্ত নহয় বুলি পবিত্ৰ কোৰাণত স্পষ্ট উল্লেখ আছে। এজন মুছলমান ভাই মুছলমানৰ শত্ৰু বুলি ক'লে অতিৰঞ্জিত কোৱা নহ'ব। বহুজনে জাল হাদিছ জাহিৰ কৰি সমাজত বিভ্ৰান্তিৰ সৃষ্টি কৰিবলৈ ছেগ বিচাৰি ফুৰে। আকৌ এচামে ওৱাহাবী আৰু ছুন্নীৰ নামত সমাজত বিভাজনৰ সৃষ্টি কৰি নিজৰ মুনাফা লুটিবলৈ ছেগ বিচাৰে। অথচ যি সময়ত বহু ব্যক্তিয়ে নিজৰ নামত মোঃ আৰু বেগমৰ চানেকি লৈ মদৰ ঘাটি, জুৱাখেল, তীৰ খেলত

মগ্ন। নামাজ, ৰোজা এৰি মুছ্লমানৰ সন্তান বুলি নির্লজ পৰিচয় দি ফুৰে। আভিজাত্যৰ নামত শালীনতাৰ পোছাক এৰি অৰ্ধনগ্ন বেশ-ভূষাৰে নাৰীয়ে সমাজত অবাধ বিচৰণ কৰিছে। সেইসকললৈ শ্বৰিয়তৰ কোনো দলিল দিওঁতা প্রকাশ্য ওৱাহাবী, ছুন্নী আলীম ওলাই অহা দেখা নাযায়। প্ৰকৃত মুছ্লমানে শ্বৰিয়তৰ বিধান যিমানেই নিষ্ঠুৰ নহওক কিয়, বেয়াক ভালেৰে সংশোধন কৰে। সমাজত শান্তি প্রতিষ্ঠাৰ হকে উত্তম কথাৰে শ্বৰিয়ত অৱমাননাকাৰী ব্যক্তিৰ প্রতি সতর্কবাণী প্রেৰণ কৰা ইমানদাৰ ব্যক্তিৰ গুৰু দায়িত্ব। আল্লাহ-ৰছুলৰ বিৰুদ্ধাচাৰণ কৰা বা শ্বৰিয়তৰ বিধান অৱমাননাকাৰীসকল ইছ্লামৰ শত্ৰু।

ইছ্লামিক সমাজ গঠনত কোৰাণৰ গুৰুত্বপূর্ণ ভূমিকা আছে। আল্লাহৰ বাণীসমূহ পৱিত্ৰ কোৰাণ শ্বৰিফত আৰবী ভাষাত লিপিবদ্ধ কৰা আছে। অধিকাংশ লোকে (বিশেষকৈ ভাৰত) আৰবী ভাষা বুজি নাপায়। বর্তমান বহু বিজ্ঞজনে নানা ভাষালৈ কোৰাণ ৰূপান্তৰ কৰি আছে যদিও তাক নির্ভুল বুলি ক'ব নোৱাৰি। এটা শব্দৰ অর্থ বহু ধৰণে বর্ণনা কৰি মূল অর্থৰ ফালৰি কাটি গৈ ধর্মৰ বিতর্কত অৱতীর্ণ হোৱা দেখা যায়। অতি দুখ আৰু পৰিতাপৰ কথা বর্তমান আমাৰ সমাজত বহু খ্যাত মৌলানা, মুফতি, মোহাদ্দিছ আদি হাজাৰ হাজাৰ ধর্মীয় মহাজ্ঞানী লোক শ্বৰিয়তৰ মঞ্চত উপস্থিত হ'ল, কিন্তু কোৰাণ আৰু ইছ্লামৰ প্রকৃত ব্যাখ্যা মানৱ সমাজত দাঙি ধৰিবলৈ সক্ষম নহ'ল। হায় আক্ষেপ। যাৰেই পৰিণাম স্বৰূপে বহুজনে ইছ্লামৰ অপপ্রচাৰ কৰি সমাজত বিভ্রান্তিৰ সৃষ্টি কৰিবলৈ দ্বিধাবোধ কৰা নাই।

বহু বুদ্ধিজীৱীয়ে হাদিছ কোৰাণৰ সাৰগর্ভ অধ্যায়ন নকৰি নিজৰ মতেৰে জাহিৰ কৰা দেখা যায়- ইছ্লাম মানেই সন্ত্রাসবাদ, নাৰীক পৰ্দাৰ দ্বাৰা আৱদ্ধ কৰি ৰখা এটা জাতি। মুঠতে ইছ্লাম মানেই অন্ধকাৰাচ্ছন্ন। তাকে শুনি বহু অধ্যয়নবিহীন বিজ্ঞ পণ্ডিতে 'হয় হুজুৰ!' বুলি হাত চাপৰি মাৰি সহমত প্রকাশ কৰে। বিশ্বৰ বুকুত ইছ্লাম এটি বিজ্ঞানসন্মত আধুনিক ধর্ম। যি ধর্মৰ বিধি-বিধান বিজ্ঞানৰ প্রতিটো সূত্ৰৰ সৈতে সমাযোজন কৰে। উদাহৰণস্বৰূপে নাৰীৰ আৱৰণযুক্ত পোছাক বা পৰ্দাৰ কথা উল্লেখ কৰিব পাৰি। কাৰণ সমাজত পৰ্দা শব্দটো সমালোচনা মুক্ত নহয়। যদিও বুদ্ধিজীৱীসকলে নাৰীৰ মাৰ্জিত পোছাক বা দেহ আৱৰণী পোছাক সমর্থন কৰে তথাপিও নাৰী মনৰ আঘাতৰ



ভয়ত নীৰৱতা অৱলম্বন কৰে। বৈজ্ঞানিক দৃষ্টিকোণেৰে এজন ব্যক্তিৰ দেহত ডি-ভিটামিনৰ প্রয়োজন আছে, সূর্যৰ ৰশ্মিৰ পৰা এই ভিটামিন পাবৰ বাবে মাত্র ১৫ মিনিটেই যথেষ্ট। বাকী প্রখৰ ৰশ্মি ছাল, চকুৰ কাৰণে ক্ষতিকাৰক। আৱৰণযুক্ত পোছাকে ছালৰ ৰোগ ৰোধ কৰাৰ লগতে পৰপুৰুষৰ দৃষ্টিৰ পৰা ৰত্নসদৃশ নাৰী দেহ সংৰক্ষণতো সহায়ক হয়। এইখিনিতে পাঁচ ওয়াক্ত নামাজৰ প্রসংগ উল্লেখ কৰিব বিচাৰিছো। বহু যোগ বিশেষজ্ঞই নামাজৰ দ্বাৰা শাৰীৰিক, মানসিক ব্যায়াম হোৱাৰ লগতে আধ্যাত্মিকতাই সমাজত শৃংখলা সৃষ্টি কৰে বুলি মতামত প্রকাশ কৰে। প্রকৃত ইছ্লামিক সমাজে শান্তি প্রতিষ্ঠা হোৱা কামনা কৰে। কৃত্রিম ইছ্লামিক সমাজে অশান্তি সৃষ্টি কৰি সন্ত্রাসৰ বীজ ৰোপণ কৰে।

আমি ইছ্লামিক নামৰ চানেকিৰে কবৰস্থানৰ অন্তিম শয়নৰ যাত্রীহে হৈ আছো। ইছ্লামিক দলিলৰ পৰা আঁতৰিছো অজান দেশলৈ। যি দেশত সভ্যতাৰ নামত নিজৰ ৰীতি-নীতি বলিদান দি 'স্মাৰ্টনেছ' বুলি নিজকে জাহিৰ কৰিছো। নিজ কন্যা, ভগ্নীক দিব পৰা নাই ইছ্লামিক পোছাক-পৰিচ্ছদৰ শিক্ষা, হালাল হাৰামৰ শিক্ষা; যাৰেই পৰিণামত বন্যাত ভাহি ফুৰিছে আমাৰ নাৰী সমাজ। ইছ্লামিক সমাজে সুন্দৰ আৰু 'স্মাৰ্টনেছ' সেইজনী নাৰীক স্বীকৃতি দিব যিজনী নাৰীয়ে এখন ঘৰ হাদিছ কোৰাণৰ বিধান মতে পৰিচালনা কৰিব, সাহিত্য চৰ্চা, বৈজ্ঞানিক, দার্শনিক গৱেষণিক, মহাকাশ আৰু সামাজিক জ্ঞান অর্জন কৰি এটি সীমাৰ মাজত শালীনতা ৰক্ষা কৰি আগুৱাই যায় আৰু আন দহজনীকো নিজৰ আদর্শৰে আকর্ষিত কৰি আগুৱাই লৈ যায়, সেইজনী নাৰী ইছ্লামৰ দৃষ্টিত সুন্দৰ আৰু 'স্মাৰ্টনেছ' নাৰী।

আমাৰ ইমান বা মনৰ দৃঢ়তা মজবুত হ'লে নাৰী সমাজক কোনেও সুলভ মূল্যত কিনি কামনা-বাসনাৰ বলি কৰিব নোৱাৰে। ইমান দুর্বল হোৱা হেতুকে বিধৰ্মীৰ বেশভূষা পৰিধান কৰি নিজকে সজাই হাজাৰ পৰপুৰুষৰ দৃষ্টি আকর্ষণ কৰাই সভ্য সমাজৰ অসভ্য দৃষ্টান্ত দাঙি ধৰিছে। আল্লাহৰ পথৰ পৰা নিজকে আঁতৰাই আন দহজনকো আঁতৰাই কদর্য কর্মৰে অন্তৰৰ ব্যাধি বৃদ্ধি কৰি সত্যৰ পৰা ফালৰি কাটি অবিশ্বাসীসকলৰ সন্মান আৰু সমাদৰ লাভ কৰি আগশাৰীৰ জনা বুলি দম্ভালি মাৰিছে।

ইছ্লামে নাৰীৰ প্রতিভা, মেধাশ্রম প্রকাশৰ পূর্ণ স্বাধীনতা দিছে। সেই

স্বাধীনতা হ'ব লাগিব লক্ষ্মণ ৰেখাৰ ভিতৰত। ২০১৪ চনৰ আমাৰ সমাজৰ বহু নাৰীয়ে প্ৰতিভা প্ৰকাশৰ নামত ধৰ্মীয় নীতি-নিয়মক জলাঞ্জলি দি অনৈতিক কৰ্মকো নৈতিক বুলি গ্ৰহণ কৰি ইহকালৰ মনোবাঞ্ছা পূৰণ কৰে। হায় আক্ষেপ! পদে পদে গুনাহ কৰা স্বত্বেও তৌবাৰ প্ৰতি কোনো সঁহাৰি নাই। সময় সুবিধা লৈ বহু নাৰীয়ে সস্তীয়া বিজ্ঞাপনবোৰতো কম বস্ত্ৰৰে দেহ প্ৰদৰ্শন কৰি ব্যৱসায়ীসকলক অধিক মুনাফা লুটিবলৈ সুবিধা প্ৰদান কৰে। উচ্চ মানসম্পন্ন আৱৰণীৰে ইছলামিক বিধান ৰক্ষা কৰিব নোৱাৰিবনে? সস্তীয়া কাপোৰ-কানি পৰিধান কৰিবলৈ নাৰী সমাজক কোনেও বাধ্য কৰা নাই। যি সমাজে নাৰীক আকাশমাৰ্গত উৰিবলৈ স্বাধীনতা প্ৰদান কৰিছে, মহাসাগৰত সাঁতুৰিবলৈ স্বাধীনতা প্ৰদান কৰিছে, ভিন্ন কৰ্মক্ষেত্ৰত যোগদানৰ সুবিধা প্ৰদান কৰিছে, তথাপিও আমাৰ শ্ল'গান- 'নাৰী মুক্তি' লাগে। সেইয়া কোন বিধৰ মুক্তি? আমাৰ শালীনতাবোধ আমি জীয়াই ৰাখিব লাগিব। নিজকে হিৰোইন সজাই সস্তীয়া ঢঙত বেপৰোৱাভাৱে ঘূৰি ফুৰাটো অকল ইছলামিক সমাজেই নহয়, কোনো সভ্য সমাজে স্বীকৃতি নিদিয়ে।

হে নাৰী সমাজ, জাগ্ৰত হ'বৰ সময় উপস্থিত হ'ল। আমাৰ অধিকাৰৰ নামত সমাজত চলিছে এচিড দগ্ধা নাৰী। যি সমাজত উচ্চ সন্মানীয় শব্দ মছজিদ, মুহাম্মদ, মক্কা, মদিনা, মুফতি, মৌলনা, মোহাদ্দিছ লগতে আছে 'মা'। সেই 'মা' আজিৰ সমাজত সৃষ্টিৰ পৰা গতি কৰিছে ধ্বংসৰ কৰাল গ্ৰাসত। বৰ্তমান আমাৰ সমাজত হাজাৰ হাজাৰ নাৰী উচ্চ শিক্ষাৰে শিক্ষিতা হৈছে কিন্তু ধৰ্মীয় শিক্ষাৰ প্ৰতি অনীহা থকাৰ কাৰণেই হয়তো সমাজত নিজৰ মৰ্যাদা ৰক্ষা কৰাত ব্যৰ্থ হৈছে। মোৰ ধাৰণা হয়, যদি আমাৰ নাৰী সমাজে উচ্চ শিক্ষাৰ লগতে নিম্নতম ইছলামিক জ্ঞান লাভ কৰে; সমাজত নাৰীৰ সন্মান অটুট থাকিব লগতে ইমানৰ সৈতে ক্ষণস্থায়ী জমিনৰ পৰা বিদায় ল'বলৈ সক্ষম হ'ম। বহু উচ্চ শিক্ষিতা নাৰীয়ে শ্বৰিয়ত কি? হালাল হাৰাম কি? ফৰজ চুন্নত কি? জনাৰ কাৰণে আগ্ৰহী নহয়, বহু নাৰীয়ে জানিও নজনা কুলিৰ ভাৱৰীয়া হোৱা দেখা যায়। অথচ তাইৰ পৰা সমাজে আশা কৰে নিজে হেদায়ত হোৱাৰ লগতে আন দহজনীকো হেদায়ত কৰিব! ইয়াৰ বিপৰীতে নিজে ধ্বংসৰ পথ বাছি লৈ আন দহজনীকো হেদায়ত কৰিব! ইয়াৰ বিপৰীতে নিজে ধ্বংসৰ পথ বাছি লৈ আন দহজনীকো মাতি আছে নিজৰ পথলৈ। হায় আল্লাহ!



হেফাজত কৰা।

আৰবী 'আলিম' শব্দৰ অসমীয়া অৰ্থ বিদ্বান বা জ্ঞানী। আমাৰ জনসমাজত আলীম শব্দৰ দ্বাৰা ধৰ্মীয় গুৰুসকলক বুজাই দিয়া হয়। এই 'আলীম' শব্দৰ দ্বাৰা ধৰ্মীয় গুৰুসকলক হজৰত মহম্মদ (ছ্ঃ)ৰ অংশীদাৰ বুলি কোৱা হয়। কাৰণ নবীজীৰ অবৰ্তমানত 'আলীম' সমাজৰ ওপৰত ন্যস্ত কৰা হৈছে ইছলামৰ গুৰু দায়িত্ব। সেইসকল আলীমৰ অন্তৰত আছে ধৰ্মীয় বিধি-বিধান আৰু শ্বৰিয়তৰ গোপন তথ্য, লগতে হাতত তুলি দিয়া হৈছে এটি দলিল য'ত আছে বিশ্বৰ সমগ্ৰ মুছলমানৰ পথ নিৰ্দেশনা। শ্ৰদ্ধাৰ 'আলীম' সমাজে সমাজত বিলাব শান্তিৰ বাণী, কোৰাণত লিপিবদ্ধ ইছলামৰ বিজ্ঞানসন্মত তথ্যসমূহ, নৰ-নাৰীৰ গতি-বিধিৰ নীতি, পঞ্চ বুনিয়াদ সকলো দিশ জনসমাজত প্ৰচাৰ কৰি ইছলামী আদব-কায়দা ঘৰে ঘৰে জীয়াই ৰাখিব। উল্লেখিত দিশসমূহত আলীমসকলৰ তথ্যগধুৰ জ্ঞান আছে। সেই কাৰণেই আলীমসকলক নবীজীৰ অংশীদাৰ হিচাপে আখ্যা দিয়া হয়। এটা সময় আছিল যি সময়ত সমাজৰ মুষ্টিমেয় ব্যক্তিয়ে আৰবী বৰ্ণমালা শিকি পবিত্ৰ কোৰাণ পঢ়িব জানিলেই 'আলীম'। হয়তো কোৰাণৰ তৰ্জমা আছে বুলি কল্পনা কৰিব পৰা নাছিল। ইছলামত কু-সংস্কাৰ আৰু অন্ধবিশ্বাসৰ কোনো স্থান নাই, কিন্তু সেই সময়ৰ আলীমসকলে পৰম্পৰাগতভাৱে কিছু নীতি-নিয়মৰ বশৱৰ্তী হৈ জীৱন নিৰ্বাহ কৰিছিল। বহু ধৰ্মীয় কথা নুবুজি নাজানিলেও ইমানৰ দৃঢ়তা আছিল লোৰ দৰে। শিক্ষাৰ পোহৰ বিলাবলৈ মছজিদৰ বাৰান্দাত, নিজ গৃহত কণ কণ শিশুসকলৰ মাজত শিক্ষাৰ পোহৰ বিলাইছিল। আজিৰ পৰা ৩০ বছৰ আগতে ময়ো সেই শিশুসকলৰ মাজৰ এজনী আছিলো। হুজুৰৰ মুখত শুনিছিলো— মিছা কথা নক'বা, মা-বাবাৰ কথা মানিবা, চুৰি নকৰিবা, ডাঙৰক ছালাম দিবা, ঠিয় হৈ বাওঁ হাতেৰে পানী নাখাবা, নখত নেইল পলিচ উচিত নহয়; আদি সেই বাক্যবোৰ আজিও দেহৰ সিৰাই সিৰাই বাজি উঠে। তাহানিৰ স্বনামধন্য আলীমসকলক নমস্য ব্যক্তি হিচাপেহে পোৱাৰ যোগ্য বুলি মই ভাবো।

মোৰ দুৰ্বল কলমৰ গতিশক্তি ৰোধ কৰিব নোৱাৰি এটি অপ্ৰিয় সত্য লিখিবলৈ বাধ্য হ'লো। আজিৰ সমাজত বহু আলীমৰ ইমান কাঁচৰ দৰে, ক'লে হয়তো অতিৰঞ্জিত কোৱা নহ'ব। অতি দুখ আৰু পৰিতাপৰ কথা,

যিসকল ব্যক্তিৰ ওচৰত ধৰ্মৰ চাবি-কাঠি নিৰ্ভৰ কৰে, তেওঁলোকে প্ৰচাৰ কৰা শ্বৰিয়তেই আইন। প্ৰত্যেক সমাজতে দুনিয়াদাৰী আৰু আখেৰাতদাৰী এই দুই শ্ৰেণীৰ ব্যক্তি থাকে। আখেৰাতদাৰী বা ইছ্লামী আদব-কায়দাৰে জীৱন নিৰ্বাহ কৰা এটা শ্ৰেণীয়ে সদায় শ্ৰদ্ধাৰ আলীমসকলক অনুসৰণ বা অনুকৰণ কৰি মাগ্‌ফিৰাতৰ আশা কৰে। সেই আলীমসকলে তেতিয়া সময় উপযোগী বা নিজৰ সুবিধা অনুযায়ী হাদিছ প্ৰদান কৰিব! তেতিয়া ধৰ্মৰ গ্লানি সমাজত বিলীন হোৱাটো তেনেই স্বাভাৱিক কথা। মোৰ নিম্নতম জ্ঞানেৰে ক'ব পাৰো দুনিয়াদাৰী ব্যক্তিসকলে নিজৰ কামনা-বাসনাক উপাস্য কৰে, পাৰ্থিৱ জীৱনতে সন্তুষ্ট থাকে, কোৰাণৰ বাণীক পুৰণিকলীয়া কাহিনী বুলি ভাবে, ধৰ্মীয় কথা শুনাৰ ধৈৰ্য্য নাই, অসত্যক অনুকৰণ কৰি সমাজত বিভ্ৰান্তিৰ সৃষ্টি কৰে, ধ্ৰুৱ সত্যক হেয় কৰিবলৈ মিছা যুক্তি-তৰ্ক কৰে, ইছ্লামী আদব-কায়দাক ইতিকিং কৰে। যদি দুনিয়াদাৰীসকলক কোৱা হয়- আল্লাহে যি বিধি-বিধান অৱতীৰ্ণ কৰিছে, সেই পিনে আহা আৰু ৰছুলৰ পিনে আহা, তেতিয়া তেওঁলোকে কোৱা শুনা যায়- আমাৰ বাবে এই পন্থাই যথেষ্ট, যি পন্থা আমাৰ পূৰ্বপুৰুষে অৱলম্বন কৰিছিল। যদিও সিহঁতৰ পূৰ্বপুৰুষে একো নাজানিছিল আৰু সঠিক পথ সম্পৰ্কে অৱগত নাছিল। দুনিয়াদাৰীসকলৰ মাজৰ এক আভিজাত্য শ্ৰেণীয়ে সমাজত কেতবোৰ কাৰ্য সংঘটিত কৰি নিজৰ আধুনিকতা প্ৰকাশ কৰা দেখা যায়। বৰ্তমান আমাৰ সমাজত আধুনিকতাৰ নামত Birthday, Marriage Day Party, আকিকাৰ নামত, খৎনাৰ নামত, হজৰ নামত হাতত শৰাই লৈ টকা সংগ্ৰহ কৰে, এইয়া কোন শ্বৰিয়তৰ বিধান? এনে কাৰ্যসমূহ জায়েজ থাকিলে মোৰ ক'বলগীয়া একো নাই। যদি ইছ্লামৰ বিধিসন্মত নহয়, তেনে কৰ্মত সমাজৰ কিছুমান আলীমে সহযোগ কৰাৰ অৰ্থ কি? কাৰণ শ্বৰিয়তৰ বিধান যিমানেই কঠোৰ নহওক কিয়, ইছ্লামৰ ভাই ভনীক নাজায়েজ কৰ্মত বাধা দিয়া এজন দায়িত্বশীল আলীমৰ কৰ্তব্য। কোনোবাই মানিব-নামানিব সেইটো নিৰ্ভৰ কৰিব ব্যক্তিৰ ইমানৰ ওপৰত। সমাজত প্ৰায়ে এনেবোৰ কাৰ্য সংঘটিত হয় আৰু কিছুমান আলীমৰ সহযোগীতাই আমাৰ দৰে ধূলি তুল্য ব্যক্তিসকলক বিপাঙলৈ ঠেলি দিয়ে; কাৰণ কোন পথে গতি কৰিম? হজৰত মহম্মদ (ছঃ)য়ে ইছ্লামিক বিধি-বিধান, জায়েজ-নাজায়েজ আদিৰ নিৰ্দেশনা সমাজত



বিলাবলৈ আলীমসকলৰ ওপৰত যি গুৰু দায়িত্ব অৰ্পণ কৰিছে, কিমানজনে সেই দায়িত্ব পালন কৰিছে তাতে লাখটকীয়া প্ৰশ্ন লুকাই আছে। সময় থাকোতে শ্ৰদ্ধাৰ আলীমসকলে ক্ষন্তেকীয়া জীৱনৰ তুচ্ছ স্বাৰ্থ ত্যাগ কৰি নিজৰ নিজৰ দায়িত্ব পালন নকৰিলে হয়তো এটা সময়ত ইছ্লামিক সমাজ বিলুপ্ত হৈ জাহিলিয়াত যুগৰ পাতনি মেলিব।

সমাজৰ বহু উচ্চ শিক্ষিত পিতৃ-মাতৃয়ে নিজৰ বিলাসী গাড়ীত পুত্ৰ-কন্যাক লগত লৈ গান-বাজনা, চাৰ্কাছ, মেলা আদিত অংশ গ্ৰহণ কৰা দেখা যায়। পৰিস্থিতি সাপেক্ষে নানা কামত মানুহে অংশ গ্ৰহণ কৰিবলৈ বাধ্য হয়। তথাপিও নিজ কন্যা- পুত্ৰক ইছ্লামিক আদৱ-কায়দা, পোছাকৰ ওপৰত নজৰ দিয়া পিতৃ-মাতৃৰ কৰ্তব্য বুলি মই ভাবো। সময়ৰ সোঁতত কন্যা এদিন বোৱাৰী হয়, নিজ পুত্ৰ পিতৃ হ'ব, আদব-কায়দা অবিহনে গঢ় লোৱা সন্তানে এটা সময়ত আভিজাত্যৰ নামত নগ্ন যুগৰ সূচনা কৰিব আৰু পৰকালৰ দুৱাৰ ৰুদ্ধ কৰি মৃত পিতৃ-মাতৃক জবাবদিহি কৰিব। মোৰ লিখনিৰ জৰিয়তে ছাৰ, বাইদেউ, সমাজ সচেতন ব্যক্তিসকললৈ বিনম্ৰ অনুৰোধ, আপোনালোকে শ্বৰিয়ত জানি-বুজি আন দহজনকো ইছ্লামিক ৰীতি-নীতি শিকাবলৈ চেষ্টা কৰক। নহ'লে সমাজৰ এচামে নিজ মনে গঢ়া হাদিছেৰে ইছ্লাম শব্দত কালিমা সানিব, কোৰাণৰ সতৰ্ক বাণীত ব্যাঘাত জন্মাব, শ্বৰিয়ত বিৰোধী কৰ্মৰ দ্বাৰা ইছ্লামিক সমাজ মনোমোহা কৰিব। গতিকে এই ধ্বংসৰ পথলৈ গতি কৰা ইছ্লামিক সমাজৰ সংৰক্ষণৰ দায়িত্ব ল'ব লাগিব আপুনি, মই আৰু আমাৰ দৰে হাজাৰজনে। চলিত ইছ্লামিক সমাজ ব্যৱস্থাই মোক এই প্ৰৱন্ধ যুগুতোৱাত অনুপ্ৰেৰণা যোগাইছে। আমিন!◈



# বিয়লিৰ অনুভৱ

লক্ষ্য কুমাৰ ডেকা

মৰুভূমিৰ বিষণ্ণতাত ধূসৰিত
মোৰ হিয়াত
তুমি আহি সিঁচি দিলা
এপাচি জীপাল আশা।
তোমাৰ আলফুল পৰশত
হৃদয়ত কেক্‌টাচ ফুলে—
সপোনে জাকি মাৰি উৰে।
তোমাৰ মৰমে এন্ধাৰ আঁতৰাই
সুগন্ধি বিয়পাই
হতাশাক দিয়ে দলিয়াই।
এতিয়া মনৰ মাজত ভাহে
নিষ্পাপ শিশুৰ আনন্দৰ উৰুলি,
বুকুৰ মাজত ধ্বনিত হয়
মানুহ গঢ়া কমাৰৰ দপদপনি।◈



# ভাৱনা

গোলাপ হুছেইন

কিয়বা আহে? নোপোৰা ভাৱনা
ভাবিও নাপাওঁ ওৰ
ভাবিলেও ভাগৰো নাভাবিলেও নোৱাৰো
ভাৱনাৰ শেষ নাই মোৰ।
ভাবি ভাবি মই নাপাওঁ সীমা
ভাৱনাৰ জগতত,
পাম জানো মই সেই পাৰ
সীমাহীন সাগৰত।
দিনৰ পোহৰত নাপাওঁ যদি
ভাৱনাৰ পাৰ
পোৱা কি যাব তেন্তে
হ'লে ঘোৰ আন্ধাৰ।
মাজ সাগৰত বুৰ গ'লে
মোৰ এই নাও
শেষ হ'ব মোৰ যাত্ৰা
ভাৱনাতেই পাওঁ।
তথাপিও মই ছিঙিব নোৱাৰো
ভাৱনাৰ জৰী।
নোপোৱাৰ ভাৱনাই হৈ ৰ'ব নেকি?
মোৰ লগৰী।◈



# চৰ অঞ্চলৰ শিক্ষা আৰু বৰ্তমান সমাজ

**মঃ চাহেব আলী**

বৰ্তমান সমাজৰ চৰ অঞ্চলৰ শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আছে। যি সময়ত শিক্ষাৰ উন্নতি হৈছে, দেশৰ ভিতৰতে অসম ৰাজ্যখনে এক সুকীয়া চিনাকি দিবলৈ সক্ষম হৈছে; ল'ৰা-ছোৱালীয়ে গুণগত শিক্ষাৰ পোৱাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে, সেই সময়তো চৰ অঞ্চলত অন্ধবিশ্বাস, কুসংস্কাৰ, বাল্যবিবাহ আদিৰ কোনো পৰিবৰ্তন দেখা নাযায়। শিক্ষাৰ পোহৰে সামান্যভাৱে ঢুকি পাইছে যদিও ই এপাচি শাকত এটা জলকীয়াৰ দৰে। যি সময়ত টে'ট পৰীক্ষাৰ জৰিয়তে হাজাৰ হাজাৰ শিক্ষক নিযুক্তি দি গুণগত শিক্ষাৰ ব্যৱস্থা কৰা হৈছে, সেই সময়তো চৰ অঞ্চলৰ ক্ষেত্ৰত মাহীআইৰ দৃষ্টিৰে চোৱা হৈছে। চহৰ অঞ্চলত ১ঃ৩০ অনুপাতত শিক্ষক নিযুক্তি দিবলৈ প্ৰয়াস কৰাৰ বিপৰীতে চৰ অঞ্চলৰ বেছিভাগ বিদ্যালয়ত তেনেকুৱা ১ঃ৩০ অনুপাতত শিক্ষক নিযুক্তিৰ প্ৰয়াস কৰা দেখা নাযায়। শিক্ষকসকলে ৮০ কিঃ মিঃ, ১০০ কিঃ মিঃৰ দূৰৰ পৰা আহি তেওঁলোকৰ কৰ্তব্য পালন কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। যি সময়ত শিক্ষাৰ উন্নতি হ'বলৈ শিক্ষক, অভিভাৱক, সমাজ আৰু চৰকাৰৰ ভূমিকা গুৰুত্বপূৰ্ণ, সেই সময়ত কিছুমান মন্ত্ৰী-বিধায়কৰ দায়িত্বহীনতা তথা অভিভাৱকৰ গুৰুত্বহীনতাই চৰ অঞ্চলৰ শিক্ষাৰ উন্নতিৰ ক্ষেত্ৰত এক বাধা হিচাপে দেখা দিছে। বাট-পথৰ সমস্যা, বিদ্যালয়ৰ জৰাজীৰ্ণ অৱস্থা, শৌচালয়ৰ অভাৱ, বিশুদ্ধ খোৱা পানীৰ অভাৱ আদি চৰ অঞ্চলৰ বিদ্যালয়বোৰত বিদ্যমান। যি সময়ত প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰা হৈছে, মৌলিক অধিকাৰ হিচাপে শিক্ষাই স্বীকৃতি পাইছে, শিক্ষাক সমৱৰ্তী সূচীত অন্তৰ্ভুক্ত কৰা হৈছে; সেই সময়তো চৰাঞ্চলৰ প্ৰায় ২৫% শিশুৱে ৫ম মান শ্ৰেণী উত্তীৰ্ণ হৈ উচ্চ প্ৰাথমিক বিদ্যালয় নথকা বাবে নাইবা বাল্যবিবাহৰ কু-প্ৰভাৱত পৰি বিদ্যালয় ত্যাগ কৰিবলগা হয়। অৱশ্যে সংখ্যালঘু প্ৰধান অঞ্চলত বিশেষকৈ এই চৰ অঞ্চলবোৰত 'দুপৰীয়াৰ আহাৰ' যোগান ধৰাৰ ব্যৱস্থাই কিছু সকাহ দিয়া দেখা যায়।

সদৌ শেষত শিক্ষাৰ উন্নতি তথা বিকাশ সাধন কৰিবলৈ যাওঁতে আমি, সমাজ, অভিভাৱক তথা শিক্ষকবৃন্দ সজাগ হ'ব লাগিব। সকলোৱে এক গোট হৈ নিজৰ স্বাৰ্থ পৰিহাৰ কৰি চৰকাৰৰ আঁচনিৰ সদ্ ব্যৱহাৰ কৰি শিক্ষাৰ্থীৰ বাবে শিক্ষাৰ উপযোগী হোৱাকৈ এক বাতাবৰণ সৃষ্টি কৰিব লাগিব। এক বাতাবৰণ সৃষ্টি কৰিব লাগিব য'ত নাথাকে কুসংস্কাৰ, বাল্যবিবাহ অন্ধবিশ্বাস আৰু নিৰক্ষৰতা। চহৰ আৰু চৰ অঞ্চলৰ প্ৰতিজন শিশুৰ বাবে গুণগত শিক্ষাৰ ব্যৱস্থা কৰা হওক। য'ত নাথাকে বৈষম্যতা, থাকিব মাথোঁ "সকলোৰে বাবে সমান শিক্ষা।"◈



## হাঁহিৰ খোৰাক ঃ

◈ যদু ঃ তুমি কি পঢ়ি আছা?
মধু ঃ মই বি,এ পঢ়ি আছো
যদু ঃ কিয়, ইমান বছৰ তুমি ইংৰাজী বৰ্ণমালাৰ মাত্ৰ দুটা আখৰহে শিকিলা, তাকো ওলোটাকৈ।

◈ যাত্ৰী ঃ ঐ ৰিক্সা যাবা নেকি?
ৰিক্সা ঃ কাহা?
যাত্ৰী ঃ নাকাহিলে নোযোৱা নেকি?

◈ ছাৰ ঃ বীণা, তাজমহল ক'ত?
বীণা ঃ মই নাজানো ছাৰ
ছাৰ ঃ বেঞ্চত উঠা?
বীণা ঃ বেঞ্চত উঠিলে তাজমহল দেখা যাব নেকি ছাৰ।

সংগ্ৰাহক ঃ
আনোৱাৰ হুছেইন, আব্দুচ ছাত্তাৰ, হাইদৰ আলী

# সাম্প্ৰদায়িক সম্প্ৰীতি

শ্বাহ আলম

সাম্প্ৰদায়িক সম্প্ৰীতিৰ
তুমি কৰ্ণধাৰ
তোমাৰ ছত্ৰছায়াত
মনুষ্য জগতত গুচাব আন্ধাৰ
কি হিন্দু কি মুছলিম
হ'ল সকলো একাকাৰ
তোমাৰ আশীৰ্বাদত সিহঁতে যেন
সুযোগ পায় বাচি থকাৰ
আমি একে বৃন্তৰ দুটি কুসুম
হিন্দু মুছলমান
খোদাৰ প্ৰেৰিত দূত
তুমিয়েই তাৰ জ্বলন্ত প্ৰমাণ
জাতি, ধৰ্ম নিৰ্বিশেষে
আমি সকলো একে জাতি
জন্ম লভিলো ভাৰতবাসী
এয়ে আমাৰ পৰিচয়
এই কথাই তোমাৰ কথা
বুজাত যেন কাৰো ভুল নহয়
তোমাৰ সম্প্ৰীতিৰ বাণী
বিয়পায় গোটেই বিশ্বতে
হে যুগ অৱতাৰ তোমাৰ চৰণত
জনাওঁ প্ৰণাম।◈





# বৰ্তমান শিক্ষা ব্যৱস্থাত প্ৰাথমিক শিক্ষাৰ ডিপ্লমা পাঠ্যক্ৰমৰ প্ৰয়োজনীয়তা

জামাল উদ্দিন

প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক হিচাপে আমি এবাৰ যদি ভাবি চাওঁ যে, আমি কাক পঢ়াব গৈছো আৰু কেনেকৈ পঢ়াম। তেতিয়া আমাৰ মূলমন্ত্ৰ আৰু উদ্দেশ্য ওলাই পৰিব। এক কথাত শিশু! শিশুৰ বিকাশ সম্পৰ্কে জানিবলৈ শিশু মনোবিজ্ঞান ধাৰণা লগতে প্ৰাথমিক শিক্ষাৰ ডিপ্লমা পাঠ্যক্ৰম জনাৰ প্ৰয়োজন আছে। শিশু বিকাশৰ সৈতে জাড়িত কেইটিমান গুৰুত্বপূৰ্ণ দিশৰ লগতে শিশুৰ বিকাশ সম্বন্ধে তথ্য সংগ্ৰহ কৰিবলৈ ব্যৱহাৰ কৰা কৌশলসমূহ, শিশুৰ শাৰীৰিক সঞ্চালনমূলক বিকাশৰ প্ৰক্ৰিয়াসমূহৰ কথা লগতে বিকাশৰ বাবে প্ৰয়োজনীয় সুযোগ-সুবিধাসমূহ সৃষ্টি কৰাৰ ক্ষেত্ৰত শিক্ষক আৰু অভিভাৱকৰ ভূমিকাৰ ওপৰত সকলোৰে দৃষ্টি আকৰ্ষণ কৰা। বিশেষকৈ আৰ্থ-সামাজিক পটভূমি, সংস্কৃতি, ভাষা, শিক্ষণৰ ধৰণ, সংজ্ঞানাত্মক ধাৰণা ইত্যাদিৰ পৰিপ্ৰেক্ষিতত ব্যক্তিগত বৈষম্যৰ কথা, প্ৰকৃতি বনাম প্ৰতিপালনৰ বিবাদৰ লগতে আধুনিক সমাজত শিশুকালৰ কথাও পৰ্যালোচনা কৰা লগতে শিশু সামাজিকীকৰণ প্ৰক্ৰিয়াৰ সৈতে জড়িত বিভিন্ন দিশসমূহৰ বিষয়ে জনাৰ প্ৰয়োজনীয়তা আমাৰ আছে।

আমাৰ দেশ ভাৰতবৰ্ষৰ স্বাধীনতাৰ সময়ৰ পৰা ভাৰত আৰু অসমৰ সংগ্ৰামৰ বিষয়ে জনা আমাৰ ৰাজ্যৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত উপনিৱেশিক শাসনে কিদৰে প্ৰভাৱ পেলাইছিল। ইয়াৰ লগত আমি যি দেশত থাকো সেই দেশৰ নিয়ম-নীতি জানিবলৈ হ'লে ভাৰতবৰ্ষৰ সংবিধানৰ বিষয়ে জ্ঞান থকাৰ প্ৰয়োজন। তাতোকৈ বেছি শিক্ষাৰ ক্ষেত্ৰত

আজীৱন অধ্যয়নৰ প্ৰয়োজন। সামাজিক ক্ষেত্ৰত, ৰাজনৈতিক, অৰ্থনৈতিক, কলা-কৃষ্টি, সাংস্কৃতিক ঐতিহ্যৰ বিভিন্ন দিশ যেনে- ভৌগোলিক অৱস্থান, জনসংখ্যাৰ গাঁথনি, ভাষা, সাহিত্য, কলা, স্থপতি বিদ্যা, সংগীত, দৰ্শন আৰু ধৰ্মীয় ঐতিহ্য এই সকলোবোৰ দিশ সাঙুৰি চলিব পাৰিব লাগিব। এই বিষয়সমূহৰ ওপৰত পশ্চিমীয়া আৰু ভাৰতীয় দাৰ্শনিকসকলৰ মতবাদসমূহ, শিক্ষক আৰু সমাজৰ লগত শিক্ষাৰ্থীসকলৰ প্ৰতি দায়বদ্ধতা আছে।

শিক্ষাৰ মৌলিক নীতি শিক্ষাদানৰ বিভিন্ন পদ্ধতি, বিভিন্ন শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ বিষয়ে শিক্ষণৰ বিজ্ঞানসন্মত পদ্ধতি আৰু শিশুকেন্দ্ৰিক শিক্ষা লগতে শিক্ষণ অভিজ্ঞতাসমূহৰ আৰ্হি প্ৰস্তুতকৰণ, পাঠ পৰিকল্পনা, I.C.T.-ৰ গুৰুত্ব দিয়া শিক্ষকৰ ভূমিকাৰ সঠিক প্ৰতিফলন, অবিৰত আৰু সামাজিক মূল্যায়নৰ প্ৰতি গুৰুত্ব প্ৰদান।

ভাষা আৰু প্ৰাক্‌কালীন সাক্ষৰতাৰ বোধ হ'ল প্ৰাথমিক শিক্ষাৰ ভাষাৰ প্ৰকৃতি, নীতি নিয়ন্ত্ৰণ প্ৰণালী, ভাষা আৰু সাহিত্যৰ মাজত থকা সম্বন্ধৰ শিশুসকলৰ ভাষা আহৰণ, ভাষাৰ অনুশীলন, ভাষা আৰু সাহিত্যৰ বিভিন্ন দিশ, ভাষা আহৰণৰ মান নিৰূপণ সম্বন্ধীয় জ্ঞান আহৰণৰ প্ৰয়োজন।

প্ৰাথমিক স্তৰৰ শিশুসকলৰ বিষয়বস্তু দৈনন্দিন জীৱনত কৰিব পৰা য'ত বিভিন্ন ছবি, উদাহৰণ শিক্ষকৰ এই বিষয়টো শিশুসকলৰ বাবে আনন্দদায়ক কৰি তোলা যাতে সহজৰ মাজেৰে কঠিনলৈ আগুৱাই যাব পাৰে। পৰিৱেশ অধ্যয়ন শিক্ষণ 'I' পৰিৱেশ অধ্যয়নৰ অৰ্থ আৰু পৰিসৰৰ লগতে প্ৰাথমিক বিদ্যালয়ৰ পাঠ্যক্ৰমৰ এক বিশেষ সম্বন্ধ আছে। শিক্ষকজন যদি সামাজিক বা সামাজিকৰণৰ ওপৰত জ্ঞান থকা, সমাজৰ লগত জড়িত হয় তেন্তে শিশুৰ ভাব উপলব্ধিৰ সৈতে জড়িত বিভিন্ন দিশসমূহ জনাৰ বিশেষ প্ৰয়োজন আছে। ওপৰত উল্লেখ কৰা সকলো দিশ আলোচনা কৰা ইয়াৰ সম্যক জ্ঞান আহৰণ কৰিবলৈ হ'লে প্ৰাথমিক শিক্ষাৰ ডিপ্লমা পাঠ্যক্ৰম জনাৰ এক বিশেষ প্ৰয়োজন আছে বুলি মই ভাবো। যিসকল শিক্ষকে আগৰ গতানুগতিক পাঠদান চলাই আছে, তেখেতসকলে শিক্ষককেন্দ্ৰিক পাঠদান পৰিহাৰ কৰি বৰ্তমানৰ শিশুকেন্দ্ৰিক পাঠদান ব্যৱস্থা কৰিবলৈ হ'লে প্ৰত্যেকজন শিক্ষকক এই 'ডিপ্লমা' নোলোৱাকৈ শিশুৰ মাজলৈ সোমালেও ফলৱতী হোৱা অসম্ভৱ। সেয়ে আমি শিক্ষক সমাজ নিম্নলিখিত মূলমন্ত্ৰ আৰু উদ্দেশ্যসমূহ সাধনাৰ



কাঠি আৰু জখলাৰে বগোৱাই থাকিলে ওখ শৃংগলৈ যাব পাৰিম।

**ইয়াৰ মূলমন্ত্ৰ ঃ-**

◈ শত বাধাৰ প্ৰাচীৰ নেওচি শিক্ষাৰ বিস্তাৰ।

◈ মুক্ত আৰু দূৰ শিক্ষণ পদ্ধতিৰ জৰিয়তে শিক্ষাদান।

◈ শিক্ষা লাভৰ পৰা বঞ্চিত সংখ্যাৰ মাজত শিক্ষাৰ প্ৰচলন।

◈ সকলোকে যোগদানৰ প্ৰতি উৎসাহিত কৰা।

◈ ৰক্ষণশীল শৈক্ষিক গাঁথনিৰ বাধা আঁতৰাই শিক্ষা শিথিলধৰ্মী কৰা।

◈ ভৌগোলিক পৰিসীমা নেওচি শিক্ষা সম্প্ৰসাৰিত কৰা।

এই মূলমন্ত্ৰসমূহ আগত ৰাখি আৰু সকলোকে সমভাৱে শিক্ষা প্ৰদানৰ উদ্দেশ্য আগত ৰাখি শিক্ষাদান কাৰ্য প্ৰদানৰ চেষ্টা চলালে নিশ্চয় সকলো শ্ৰেণীৰ শিশুৰ মাজত শিক্ষাৰ পোহৰ পৰিব বুলি আশা কৰি বিশ্বৰ প্ৰতিজন শিক্ষকৰ সহযোগ কামনা কৰি প্ৰাথমিক শিক্ষাৰ ডিপ্লমাৰ প্ৰয়োজনীয়তাৰ প্ৰত্যেকজন শিক্ষকৰ আছে বুলি সমাপ্ত কৰিলো।◈

# মই কোন?

আবু তালেব আহমেদ



মই হ'লো বিখ্যাত বীৰ অসম মাতৃৰ
হিমালয়ৰ দৰে উফন্দি উঠে মোৰ বুকু
মই ভয় নকৰো কাকো।

কিৰাকাৰা, বাজনাপথাৰ, ধলপুৰ মোৰ চকু
মই ইয়াৰ সকলোকে সমান দেখো,
মোৰ হাত-ভৰি মঙ্গলদৈ, ছিপাঝাৰ, গৰুখুটি
শত্ৰুক বিনাশ কৰো অন্যায় দেখি।

মই চিৰ জাগ্ৰত প্ৰহৰী
মোৰ দৃষ্টি সমগ্ৰ অসম জুৰি,
অল-কায়দা, এন,ডি,এফ,বি, আলফা, হুজি নাশ কৰিম
অসমখন সন্ত্ৰাসমুক্ত কৰিমেই কৰিম।

সাৰধান সাৰধান ভাতৃঘাতকৰ দল
ঘোচখোৰ জুৱাচোৰ দুৰ্নীতি পৰায়ণজন,
উদ্যত মোৰ শাণিত অস্ত্ৰ লক্ষ্য তহঁতৰ বুকু
ৰক্ষা নাই কাৰো ক্ষমা নকৰো কাকো।◈



# নিষ্ঠুৰ সময়

ছাবিনা ইয়াচমিন

এই মৃত্যু, সেই মৃত্যুতকৈ কৰুণতম
হৃদয়-বিদাৰক, মৰ্মান্তিক
নিৰো, হিটলাৰ, মুছোলিনীও লজ্জিত।
নিষ্পাপ, নিৰ্বাক, নিবোধ
অজস্ৰ মানৰ সন্তান যে,
প্ৰতি হিংসাৰ দাবানলত,
অকালতে ভষ্মীভূত!
চৌদিশে আৰ্তনাদ, কৰুণ বিননি,
ধোঁৱা আৰু ছাইৰ গৰ্ভত বিলীন
মানৱতা।
হায়! কেনিও নাই
এধানিমান সহানুভূতি!
কঁপি উঠে বুকু অন্তৰ হয় মৰিশালি
আৰুনো কিমানদিন শুনিব লাগিব
ভাতৃবধী পিশাচৰ অট্টহাস্য
ইতিহাস—
তুমি ক্ষমা কৰিবা জানো সিহঁতক?
বিধ্বংসী সভ্যতাৰ ই যে
নগ্ন প্ৰতিমূৰ্তি
তুমি হৈ ৰ'বা নিষ্ঠুৰ সাক্ষী।◈



# মানুহে আদিম অৱস্থালৈ ঘূৰি যাব বিচাৰে নেকি?

**মানিক আলী**

আদিম গোষ্ঠীহীন, শ্ৰেণীহীন মানৱ সমাজত কোনো কাৰোঁ ব্যক্তিগত সম্পত্তি নাছিল। ব্যক্তিগত সম্পত্তিৰ ধাৰণাও তেতিয়া গঢ়ি উঠা নাছিল। আনকি গঢ়ি উঠা নাছিল পৰিয়াল সৃষ্টি ধাৰণাৰো।

কিন্তু যেতিয়াই পৃথিৱীত জীৱশ্ৰেষ্ঠ মানুহৰ সৃষ্টি হৈছিল; তেতিয়াৰ পৰাই নৰ-নাৰীৰ সম্পৰ্কৰো সূত্ৰপাত হৈছিল। এই সম্পৰ্কৰ জৰিয়তে মানৱ সমাজে বংশ বৃদ্ধি কৰি বনৰীয়া জীৱ-জন্তু, প্ৰকৃতিৰ প্ৰতিকূলতা আদিৰ পৰা আত্মৰক্ষাৰ চেষ্টা কৰিছিল। উক্ত উদ্দেশ্যতে আদিম মানৱ সমাজে যৌনতাৰ প্ৰতি দৃষ্টি দিছিল আৰু নিজ স্বাধীনভাৱে যৌনতাক ব্যৱহাৰ কৰিছিল। এই সময়ত মানুহৰ যৌন জীৱন আছিল মুক্ত। যিহেতু নাৰী পুৰুষৰ যৌন সংগী এজন নাছিল বা আনুষ্ঠানিক বিয়া-বাৰুৰ প্ৰচলন হোৱা নাছিল। সেয়েহে ল'ৰা-ছোৱালীৰ পৰিচয় দিয়া হৈছিল মাকৰ পৰিচয়েৰে। কিন্তু তাৰ পিছত ক্ৰমান্বয়ে মানৱ সভ্যতাৰ অগ্ৰগতিৰ লগে লগে প্ৰথমে এগৰাকী স্ত্ৰী বহু স্বামী, এজন স্বামীৰ বহু স্ত্ৰী আদিৰ প্ৰচলন আছিল। সৰ্বশেষত মানুহৰ দেহ আৰু মনৰ ওপৰত ব্যক্তিৰ নিজস্ব অধিকাৰৰ ধাৰণাৰে আহিল— "এজন স্বামীৰ এগৰাকী স্ত্ৰী।" ই মানৱ সভ্যতাৰ এক উৎকৃষ্ট সাফল্য বুলিয়ে ক'ব লাগিব। এই সাফল্যৰ জৰিয়তে নাৰী-পুৰুষৰ সম্বন্ধত আহিছে প্ৰেম, এই প্ৰেমৰ বুনিয়াদ হৈছে যৌনতা, কিন্তু যৌনতাৰ চৰ্ত হ'ল প্ৰেম। এই যৌনতা অবাধ নহয়, স্বেচ্ছাচাৰীও নহয়। ই বিশৃংখলতাৰ পৰা মুক্ত।

গতিকে, ঐতিহাসিকভাৱে ক'বলৈ গ'লে নাৰী-পুৰুষৰ মাজৰ সম্বন্ধৰ



বৰ্তমানৰ এই সু-সামাজিক, নিয়ম-শৃংখলা ব্যৱস্থাৰ আৰম্ভ হৈছে উন্নত সমাজ গঢ়াৰ স্বাৰ্থত।

কিন্তু, বৰ্তমান সময়ত ব্যক্তি স্বাধীনতা আৰু নাৰী স্বাধীনতাৰ উপভোগৰ আন এক উপায় হিচাপে পশ্চিমীয়া দেশ (আমেৰিকা, অষ্ট্ৰেলিয়া, ইউৰোপৰ কেইবাখনো দেশ) সমূহে ইতিমধ্যে আইনৰ দৃষ্টিত সামাজিক সম্পৰ্ক বৈধ হিচাপে স্বীকৃতি লাভ কৰাৰ ফলত 'লিভিং টুগেদাৰ'ৰ ধাৰণাই মানৱ সমাজক আকৌ আদিম তথা পূৰ্বৰ অৱস্থালৈ ঘূৰাই ল'বলৈ বিচৰা নাই জানো?

বৰ্তমান সময়ত বিশেষকৈ পশ্চিমীয়া দেশসমূহৰ প্ৰায় ৩০%-৪০% অবিবাহিত মহিলাই সন্তান জন্ম দিয়ে। আনকি এক সমীক্ষানুসৰি পশ্চিমীয়া দেশসমূহৰ মহিলাসকলৰ গঢ়ে প্ৰায় ৬-৮ জনকৈ যৌন সংগী থাকে।

কিন্তু, বৰ্তমান এই বিশ্বায়নৰ যুগত তথা বিজ্ঞান-প্ৰযুক্তিৰ পৃথিৱীত পশ্চিমীয়া দেশসমূহৰ উক্ত প্ৰভাৱ আমাৰ ভাৰতীয় সমাজ ব্যৱস্থাতো পৰিবলৈ ধৰিছে। আমাৰ সমাজ ব্যৱস্থাতো কেতিয়াবা কেতিয়াবা নৰ-নাৰীৰ মাজত 'লিভিং টুগেদাৰ'ৰ আশ্ৰয় লোৱা পৰিলক্ষিত হয় আৰু যেতিয়া ই সমাজৰ চকুত দেখা দিয়ে তেতিয়া ইহঁত বিবাহ পাশত আবদ্ধ হয় আৰু নহ'লে আইন-আদালতৰ ওচৰ চপাও দেখিবলৈ পাওঁ। কিন্তু সমাজৰ চকুত দেখা নিদিলে ই ঠিকে-থাকে চলি থাকে।

গতিকে, অনাগত দিনত আমি কল্পনা কৰা মানৱীয় সভ্যতাৰ এক স্মৰণীয় সামাজিক সম্পৰ্ক স্বৰূপ বিয়া-বাৰুৰ ঠাই লাহে লাহে 'লিভিং টুগেদাৰে' ল'ব বিচাৰিছে নেকি?

ব্যক্তি স্বাধীনতাৰ নামত কিছুমান নৰ-নাৰীৰ মাজত এই সম্পৰ্ক থাকিব, কিন্তু বিয়া নহয় বুলি কোৱাটো আধুনিক মানুহক আদিম যুগৰ সমাজ ব্যৱস্থাটো ঘূৰাই ল'ব খোজা নাই জানোঁ?

কিন্তু জীৱ শ্ৰেষ্ঠ মানুহে বুজিব লাগে যে নৰ-নাৰীৰ সম্পৰ্কৰ মাজত এক সামাজিক দায়বদ্ধতা থাকে। আচলতে সমাজপ্ৰিয় মানুহে সমাজৰ দায়বদ্ধতাক অস্বীকাৰ কৰি বিবাহক এক নিৰবিচ্ছিন্ন বন্ধন বুলি কৈ ব্যক্তি স্বাধীনতাৰ নামত 'লিভিং টুগেদাৰ'ৰ আশ্ৰয় লৈ নিজৰ দৈহিক, মানসিক প্ৰয়োজন পূৰণ কৰি সমাজৰ দায়বদ্ধতাক অপমান কৰা নাই জানোঁ...? কিন্তু সিহঁতে জানি লোৱা উচিত যে পাৰস্পৰিক বুজা-বুজি নাথাকিলে আধুনিক

# মানুহে আদিম অৱস্থালৈ ঘূৰি যাব বিচাৰে নেকি?

মানিক আলী

আদিম গোষ্ঠীহীন, শ্ৰেণীহীন মানৱ সমাজত কোনো কাৰোঁ ব্যক্তিগত সম্পত্তি নাছিল। ব্যক্তিগত সম্পত্তিৰ ধাৰণাও তেতিয়া গঢ়ি উঠা নাছিল। আনকি গঢ়ি উঠা নাছিল পৰিয়াল সৃষ্টি ধাৰণাৰো।

কিন্তু যেতিয়াই পৃথিৱীত জীৱশ্ৰেষ্ঠ মানুহৰ সৃষ্টি হৈছিল; তেতিয়াৰ পৰাই নৰ-নাৰীৰ সম্পৰ্কৰো সূত্ৰপাত হৈছিল। এই সম্পৰ্কৰ জৰিয়তে মানৱ সমাজে বংশ বৃদ্ধি কৰি বনৰীয়া জীৱ-জন্তু, প্ৰকৃতিৰ প্ৰতিকূলতা আদিৰ পৰা আত্মৰক্ষাৰ চেষ্টা কৰিছিল। উক্ত উদ্দেশ্যেতে আদিম মানৱ সমাজে যৌনতাৰ প্ৰতি দৃষ্টি দিছিল আৰু নিজ স্বাধীনভাৱে যৌনতাক ব্যৱহাৰ কৰিছিল। এই সময়ত মানুহৰ যৌন জীৱন আছিল মুক্ত। যিহেতু নাৰী পুৰুষৰ যৌন সংগী এজন নাছিল বা আনুষ্ঠানিক বিয়া-বাৰুৰ প্ৰচলন হোৱা নাছিল। সেয়েহে ল'ৰা-ছোৱালীৰ পৰিচয় দিয়া হৈছিল মাকৰ পৰিচয়েৰে। কিন্তু তাৰ পিছত ক্ৰমান্বয়ে মানৱ সভ্যতাৰ অগ্ৰগতিৰ লগে লগে প্ৰথমে এগৰাকী স্ত্ৰী বহু স্বামী, এজন স্বামীৰ বহু স্ত্ৰী আদিৰ প্ৰচলন আছিল। সৰ্বশেষত মানুহৰ দেহ আৰু মনৰ ওপৰত ব্যক্তিৰ নিজস্ব অধিকাৰৰ ধাৰণাৰে আহিল— "এজন স্বামীৰ এগৰাকী স্ত্ৰী।" ই মানৱ সভ্যতাৰ এক উৎকৃষ্ট সাফল্য বুলিয়ে ক'ব লাগিব। এই সাফল্যৰ জৰিয়তে নাৰী-পুৰুষৰ সম্বন্ধত আহিছে প্ৰেম, এই প্ৰেমৰ বুনিয়াদ হৈছে যৌনতা, কিন্তু যৌনতাৰ চৰ্ত হ'ল প্ৰেম। এই যৌনতা অবাধ নহয়, স্বেচ্ছাচাৰীও নহয়। ই বিশৃংখলতাৰ পৰা মুক্ত।

গতিকে, ঐতিহাসিকভাৱে ক'বলৈ গ'লে নাৰী-পুৰুষৰ মাজৰ সম্বন্ধৰ



বৰ্তমানৰ এই সু-সামাজিক, নিয়ম-শৃংখলা ব্যৱস্থাৰ আৰম্ভ হৈছে উন্নত সমাজ গঢ়াৰ স্বাৰ্থত।

কিন্তু, বৰ্তমান সময়ত ব্যক্তি স্বাধীনতা আৰু নাৰী স্বাধীনতাৰ উপভোগৰ আন এক উপায় হিচাপে পশ্চিমীয়া দেশ (আমেৰিকা, অষ্ট্ৰেলিয়া, ইউৰোপৰ কেইবাখনো দেশ) সমূহে ইতিমধ্যে আইনৰ দৃষ্টিত সামাজিক সম্পৰ্ক বৈধ হিচাপে স্বীকৃতি লাভ কৰাৰ ফলত 'লিভিং টুগেদাৰ'ৰ ধাৰণাই মানৱ সমাজক আকৌ আদিম তথা পূৰ্বৰ অৱস্থালৈ ঘূৰাই ল'বলৈ বিচৰা নাই জানো?

বৰ্তমান সময়ত বিশেষকৈ পশ্চিমীয়া দেশসমূহৰ প্ৰায় ৩০%-৪০% অবিবাহিত মহিলাই সন্তান জন্ম দিয়ে। আনকি এক সমীক্ষানুসৰি পশ্চিমীয়া দেশসমূহৰ মহিলাসকলৰ গঢ়ে প্ৰায় ৬-৮ জনকৈ যৌন সংগী থাকে।

কিন্তু, বৰ্তমান এই বিশ্বায়নৰ যুগত তথা বিজ্ঞান-প্ৰযুক্তিৰ পৃথিৱীত পশ্চিমীয়া দেশসমূহৰ উক্ত প্ৰভাৱ আমাৰ ভাৰতীয় সমাজ ব্যৱস্থাতো পৰিবলৈ ধৰিছে। আমাৰ সমাজ ব্যৱস্থাতো কেতিয়াবা কেতিয়াবা নৰ-নাৰীৰ মাজত 'লিভিং টুগেদাৰ'ৰ আশ্ৰয় লোৱা পৰিলক্ষিত হয় আৰু যেতিয়া ই সমাজৰ চকুত দেখা দিয়ে তেতিয়া ইহঁত বিবাহ পাশত আবদ্ধ হয় আৰু নহ'লে আইন-আদালতৰ ওচৰ চপাও দেখিবলৈ পাওঁ। কিন্তু সমাজৰ চকুত দেখা নিদিলে ই ঠিকে-থাকে চলি থাকে।

গতিকে, অনাগত দিনত আমি কল্পনা কৰা মানৱীয় সভ্যতাৰ এক স্মৰণীয় সামাজিক সম্পৰ্ক স্বৰূপ বিয়া-বাৰুৰ ঠাই লাহে লাহে 'লিভিং টুগেদাৰে' ল'ব বিচাৰিছে নেকি?

ব্যক্তি স্বাধীনতাৰ নামত কিছুমান নৰ-নাৰীৰ মাজত এই সম্পৰ্ক থাকিব, কিন্তু বিয়া নহয় বুলি কোৱাটো আধুনিক মানুহক আদিম যুগৰ সমাজ ব্যৱস্থাটো ঘূৰাই ল'ব খোজা নাই জানোঁ?

কিন্তু জীৱ শ্ৰেষ্ঠ মানুহে বুজিব লাগে যে নৰ-নাৰীৰ সম্পৰ্কৰ মাজত এক সামাজিক দায়বদ্ধতা থাকে। আচলতে সমাজপ্ৰিয় মানুহে সমাজৰ দায়বদ্ধতাক অস্বীকাৰ কৰি বিবাহক এক নিৰবিচ্ছিন্ন বন্ধন বুলি কৈ ব্যক্তি স্বাধীনতাৰ নামত 'লিভিং টুগেদাৰ'ৰ আশ্ৰয় লৈ নিজৰ দৈহিক, মানসিক প্ৰয়োজন পূৰণ কৰি সমাজৰ দায়বদ্ধতাক অপমান কৰা নাই জানোঁ...? কিন্তু সিহঁতে জানি লোৱা উচিত যে পাৰস্পৰিক বুজা-বুজি নাথাকিলে আধুনিক

সমাজে বিবাহ বিচ্ছেদৰো অধিকাৰ দিছে। তাৰ পিছতো বিবাহক এক নিৰবিচ্ছিন্ন বা এৰাব নোৱাৰা বন্ধনৰ অভিযোগ কি 'লিভিং টুগেদাৰ'ৰ আশ্ৰয় লোৱাৰ যুক্তিযুক্ততা জীৱ শ্ৰেষ্ঠ মানৱ জাতিৰ বাবে কিমান উপযোগী হয় বুলি আপুনি ভাবে... ...?

ভাৰতবৰ্ষৰ ন্যায়িক ব্যৱস্থাৰ শীৰ্ষত থকা উচ্চতম ন্যায়ালয়ৰ এক ৰুলিং আছে— 'লিভিং টুগেদাৰ' প্ৰমাণিত হ'লে নাৰীগৰাকীয়ে তাইৰ পুৰুষ সংগীৰ পৰা বিবাহ অবিহনে বিবাহৰ সকলো অধিকাৰ দাবী কৰিব পাৰে। উক্ত নিৰ্দেশ 'বিবাহ' নামৰ পৱিত্ৰ সম্পৰ্কটোৰ মূল্য হ্ৰাস বা বৃদ্ধিৰ সম্পৰ্কে আমি কি ভাবিম...?

গতিকে, ব্যক্তি স্বাধীনতাত বিশ্বাসী যিসকলে এই মানসিকতা (লিভিং টুগেদাৰ) লৈ চলে, তেওঁলোকে বুজা উচিত যে নৰ-নাৰীৰ সম্পৰ্কৰ সামাজিক স্বীকৃতি 'বিবাহ'।

কিন্তু ব্যক্তি স্বাধীনতাৰ দৃষ্টিভংগীৰে হয়তো দুজন প্ৰাপ্তবয়স্ক নাৰী-পুৰুষে যদি দুয়োৰে সন্মতিত স্ব-ইচ্ছাই 'লিভিং টুগেদাৰ' কৰে; তাত আপত্তি কৰিবলগীয়া একো নাথাকে। যদি ইয়াক মানৱ জাতিৰ আদিম কালৰ এক বৈশিষ্ট্য বুলি ক'লেও বঢ়াই কোৱা নহ'ব। তথাপিতো, মানুহ হিচাপে আমাৰ প্ৰত্যেকৰে এটা সামাজিক দায়িত্ব আছে। কাৰণ মানুহে এসময়ত নিজৰ অস্তিত্ব ৰক্ষাৰ স্বাৰ্থত সমাজবদ্ধ হৈছিল আৰু এই সামাজিক নীতি-নিয়মৰ মাধ্যমেৰেই মানুহ আজি জীৱ শ্ৰেষ্ঠ হ'ব পাৰিছে। গতিকে মানুহৰ স্বাধীনতাৰ ধাৰণাও সমাজৰ সন্মতিত নীতি-নিৰ্দেশনাৰ মাজতে অন্তৰ্ভুক্ত হ'ব লাগে। সমাজক অস্বীকাৰ কৰি, সামাজিক নীতি-নিয়ম অস্বীকাৰ কৰি স্বাধীনতা বিচৰাৰ অৰ্থ— "নিয়ম-শৃংখলাৰ মানসিকতাৰ ওচৰত আত্মসমৰ্পণ।"◈



# আমাৰ বাসনা

**জিয়াউৰ ৰহমান**

এয়া আমাৰ পবিত্ৰ বৃত্তি
য'ত হ'ল জীৱনৰ নতুন আৰম্ভণি,
চাৰিওফালে হ'ল সৌন্দৰ্যময়
ইয়াতেই যাতে হয় আমাৰ জয়।

সৰু সৰু ফুলৰ কলিৰে পৰিছে ভৰি
আমাৰ অতিকৈ আপোন বিদ্যালয়খনি,
স্কুলৰ কলিবোৰ ভালকৈ ফুলিব
মনৰ বাসনা আমাৰ পূৰ্ণ হ'ব।

পৰ্বতৰ শিখৰত আৰোহণ কৰিব
বিচাৰি নোপোৱা বস্তু বিচাৰি পাব,
পাহাৰ-পৰ্বত, নদ-নদী নেওচি
আমি লৈ যাম সকলোকে আগবাঢ়ি।◈



# কথোপকথন

**ৰুবী ডেকা**

সকলো বস্তুৰ পুংখানুপুংখ বৰ্ণনা সম্ভৱ নহয়;
নিউটনৰ সূত্ৰ সকলোতে প্ৰযোজ্য নহয়
হ'বও নোৱাৰে।
সম নিয়ন্ত্ৰণৰ বাহিৰৈলে যোৱাৰ কি হয় জানো!
হয়তো গভীৰ হৈ যায় সপোন সপোন হৈ ৰোৱাৰ বেদনা,
নাইবা বহুদিনৰ কোনোৱা বিশেষজনৰ মিঠা মাত
শুনিবলৈ পোৱাৰ আনন্দ।
নিজৰ লগত চলি থকা যুঁজেই প্ৰতিবাৰেই প্ৰমাণ কৰে
জীয়াই থকাৰ সাৰ্থকতা;
নাইবা সকলো এৰি যোৱাৰ প্ৰয়োজনীয়তা।
পুৰণি স্মৃতিবোৰ সুবাৰ নিচিনা
দিন যোৱাৰ লগে লগে বাঢ়ি যায় ইয়াৰ নিচা।
স্মৃতিয়েই অনুভৱ কৰায়
জটিলতা এক নিৰৱচ্ছিন্ন ব্যাধি;
অতীতৰ সৰলতা সৰলৰৈখিকভাৱে
গ্ৰাস হয় যাৰ বুকুত লাহে লাহে, ক্ৰমে ক্ৰমে।
সকলো প্ৰশ্নৰে উত্তৰ পোৱা নাযায়,
ইহঁত উত্তৰবিহীন।
যেনে— পৃথিৱীখন সঁচাই জটিল নে?
অথবা তেজত অহা ধাৰণাৰেই আমি ধৰি লওঁ ই জটিল বুলি?
বাহ্যিকতাত গুৰুত্ব দিবলৈ কেতিয়াও পাহৰি যোৱা নহয়।
মাথোঁ পাহৰি যোৱা যায়;
কাষৰ আকাশখন যে নীলাই হৈ আছে সেয়া চাবলৈ,
আবেলিৰ সময়ত যে চৰাইবোৰ একেদৰে উৰতিছে সেয়া চাবলৈ
আৰু গুৰুত্ব দিবলৈ যে,
ভিতৰৰ মানুহজন যে এতিয়াও একেদৰে বৈ আছেঃ
যিয়ে নিজৰ সৈতে যুগ যুগ ধৰি কথা পাতিবলৈ পোৱা নাই।◈





# অন্ধবিশ্বাসৰ কবলত অসমীয়া সমাজ

**মঃ হাইদৰ আলী**

কি সাংঘাতিক বৈপৰীত্য। এফালে মঙল যান গৈ মঙল গ্ৰহ পালে, আনফালে অসম মুলুকত এগৰাকী বিশিষ্ট ক্ৰীড়াবিদ মহিলাক ডাইনী সজাই হত্যা কৰাৰ যো-জা চলালে। কাৰ্বি আংলং জিলাৰ ডকমকাত স্বৰ্ণপদক জয়ী জেভলিন প্ৰক্ষেপকাৰী দেৱযানী বৰাক ডাইনী সজাই নামঘৰৰ মজিয়াত অকথ্য অত্যাচাৰ কৰা হ'ল। নিৰ্যাতনকাৰী স্বয়ং নামঘৰীয়া। এই কাণ্ডৰ নীৰৱ দৰ্শকসকলে ঘটনাটো উপভোগ কৰা যেন লাগিল। দেৱযানীৰ আৰ্তনাদে কাৰো মন কোমলাব নোৱাৰিলে, কাৰো হৃদয় কঁপি নুঠিল। মানুহ যে ইমান নিৰ্মম-নিষ্ঠুৰ হ'ব পাৰে! কল্পনাই কৰিব নোৱাৰি।

আমাৰ দেশৰ মানুহে নিৰ্বিচাৰে যে সমাজত চলি থকা আৰু শুনিবলৈ ভাল নলগা ঘটনাবোৰ বাহিৰৰ মানুহে জানক। কেতিয়াবা যদি ডাইনী হত্যাৰ বিৰুদ্ধে কৰ্মৰত বীৰুবালা ৰাভাই আন্তৰ্জাতিক বঁটা লাভ কৰে ভাৰতবাসী লজ্জিত হ'ব যেন লাগে। বিদেশৰ মানুহে গম পাব বিজ্ঞানৰ আকাশলংঘী জয়যাত্ৰাৰ সময়ত অসমত ডাইনী প্ৰথা জীয়াই আছে। কিন্তু আজি উন্নত যোগাযোগ ব্যৱস্থাৰ যুগত পোহৰৰ গতিত সকলো সংবাদ বিশ্ব বিয়পে। দেৱযানী বৰাক নিৰ্যাতন কৰি থকা দৃশ্য ইউৰোপ, আমেৰিকাৰ মানুহেও ইতিমধ্যে দেখা পালে।

ডাইনী প্ৰথাৰ বিৰুদ্ধে বহু লেখা-মেলা হৈছে। কিছুমান সংগঠনে সক্ৰিয়ভাৱে গাঁৱে-ভুঞে কাম কৰিছে। কিন্তু ডাইনী হত্যা বাঢ়িছেহে। অন্ধবিশ্বাস পৃথিৱীৰ সকলো দেশতে আছিল। ডাইনী হত্যাৰ নিয়মো আছিল। ডাইনী বুলি জোৱান অব আৰ্ককো জীৱন্তে পুৰি মাৰিছিল। পশ্চিমৰ যুক্তিবাদী আৰু চিন্তাশীল মানুহে মানুহৰ মাজত আধুনিক চিন্তা-ভাৱনাৰ সৃষ্টি কৰিবলৈ ধৰাৰ

ফলত সেইবোৰ সমাজ ধীৰে ধীৰে কু-সংস্কাৰ মুক্ত হ'বলৈ ধৰে। বিজ্ঞানৰ নৱ নৱ আৱিষ্কাৰে মানুহক যুক্তিবাদী হ'বলৈ সহায় কৰিলেও আমাৰ দেশত মানুহৰ মানসিকতা সহজতে বিজ্ঞানমনস্ক নহ'ল। শিক্ষিত আৰু চলন-ফুৰণত আধুনিক যেন লগা বহু মানুহৰ মনবোৰ যে অন্ধবিশ্বাসতে বুৰ গৈ আছে তাৰ প্ৰমাণ চকুৰ আগতে দেখা যায়। আজিও মানুহে জৰা-ফুকা কৰা পানী খায়, ভূত-প্ৰেত-বীৰাক বিশ্বাস কৰে, হাতত মন্ত্ৰস্নাত সূতা পিন্ধে, তাবিজ-মাদলি ওলমায়। প্ৰকৃত বিজ্ঞানমনস্ক মানুহৰ সংখ্যা আমাৰ দেশত তথা ৰাজ্যত মুষ্টিমেয়। ৰাজনীতিবিদসকলৰ কথাতো ক'বই নালাগে। কেইবছৰমান আগতে গুৱাহাটী মহানগৰীৰ মাজমজিয়াত ভূত খেদিবলৈ যজ্ঞ পৰ্যন্ত কৰিবলগীয়া হৈছিল। বীৰা পোহা চিকিৎসক ৰাজনীতিক গৰাকীৰ কথা অসমবাসীয়ে নজনা নহয়।

এটা সমীক্ষা মতে ইউৰোপত জ্যোতিষ শাস্ত্ৰত বিশ্বাসী পুৰুষৰ সংখ্যা পাঁচ আৰু মহিলাৰ সংখ্যা ত্ৰিছ। ইয়াৰ বিপৰীতে ভাৰতত এই সংখ্যা পুৰুষৰ মাজত শতকৰা আঠানব্বৈ আৰু মহিলাৰ মাজত প্ৰায় এশ শতাংশ।

পশ্চিমৰ মানুহক বিজ্ঞানমনস্ক কৰিবলৈ কেইবাশ বছৰ আগৰে পৰাই বিজ্ঞানীসকলে সচেষ্ট হ'বলৈ গৈ শাস্তি পাবলগীয়া হৈছিল। খ্ৰীষ্টজন্মৰ আগতেও কেইগৰাকীমান গ্ৰীক পণ্ডিতে কৈছিল যে পৃথিৱী এটা গ্ৰহ হিচাপে সূৰ্যৰ চাৰিওফালে ঘূৰে। ধৰ্মৰ বিৰুদ্ধে কথা কোৱাৰ বাবে বিজ্ঞানীসকলে অমানুষিক নিৰ্যাতন সহিবলগীয়া হৈছিল। প্ৰায় দুহেজাৰ বছৰ পাছত বাইবেল বিৰোধী মত প্ৰকাশ কৰাৰ অপৰাধত ব্ৰুনো, গেলিলিঅ' প্ৰমুখ্যে বিজ্ঞানীসকলে নানা ধৰণৰ শাস্তি ভোগ কৰিছিল। ব্ৰুনোক বন্দী কৰি ৰখা হৈছিল এনে এটা ঘৰত যিটো গৰমৰ দিনত আছিল 'ব্লাষ্ট ফাৰ্নেছ'ৰ দৰে উত্তপ্ত আৰু জাৰকালি ৰেফ্ৰিজাৰেটৰৰ দৰে হিমশীতল। গেলিলিঅ'কো একেটা অপৰাধতে বন্দী কৰি ৰখা হৈছিল। এইদৰে বহু সত্য সন্ধানীক ইউৰোপত শাস্তি বিহা হৈছিল। কিন্তু এওঁলোকৰ অৱদানে অৱশেষত ইউৰোপীয় সমাজক আধুনিকমনস্ক কৰে।

আমাৰ দেশক অন্ধবিশ্বাস বা কুসংস্কাৰমুক্ত কৰিবলৈ ইউৰোপৰ দৰে কোনেও শাস্তি ভোগ কৰিবলগীয়া হোৱা নাই। পশ্চিমৰ পৰাই আমি বিজ্ঞানৰ ধ্যান-ধাৰণা পাইছো। কিন্তু শিক্ষাৰ পোহৰ নোপোৱা আমাৰ অধিকাংশ গ্ৰামাঞ্চলত বিজ্ঞানক লৈ যাবলৈ বিশেষ প্ৰচেষ্টা কোনেও কৰা



নাই। গাঁৱৰ কথা বাদেই চহৰ-নগৰৰ মানুহৰ অনেকৰ মন যুক্তিবাদী বা বিজ্ঞানমনস্ক নহয়।

আমি ভাবো শিক্ষাৰ প্ৰসাৰ নোহোৱালৈকে কেৱল আইন প্ৰণয়ন কৰি বা সভা-সমিতি পাতি মানুহক অন্ধবিশ্বাসৰ হাতোঁৰাৰ পৰা মুক্ত কৰিব পৰা নাযায়। সাধাৰণ চহী এটা কৰি স্বাক্ষৰ হোৱা ভাৰতীয় সমাজত আজিও নাৰী-পুৰুষৰ শতকৰা এশজন সাক্ষৰ হ'ব পৰা নাই। এনেস্থলত প্ৰকৃত শিক্ষাৰে শিক্ষিত হ'বলৈ বহু বছৰ লাগিব। অশিক্ষিত সমাজক বিজ্ঞানমনস্ক কৰিবলৈ শিক্ষিত সমাজে উঠি-পৰি নালাগিলে ডাইনী-ডাইনা প্ৰথা আপোনা-আপুনি লোপ নাপায়।

দেশৰ প্ৰতিজন নাগৰিকৰ সমাজৰ প্ৰতি দায়বদ্ধতা থাকে। শিক্ষিত শ্ৰেণীটোৰ দায়বদ্ধতা বেছি। এটা ডাইনী হত্যা হোৱাৰ পাছত হৈ চৈ নকৰি সংঘবদ্ধভাৱে এই প্ৰথা ৰোধ কৰিবলৈ অহৰহ প্ৰচেষ্টা কৰি থাকিব লাগিব। তদুপৰি আইনে দোষীক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰক। এই কলংকৰ পৰা মুক্ত হ'ব নোৱাৰিলে বিশ্ব দৰবাৰত আমাৰ মান-সন্মান বাঢ়িব বুলি আশা নকৰাই ভাল।◈

## মহৎ লোকৰ বাণী ঃ

- ◈ এটা সুন্দৰ হাঁহি ঘৰখনৰ বাবে সূৰ্যৰ কিৰণ। —**থেকাৰে**
- ◈ আত্মজ্ঞান নহ'লে সকলো মিছা, সকলো শূন্য। —**কবীৰ**
- ◈ নিজৰ আদৰ্শ আৰু নীতি কেতিয়াও বিসৰ্জন নিদিবা। —**পল ৰবচন**
- ◈ জাগ্ৰত চেতনাবোধেই স্বাধীনতাৰ ৰক্ষা কবচ। —**আব্ৰাহম লিঙ্কন**
- ◈ পৰক আপোন কৰিবলৈ প্ৰতিভাৰ প্ৰয়োজন। —**ৰবীন্দ্ৰনাথ ঠাকুৰ**
- ◈ প্ৰতিশোধতকৈ ক্ষমাহে মনুষ্যত্বৰ চিনাকি। —**মহাত্মা গান্ধী**
- ◈ স্বভাৱৰ মিষ্টতাই আত্মাক মুগ্ধ কৰে। —**ভলটেয়াৰ**
- ◈ এখন ভাল অন্তৰ পৃথিৱীৰ সকলো মন্দিৰতকৈ বেছি ভাল। —**লিটন**

**সংগ্ৰাহক ঃ আফাজুদ্দিন আহমেদ**

# জীৱনলৈ...

নিবেদিতা শইকীয়া

গৰখীয়া সুঁহুৰিৰে
ছাঁইৰঙী আবেলিটো
সোমাই আহিল
মোৰ বুকুলৈ
মই উন্মনা হ'লো।

তোমাৰ ব্যাকুলতা
মোৰ বাবে এপাহ
স্নিগ্ধ ৰজনীগন্ধা
তোমাৰ প্ৰতিটো
শব্দৰ আকুলতাত
হেৰাই পেলাও
মোৰ বুকুৰ
নৈপৰীয়া নীৰৱতা

এনেকৈয়ে
সংশয়ৰ শামুক ভাঙি
ক্ৰমশঃ আগুৱাওঁ মই
জীৱন অভিমুখে।◈





# জীৱন

মৰ্জিয়ানা বেগম

কি কাৰণে ক্ষণ ভঙ্গুৰ জীৱন
যদি মৰণে সামৰি লয়
কি কাৰণে ঐশ্বৰ্য বিভূতি
যদি কালৰ বুকুত লুপ্ত হয়
কিয় আহে জোনাকী ৰাতি
যদি ডাৱৰে আকাশ ছানি ধৰে
শীত আহিলে সেউজীয়া গছ-পাতবোৰ
কিয় বাৰু সৰি সৰি পৰে
আলফুলে ফুলি উঠা ধুনীয়া কলিটি
মৰহি শুকাই যায় কিয়
যিটো আমি ভালপাওঁ জীৱনত
ওচৰতে সিটো বিচাৰো সদায়
কিয় বাৰু সেই মৰমৰ বস্তু
আমাৰ ওচৰতে নাথাকে সদায়?◈



# চৰ চাপৰিৰ শিক্ষা আৰু কিছু ব্যক্তিগত অনুভৱ

লক্ষীৰাম নাথ

*"Education is the natural, hermonious and progressive development of man's innate powers." –Pastelzzi*

শিক্ষাই মানুহৰ প্ৰাকৃতিক আৰু অন্তৰ্নিহিত শক্তিৰ সংৰচনাত্মক বিকাশ সংঘটিত কৰে। শিক্ষাই মানুহৰ আচৰণৰ পৰিবৰ্তন সাধে। শিক্ষাই মানুহক পৰিবেশৰ লগত সংযোজন হ'বলৈ শিকায়। অৰ্থাৎ শিক্ষাই মানুহক জীয়াই থাকিবলৈ জীৱন ধাৰণৰ কৌশলবোৰ শিকায়।

জন্মৰ সময়ত মানুহে কম-বেছি পৰিমাণে কিছু আজন্ম শক্তি লৈ আহে। এই শক্তিসমূহ পৰৱৰ্ত্তী সময়ত আয়ত্ত ক্ষমতা, ব্যক্তি ভেদে নিৰ্দ্ধাৰণ কৰে। যাক সাধাৰণতে আমি বুদ্ধাংক বুলি কওঁ। এই আয়ত্তকৰণৰ ক্ষমতা কোনো ব্যক্তি গোটৰ মাজত বিভিন্ন হ'ব পাৰে। অৰ্থাৎ সকলো মানুহৰে এই আয়ত্তকৰণ ক্ষমতা কেতিয়াও একে হ'ব নোৱাৰে।

মানুহৰ এই আয়ত্ত ক্ষমতাৰ ওপৰতে শিক্ষা গ্ৰহণৰ সফলতা-বিফলতা নিৰ্ভৰ কৰে যদিও এয়া শেষ কথা নহয়। শিক্ষা গ্ৰহণৰ সফলতা বহু পৰিমাণে নিৰ্ভৰ কৰে শিক্ষা গ্ৰহণৰ পৰিৱেশৰ ওপৰত। পৰিৱেশে মানুহৰ চিন্তা, শক্তিৰ বিকাশৰ বিভিন্ন দিশ নিৰ্দ্ধাৰণ কৰে। অৰ্থাৎ পৰিৱেশ ভাল হ'লে চিন্তাশক্তিৰ বিকাশ হয়। সেয়েহে কোৱা হয় সুস্থ পৰিৱেশত সুস্থ চিন্তা সম্ভৱ। সুস্থ চিন্তাই নতুন নতুন দিগন্তৰ সূচনা কৰে। নতুন নতুন চিন্তাৰ বিকাশে ন ন পথৰ সন্ধান দিয়ে। য'ত লুকাই থাকে জীয়াই থকাৰ কৌশল জীৱনৰ সম্বল।

গতিকে ওপৰৰ চমু আলোচনাৰ পৰা আমি এটা কথা দৃঢ়তাৰে ক'ব পাৰো যে আমাৰ চৌপাশৰ সামগ্ৰিক পৰিৱেশে আমাৰ শিক্ষা জীৱনত



সাংঘাটিক ধৰণে প্ৰভাৱিত কৰিব পাৰে। সেয়েহে এই লেখাৰ মুখ্য বিষয়বস্তু পৰিৱেশৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱিত। কিয়নো ইয়াত অসমৰ এটা বিশেষ অঞ্চলৰ বৰ্তমানৰ শিক্ষাৰ ব্যৱস্থাটো, ইয়াৰ সহজলভ্য ছবিখন অংকন কৰিব খোজা হৈছে। এই অঞ্চলটোৱে বৰ্তমানৰ প্ৰাকৃতিক পৰিৱেশৰ মাজত বিভিন্ন সমস্যাৰ লগত যুঁজি থাকিবলগীয়া হৈছে।

বিগত মোৰ চাকৰি জীৱনৰ এটি নগণ্য সংস্কৰণ হ'ল— বৰ্তমানে চাকৰি থকা চৰ চাপৰি অঞ্চল। এদিন অসম চৰকাৰৰ শিক্ষা বিভাগৰ নিযুক্তি লাভ কৰি এবুকু আশা বুকুত বান্ধি লৈ প্ৰকৃতিৰ লগত বিভিন্ন ধৰণে যুঁজি থকা এই চৰাঞ্চলত ভৰি থৈছিলোহি। কেইদিনমান আগতে বানপানীয়ে গচকি থৈ যোৱা গাঁওখনত ভৰি থৈয়ে মোৰ ধাৰণা গাঢ় হৈছিল, ইয়াত মোৰ কাম ইমান সহজ নহ'ব। কিন্তু দুজন সৎ সহকৰ্মী পাই (পিছলৈ তিনিজন হ'ল) নিজৰ সততা আৰু একাগ্ৰতা, আত্মবিশ্বাসক লৈ মই মোৰ কৰ্তব্য সফলভাৱে ৰূপায়ণ কৰিব পাৰিম বুলি দৃঢ় বিশ্বাস কৰিছিলো।

আমি দুয়োগৰাকী 'টে'ট' শিক্ষকে আলোচনা কৰি বিদ্যালয়ৰ পাঠদান কাৰ্য সীমিত সুবিধাৰ মাজত চলাই নিয়াৰ কথা ভাবিলো আৰু পিছদিনাখন কেৱল এখন চাৰিওফালে উদং টিনৰ চালিৰ তলত মাত্ৰ কেইজনমান ছাত্ৰ-ছাত্ৰীৰে শিক্ষকতাৰ শুভাৰম্ভ কৰিলো। ব্ৰহ্মপুত্ৰ নদীৰ গৰা খহনীয়াত পৰা বিদ্যালয়খনৰ পূৰ্বৰ ঘৰটো প্ৰধান শিক্ষক গৰাকীয়ে কোনো ৰকম দাঙি আনি কেইটামান খুঁটাৰ ওপৰত টিনৰ চালখন উঠায়ে মণ্ডলদৈত বাহৰ পাতি চৰকাৰী সাহায্যৰ আশাত হা-কৈ মুখ মেলি থাকিলগৈ।

ইফালে বিদ্যালয়ৰ চৌহদত লাংখা-লাংখি বস্তুৰে, আহু ধানৰ খেৰৰ গেলা দম, মাকৈৰ এৰুৱা বাকলিয়ে আমাৰ 'হাৱা হাৱা' বিদ্যালয়ৰ শ্ৰেণী কোঠা অধিকাৰ কৰি আছে। এযোৰ মাথোঁ ডেস্ক-বেঞ্চ, এখন ভগ্না মেজ, দুখন ব্লেক বোৰ্ডেৰে আমাৰ পাঠদান আৰম্ভ কৰিলো। পঢ়াবলৈ লৈ দেখো একমাত্ৰ ডেস্ক-বেঞ্চত প্ৰথমৰ পৰা পঞ্চমলৈ সকলো ছাত্ৰ-ছাত্ৰীয়ে অধিকাৰ কৰি আছে। যিসকলৰ ভাগ্যত সেয়াও নাই তেওঁলোকে দেখোন মাটিতে বহী-পত্ৰ থৈ থিয় হৈ পঢ়াৰ বাবে সাজু হ'ল। মোৰ সহকৰ্মী যিজনে এখন সুন্দৰ জাতীয় বিদ্যালয় পাতি এৰি থৈ এই চৰকাৰী বিদ্যালয়ত ভৰি থৈছে সেই গৰাকী ডেকা ছাৰৰ চকুলৈ মই চাব পৰা নাই। প্ৰায় ২০ কিঃ মিটাৰ

ৰাস্তা নদী পাৰ হৈ বাইক চলাই গৈ ভাগৰুৱা হৈ পৰা দুয়োজন মানুহে উপায় নাপাই চৌহদত সিঁচৰতি হৈ পৰি থকা বাটাম দুডালমান গোটাই লৈ বহি পৰিলো কিছু সময় কণ কণ লেতেৰা পেটেৰা ল'ৰা-ছোৱালীকেইটাৰ লগত কিছু মত বিনিময় কৰি দিনৰ পাঠদান সামৰিলো আৰু ছাত্ৰ-ছাত্ৰীক যাবলৈ দিলো। উল্লেখ্য যে যেতিয়া আমি শিক্ষকতা জীৱনৰ প্ৰথম দিনটোত এনে পৰিৱেশত আছিলো, তেনে সময়ত গাঁওৰ দুই-চাৰি মানুহে দূৰৈৰ পৰা আমালৈ চাই চাই ৰাস্তাৰ কাষৰ বাঁহ জোপাৰ তলত বহি কথা পাতি আছিল। এনে অনুভৱ হৈছিল যেন তেওঁলোকে আমাক উপলুঙা কৰি আছে। সেই সময়ত আমি দুয়ো পণ্ডিত মহাশয়ে আলচ কৰি নিজেই গাঁওৰ মানুহৰ ওচৰ চপাৰ সিদ্ধান্ত কৰিলো। লাহে লাহে আমি মানুহখিনিৰ ওচৰ চাপিলো। তেওঁলোকে দুখন চকী আমালৈ এৰি দিলে। লগে লগে নিমখ চেনি মিহলোৱা চাহ, চুপাৰী-পাণ এলডা চুণেৰে সৈতে হাজিৰ হ'লহি।

বহু সময় আলোচনাৰ পিছত আমাৰ এটা থুল-মূল ধাৰণা হ'ল প্ৰধান শিক্ষক গৰাকীৰ লগত গাঁওৰ একাংশ মানুহৰ মতবিৰোধ আছে। দুটা বংশৰ মাজৰ সংঘাতে বিদ্যালয়খন ধ্বংসৰ মুখলৈ ঠেলি দিছে। তথাপি মনৰ আশা জীয়াই ৰাখি গাঁওৰ মানুহৰ সহযোগিতা বিচাৰিলো। সহায় পালে আমি বিদ্যালয়খনৰ পৰিৱেশ পুনৰ ঘূৰাই আনিব পাৰিম বুলি মানুহখিনিক কথা দি ঘৰলৈ উভতি আহিলো। ঘৰলৈ আহি ভাগৰত বিচনাত চকু মুদাৰ লগে লগে মোৰ চকুৰ সন্মুখেৰে কেতবোৰ বিক্ষিপ্ত ছবি— মাটিতে বহি পঢ়া ল'ৰা-ছোৱালীৰ নিস্পাপ মুখবোৰ, গাঁৱৰ মানুহৰ অৱজ্ঞাসূচক চাৱনিবোৰ অহা-যোৱা কৰিবলৈ ধৰিলে। সেইবাবে পিছ দিনা ঘৰৰ পৰা এখন সৰু টিৰ্পাল লৈ বিদ্যালয়লৈ ওলালোঁ।

শ্ৰেণী আৰম্ভ কৰাৰ লগে লগে আমি বিভিন্ন সমস্যাৰ সন্মুখীন হ'বলগীয়া হ'লো। যিবোৰ পৰিৱেশৰ সৃষ্টি। আমি এই দিনটোৰ পিছত যিবোৰ সমস্যাৰ লগত পৰিচয় হ'লো মই অনুভৱ কৰো এইবোৰে সমগ্ৰ চৰাঞ্চলৰ শিক্ষাৰ চেহেৰাটোক প্ৰতিনিধিত্ব কৰিব।

শ্ৰেণী কোঠাত সন্মুখীন হোৱা অভিজ্ঞতাৰ ভিতৰত পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে বৰ্ণমালা লিখিব-পঢ়িব নোৱাৰা, সংখ্যাৰ ধাৰণা শূন্য, হাতৰ আখৰ ওলোটাকৈ লিখা, ল'ৰা-ছোৱালীৰ লিখনৰ সামগ্ৰী নথকা, গা-নোধোৱাকৈ



বিদ্যালয়লৈ অহা, অসমীয়া ভাষা বুজি নোপোৱা, অলপ ডাঙৰ ল'ৰা-ছোৱালীয়ে ঘৰৰ পৰা কেঁচুৱা এমা-ডিমা ভাই-ভনী লগত লৈ অহা; বিদ্যালয়লৈ যিকোনো সময়ত অহা, নাক-মুখেৰে অহৰহ শেঙুনৰ নৈ বৈ থকা— এই এশ এবুৰি সমস্যাৰ কথা উল্লেখ কৰিব পাৰি। বহু চেষ্টাৰ পিছত ল'ৰা-ছোৱালীবোৰক কিছু পৰিপাটি কৰিলো যদিও বিদ্যালয়ৰ জৰাজীৰ্ণ ৰূপ, সাধাৰণ আচবাবৰ অভাৱে আমাক বৰকৈ আশাহত কৰিলে। তথাপি তিনি মাহৰ পিছত আমাৰ মাজলৈ আহিল অন্য এগৰাকী সহকৰ্মী ডেকা ছাৰ। তিনিও আলোচনা কৰি আমি প্ৰত্যেকে এহাজাৰ টকাকৈ মুঠ তিনি হাজাৰ টকা প্ৰধান শিক্ষকৰ হাতত দি আহ্বান জনালো তিনিখন চকী আৰু ছাত্ৰ-ছাত্ৰীক বহিবৰ বাবে ডেস্ক-বেঞ্চৰ ব্যৱস্থা কৰিবলৈ।

আমাৰ সহযোগিতা, বিদ্যালয় প্ৰধানৰ চেষ্টা আৰু গাঁৱৰ মানুহৰ সহায়েৰে বিদ্যালয়ৰ মূল ভৱনটো সজা হ'ল; কেইযোৰমান ডেস্ক-বেঞ্চ হ'ল—কিন্তু আজিকোপতি নহ'ল আমাৰ চকীকেইখন। অৱশ্যে মাজতে দুখন চকী যোগাৰ কৰা হ'ল, তাকো গাঁওৰ বিয়া-সবাহত নি তাৰো আধ্যা পেলালে। লাহে লাহে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা প্ৰথম ১৫ জনৰ পৰা বাঢ়ি বাঢ়ি শতাধিক হ'ল। বিদ্যালয়ৰ চেহেৰাৰ পৰিবৰ্তন নহ'ল। পানীৰ বাবে দমকল, প্ৰস্ৰাৱগাৰ, শৌচালয় আদি নিৰ্মাণ নহ'ল। যাৰ বাবে আমি শ্ৰেণী কোঠাত সোমোৱাৰ আগতে হাত-মুখ ধুবলৈ পানী বিচাৰি গাঁওৰ মানুহৰ ঘৰলৈ যাব লাগে। যিটো অৱস্থা আজিও চলি আছে।

এইদৰে কিছুদিন যোৱাৰ লগে লগে আমি উপলব্ধি কৰিলো ল'ৰা-ছোৱালীয়ে ঘৰত নপঢ়ে। বিদ্যালয়লৈ যোৱাৰ আগতে ল'ৰা-ছোৱালীয়ে গৰু-ছাগলী এৰাল দিয়া, ঘাঁহ কটা কামটো কৰিবলগীয়া হয়। ছুটীৰ পিছত আহি গৰুবোৰ ৰখা, ঘাঁহ কটা, সৰু ল'ৰা-ছোৱালী ৰখা কাম কৰিবলগীয়া হয়। তদুপৰি একোদিন বিদ্যালয়ত দহ-বাৰ গৰাকীমান ল'ৰা-ছোৱালীহে উপস্থিত থাকে। খবৰ ল'লে গম পাওঁ বাকীবোৰ ল'ৰা-ছোৱালী মাকৈ ছটিয়াবলৈ গৈছে; কেতিয়াবা আকৌ বাদাম তুলিবলৈ গৈছে।

একোদিন ছাত্ৰ-ছাত্ৰী বিদ্যালয়ত ঠাহ খাই পৰেহি। ইয়াৰ কাৰণ হ'ল সেই দিনা হয়তো বহুদিনৰ মূৰত বিদ্যালয়ত মধ্যাহ্ন ভোজনৰ বাবে চৌকাত জুই জ্বলিব।

তাৰ মাজতে কোনোবাদিন আকৌ বিদ্যালয়ত উপস্থিত হৈ দেখো নাই ছাত্ৰ-ছাত্ৰী, নাই চকী, ডেস্ক-বেঞ্চ। খবৰ ল'লে গম পাওঁ আজি গাঁৱৰ কোনোবা ঘৰত বিয়া আছে আৰু এইবোৰ বিদ্যালয়লৈ ঘূৰি আহোতে আৰু দুই-এদিন। বিদ্যালয়লৈ ঘূৰি নাহে। হয়তো আমি ছাত্ৰ-ছাত্ৰী পঠিয়াই বিচাৰি আনিব লাগিব। দেখা যায় আমাৰ গাঁথিৰ ধনেৰে সজা বেঞ্চৰ ঠেং ভাঙি লেঙেৰা হৈ বিদ্যালয়ৰ চুকৰ আলহি হয়হি।

এইখিনিতে উল্লেখ নকৰিলে ভুল হ'ব যে যদিও বিদ্যালয় আৰু সামাজিক পৰিৱেশৰ শিক্ষাৰ অনুকূল নহয় তথাপি শিশুবিলাকৰ প্ৰতিভাৰ অভাৱ বুলি আমি ক'ব নোৱাৰো। বহু এনে শিশু আমাৰ শ্ৰেণী কোঠাসমূহত পাইছো যিসকলৰ প্ৰতিভা লেখত ল'বলগীয়া। সেই প্ৰতিভাধৰ শিশুবিলাকৰ মাৰ্জিত আচৰণ, শিক্ষাৰ প্ৰতি আগ্ৰহ আৰু শ্ৰদ্ধাশীল মনোভাৱে আমাক সদায় আপ্লুত কৰি আহিছে। তদুপৰি শিশুবিলাক যদিও পৰিপাটি হৈ বিদ্যালয়লৈ আহাৰ মানসিকতা আছে তথাপি সামাজিক আৰু অৰ্থনৈতিক পৰিস্থিতিয়ে তেওঁলোকক বাধা দি আহিছে।

ওপৰত উল্লেখিত কোনো এটা দিশেই মোৰ কল্পনাপ্ৰসূত নহয়, বৰং এশ শতাংশই অভিজ্ঞতালব্ধ পৰিঘটনা। চৰাঞ্চল হ'ল অসমৰ জন-জীৱনৰ এটা এৰাব নোৱাৰা অংগ। যদিও বৰ্তমান সময়ত এই অনগ্ৰসৰ অঞ্চলবোৰক মূল সুঁতিৰ জন জীৱনৰ লগত একে শাৰীলৈ অনাৰ বিভিন্ন চৰকাৰী প্ৰয়াস কৰা হৈছে; তথাপি এই চেষ্টাৰ প্ৰকৃত ফল চৰাঞ্চলৰ লোকে আজিও ভোগ কৰিব পৰা নাই। যাৰ ফলত চৰাঞ্চলৰ উন্নয়ন আশা কৰা ধৰণে হোৱা নাই। বৰং শিক্ষা, স্বাস্থ্য আৰু যোগাযোগ বা ৰাস্তা-ঘাট অতি পুতৌজনকভাৱে অনগ্ৰসৰ হৈ ৰৈছে। আমাৰ অভিজ্ঞতা আৰু পৰিস্থিতিৰ লগত মুখামুখি হৈ কৰা অধ্যয়নৰ পৰা ক'ব পাৰো যে এক শ্ৰেণী মধ্যভোগীৰ আত্মসাৎ আৰু আগ্ৰাসী মনোবৃত্তিয়ে এই অঞ্চলৰ প্ৰকৃত ছবিখন প্ৰকাশ পোৱাত বাধা আৰোপ কৰি আহিছে। আনকি উন্নয়নৰ আঁচনিবোৰৰ উদ্দেশ্য আৰু লক্ষ্যক ধূসৰ কৰি পেলাইছে। তদুপৰি নিৰক্ষৰ আৰু অৰ্থনৈতিকভাৱে অনগ্ৰসৰ এই বৃহৎ সম্প্ৰদায়টোয়ে চৰকাৰী আঁচনিবোৰক ক্ৰটিপূৰ্ণভাৱে গ্ৰহণ কৰাৰ ফল স্বৰূপে উন্নয়ন শূন্য হৈ পৰিছে।

উদাহৰণ স্বৰূপে মধ্যাহ্ন ভোজন যদিও চৰাঞ্চলৰ শিশুৰ বাবে দেৱতাৰ



আশীৰ্বাদ কিন্তু ইয়াৰ এটা অংশ দালালৰ হাতলৈ যায়, নিয়মিত মধ্যাহ্ন ভোজন দিয়া নহয়, মধ্যাহ্ন ভোজনৰ খাদ্য সম্ভাৰৰ মানদণ্ড নিম্নগামী, ৰন্ধন আৰু বিতৰণৰ ব্যৱস্থা অতি কদৰ্যময়, চাফ-চিকুণৰ অভাৱ আদি দিশবোৰে এই আঁচনিখনকে শেষ কৰি পেলাইছে।

দ্বিতীয়তে, বিদ্যালয় গৃহ স্থাপনৰ সময়ত দূৰদৰ্শী চিন্তাৰ অভাৱ। যাৰ ফলত বিদ্যালয় গৃহবোৰ লাখ লাখ টকা খৰচ কৰি সাজি উলিওৱাৰ পিছতে নদীৰ বুকুত জাহ যাবলৈ ধৰিছে। তদুপৰি বহু বিদ্যালয় গৃহত কোনো ধৰণৰ অভিযান্ত্ৰিক নিয়ম নীতি নাৰাখি S.M.C. সমূহৰ মইমতালি আৰু মধ্যভোগী চৰকাৰী বিষয়াৰ সুবিধা অনুসৰি নিৰ্মাণ কৰাৰ বাবে ক্ৰটিপূৰ্ণ হৈ পৰিছে। বহু বিদ্যালয়ৰ মজিয়া দুমাহৰ ভিতৰত ভাগি গৈ বালিময় হৈ পৰিছে। তদুপৰি বহু বিদ্যালয়ৰ চিলিং খহি পৰিছে; সামান্য বতাহে টিনপাত উৰুৱাই লৈ গৈছে; বহু বিদ্যালয়ৰ ব্যৱহাৰ কৰিব নোৱাৰা প্ৰস্ৰাৱগাৰ আৰু শৌচালয় নিৰ্মাণ হৈছে, দৰ্জা-খিৰিকী খহি পৰিছে।

সেইবাবে আমি ভাবো চৰাঞ্চলৰ বিদ্যালয় গৃহৰ নক্সা বাম অঞ্চলৰ লগত একে নকৰি বানপানীৰ লগত যুঁজিব পৰাকৈ নিৰ্মাণ কৰিব লাগে। ইয়াত পাৰিলে চাং-ঘৰ সদৃশ গৃহ নিৰ্মাণ কৰিলে ভাল হয়।

চৰাঞ্চলৰ শিক্ষাৰ উন্নয়নৰ বাবে গাঁও সমিতি অথবা শিক্ষা সমিতি আৰু শিক্ষক-অভিভাৱকৰ সময়ত মিটিং অনুষ্ঠিত কৰাৰ বাবে কাৰ্যসূচী গ্ৰহণ কৰিব লাগে। বিদ্যালয়ত শিক্ষকৰ উপস্থিতিৰ ওপৰত অভিভাৱকসকলে চোকা নজৰ দিয়াৰ লগে লগে নিজৰ সন্তানক বিদ্যালয়লৈ সঠিক সময়ত সদায় পঠিওৱাৰ ওপৰতো গুৰুত্ব দিব লাগিব।

ইয়াৰ উপৰিও চৰাঞ্চলত ধৰ্মীয় প্ৰভাৱ ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত বিৰূপ ধৰণে পৰা বুলি আমি অনুভৱ কৰো। কিয়নো শ্ৰেণীত পাঠদান কৰি থকাৰ মাজতে বহু শিশু ছাত্ৰই নামাজ পঢ়িবলৈ মছজিদলৈ ওলাই যোৱাটো আমি দেখিছো। ইয়াত বাধা দি আমি নিজকে ধৰ্ম বিৰোধী কৰিব নোখোজো। কিন্তু ছাত্ৰৰ ভৱিষ্যতৰ চিন্তক হিচাপে আমি এনে কাৰ্যক সমৰ্থন কৰিব নোৱাৰো।

আমি যদিও শিক্ষক, কিন্তু আমাৰ দোষ নাই বুলি আমি ক'ব নোৱাৰো; তথাপি আমাৰ দোষ ছাত্ৰ-ছাত্ৰীৰ সন্মুখত আলোচনা নকৰিলে ভাল হয়।

নহ'লে ছাত্ৰ-ছাত্ৰীৰ আচৰণত ইয়াৰ বিৰূপ প্ৰভাৱ পৰে। তদুপৰি বহু অভিভাৱকে সামান্য কথাতে নিজৰ ল'ৰা-ছোৱালীক এখন বিদ্যালয়ৰ পৰা উলিয়াই নি অন্যখনত ভৰ্তি কৰে। যাৰ বাবে শিশুৰ ভৱিষ্যত ধ্বংসৰ গৰাহলৈ গতি কৰে। এয়া আমি সততে দেখি থকা পৰিঘটনা।

ইয়াৰ লগতে সমাজত প্ৰচলিত বাল্য বিবাহে বহু কুমলীয়া শিশু বা কিশোৰ কিশোৰীৰ জীৱন অন্ধকাৰৰ মাজলৈ ঠেলি দিয়া দেখা যায়। এয়া এটা চৰাঞ্চলৰ শিক্ষাৰ উন্নয়নৰ প্ৰধান অন্তৰায়। অৱশ্যে আমি দুই এখন তেনে বাল্য বিবাহৰ বিৰোধিতা কৰি সফল হৈছো। সেয়ে আমি প্ৰত্যেকজন শিক্ষকে এনেবোৰ দিশত কিছু কাম কৰিলে ভৱিষ্যত পুৰুষৰ জীৱন ধ্বংসৰ পৰা ৰক্ষা কৰিব পাৰিম।

জনসংখ্যাৰ নিয়ন্ত্ৰণহীন বৃদ্ধি, গৰা খহনীয়া, বানপানী, খৰাং আদিয়ে এই পিছপৰা মানুহখিনিৰ ৰাজহাড় ভাঙি পেলাইছে। যাৰ বাবে এই মানুহখিনি ক'তো নিগাজীকৈ থাকিব নোৱাৰে। বাসস্থান, খাদ্য আৰু জীৱিকাৰ সন্ধানত সদায় ব্ৰতী হ'ব লগা এই মানুহখিনিয়ে বাবে শিক্ষাৰ প্ৰয়োজনীয়তাক জানিও স্বীকাৰ কৰি ল'বলৈ এতিয়াও অপৰাগ। তদুপৰি অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ মাজত নিমজ্জিত সমাজখনে এইবোৰৰ পৰা মুক্ত হ'ব পৰা নাই। কিয়নো কেৱল প্ৰাথমিক প্ৰয়োজনখিনি পূৰাব নোৱাৰা সমাজখন কেতিয়া শিক্ষাৰ জ্যোতিৰে উদ্ভাসিত হ'ব এয়া চিন্তাৰ বিষয়।

ৰজাঘৰীয়াৰ আওকণীয়া মনোবৃত্তি, ৰাজনৈতিক দলসমূহৰ জাত-পাতৰ ভিত্তিত চলোৱা ভোট বেংকৰ কলংকময় ৰাজনীতি, মধ্যভোগী, দালালৰ শোষণৰ জাল আৰু ধৰ্মীয় অন্ধবিশ্বাসৰ কৰাল গ্ৰাসত পৰি চৰাঞ্চলৰ অৰ্থনৈতিক অৱস্থাৰ লগতে শিক্ষা ব্যৱস্থাই কক্‌বকাবলৈ ধৰা যেন অনুভৱ হয়। এনে পৰিস্থিতিত আমাৰ দৰে শিক্ষক সমাজৰ বহু কৰণীয় আছে। আমি বহু বাধা নেওচি হ'লেও এই অঞ্চলসমূহত অলপ হ'লেও শৈক্ষিক পৰিৱেশ গঢ়ি তুলিব পাৰিলে আমি সফল হ'ব পাৰিম। ইয়াৰ বাবে আমি আত্মবিশ্বাসেৰে গাঁৱৰ মানুহখিনিক আত্মবিশ্বাস ঘূৰাই আনি আমাৰ কৰ্ম সম্পাদন কৰিলে চৰাঞ্চলৰ শিক্ষাক নতুন মাত্ৰা দিব পাৰিম।◈



# অপেক্ষা

**ৰাজীৱ নাথ**



বুকুত তোমাৰেই স্মৃতি
মনত পৰে তোমালৈ
দিঠকে সপোনে... ...
তুমি যেন জীৱন সংগী...।
মলয়াৰ সুবাস
পূৰ্ণিমাৰ নিশা,
তোমাৰেই অনুভৱ
হিয়া বিলীন
নিসংগ জীৱন পথত চকুলো টুকিম
অনুভৱ কৰিম তোমাকেই,
থমকি ৰ'ব জীৱনৰ
দুখ বেদনা নিসংগতা।
তুমি দিয়া আশাৰ অপেক্ষাৰ পদুলিত
ৰৈ আছো তোমাৰ বাবেই...
যৌৱনৰ বাটত হাঁহি ধেমালিৰে
প্ৰকৃতিৰ বুকুত... ...।
সযতনে ৰাখিছো মই
অতীতৰ পৰাই সেই স্মৃতি
মাথোঁ তোমাৰ বাবে
হৃদয়ত এপাহি ৰঙা গোলাপ...।◈

# মিলন গীত

মাজিদা বেগম



হে মানৱ,
কেতিয়াও নহ'বা দানৱ,
প্ৰেমৰ এনাজৰিৰে গাঁথি থোৱা মালা;
সাধনা সিদ্ধি হ'ব চিৰদিন ফল পাবা।
হে মানৱ,
কেতিয়াও নহ'বা দানৱ,
নিষ্ঠুৰতাক পাহৰি পৰস্পৰক আকোঁৱালি লোৱা;
পৱিত্ৰ হৃদয় হ'ব জগত জিনিবা।
হে মানৱ,
কেতিয়াও নহ'বা দানৱ,
বৈষম্যতাক লুণ্ঠিত কৰি মিলন গীত গোৱা;
সুধাময় স্বৰ্গৰ অধিকাৰী নিশ্চয় হ'বা।
হে মানৱ,
কেতিয়াও নহ'বা দানৱ,
উচ্চ-নীচ, ধনী-দুখীয়া, প্ৰেমভাৱে চোৱা;
আৰাধনা সাফল্য হ'ব বিশ্ব বিজয়ী হ'বা।
হে মানৱ,
কেতিয়াও নহ'বা দানৱ,
নিজ তেজৰ পৰিচয়ৰে আনক চোৱা;
হে মানৱ,
কেতিয়াও নহ'বা দানৱ
প্ৰেমময় সৃষ্টিকতাৰ প্ৰেমময় জগতলৈ চোৱা
কিনো মায়াৰে আশ্চৰ্যভাৱে গঢ়া।◈



# যুৱ উত্থানত আধ্যাত্মিকতাৰ প্ৰাসংগিকতা

ৰীতা ডেকা

প্ৰকৃতি প্ৰদত্ত সমস্ত শক্তি প্ৰাপ্ত অৱস্থা হ'ল যুৱ অৱস্থা। শাৰীৰিক, মানসিক অৱস্থাৰ উৎকৰ্ষ সাধনৰ উৎকৃষ্ট সময় হ'ল যুৱ অৱস্থাৰ সময়। এই সময়খিনিত ব্যক্তিৰ আবেগ-অনুভূতিৰ তীব্ৰতাই ভৱিষ্যত জীৱনৰ আধাৰ স্বৰূপ হৈ পৰা দেখা যায়। গতিকে এই সময়ত যদি ব্যক্তি 'নকৰাত্মক' চিন্তা বা কৰ্মত ডুব গৈ থাকিব লগা হয় তেতিয়াই জীৱন হৈ পৰে আহুকলীয়া, সমস্যা জৰ্জৰিত, অসুখী আনকি এনে লোক বহু সময়ত অসামাজিক আৰু বন্ধুত্বহীন হৈ পৰিবলগাও হয়। ইয়াৰ বিপৰীতে ব্যক্তিক যদি 'সকাৰাত্মক' চিন্তাৰ খোৰাক যোগোৱা হয়; তেন্তে তাৰ ফলস্বৰূপে ব্যক্তিগত জীৱনৰ উপৰিও সমাজৰ, দেশৰ কল্যাণকামী হিচাপে গঢ়ি উঠে তেওঁৰ জীৱনৰ গতিপথ।

ব্যক্তিয়ে শৈশৱ কালৰ পৰা নিজ পৰিয়াল তথা সমাজত দেখি থকা দৈনন্দিন কাৰুকাৰ্য কিম্বা ঘটনা-পৰিঘটনাৰ ফলত সৃষ্টি হোৱা বাতাবৰণৰ দ্বাৰা প্ৰভাৱিত হয় আৰু পিছলৈ এই অভিজ্ঞতাবোৰকে ব্যৱহাৰিক জীৱনত প্ৰয়োগ কৰিবলৈ ধাৱমান হয়। এই প্ৰয়োগশালাতে গঢ় লৈ উঠে ব্যক্তিভেদে এক উৎকৃষ্ট জীৱন পদ্ধতি কিম্বা নিকৃষ্ট জীৱনৰ এক সহজে এৰিব নোৱাৰা বিকৃত জীৱন ধাৰা। জীৱনৰ গতিপথ যদি একা-বেঁকা হয় তেন্তে ব্যক্তি পৰিয়ালৰ লগতে সমাজ আৰু দেশৰ বাবেও হৈ পৰে এক বিৰাট সমস্যা। জীৱন গঢ়াৰ সোণালী সময়েই হ'ল এই যুৱ অৱস্থা। এই সময়তেই যদি ব্যক্তিয়ে প্ৰকৃত পথৰ সন্ধান নাপায় তেন্তে তেনে ব্যক্তিয়ে কাঁইটেৰে ভৰা জীৱনক আকোঁৱালি ল'ব লগা হয়। এনেদৰেই আজিৰ সমাজত এক এৰাব নোৱাৰা ব্যাধি স্বৰূপে মূৰ দাঙি উঠিছে এক শ্ৰেণীৰ যুৱক। সাম্প্ৰতিক সময়ত এই

ব্যাধি বিস্তাৰিত হৈ চামে চামে সৃষ্টি হৈছে উচ্ছৃংখল যুৱ সমাজৰ। ইয়াৰ মাজৰ পৰাই আকৌ এক শ্ৰেণীয়ে খোপনি পুতি লৈছে দেশৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি বিভিন্ন দিশত; যাৰ ফলত বৰ্তমান সমাজৰ ভেটি থৰক-বৰক হোৱাৰ উপক্ৰম ঘটিছে। মাথোঁ দুই-একৰ বাবেহে উভালি নপৰাকৈ থিয় হৈ আছে সমাজৰ বৰগছডাল। কিন্তু 'এনেকৈ আৰু কিমান দিন'— এই বিৰাট প্ৰশ্নটোৱে বাৰে বাৰে খুন্দিয়াই আছে আন এক সমাজহিতৈষী লোকৰ হৃদয়ত। আইন-আদালত আদিয়ে জানো ইয়াক দূৰ কৰিব পাৰিছে? বৰ্তমানৰ শিক্ষা ব্যৱস্থাই জানো ইয়াৰ পৰিবৰ্তন আনিব পাৰিছে? ক্ৰমান্বয়ে বাঢ়ি অহা এই সমস্যাই ইয়াকে প্ৰমাণ কৰে যে সময়ৰ অনুকূলে আমি যুৱ প্ৰজন্মক ভৱিষ্যত সমাজৰ সহায়ক হোৱাকৈ দিবলগীয়া শিক্ষাৰ (জ্ঞান) ব্যৱস্থা ল'ব পৰা নাই।

এই সমস্যাসমূহৰ পৰিসমাপ্তিৰ বাবে আমি যুৱ সমাজৰ মাজত জগাই তুলিব লাগিব আত্মবিশ্বাসৰ ভাব, উচিত অনুচিত মুল্যায়ন কৰিব পৰা শক্তি, দুৰদৰ্শিতা গুণ, মনৰ দৃঢ়তা, ইত্যাদি। এই শক্তিসমূহৰ জাগৰণ আনিব পাৰিম একমাত্ৰ আধ্যাত্মিক শিক্ষাৰ যোগেদিহে। আমাৰ শিক্ষা ব্যৱস্থাত অইন বিষয়ৰ লগতে থাকিব নৈতিক আৰু আধ্যাত্মিকতাৰ জ্ঞান। আধ্যাত্মিকতাই ব্যক্তিক নিজৰ প্ৰকৃত মানৱীয় গুণসমূহৰ বিকাশ ঘটোৱাত সহায় কৰে। আধ্যাত্মিকতাই জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে এক মানৱীয় প্ৰমূল্যবোধৰ ভাৱ জগাই তোলে। নিজৰ ভিতৰত থকা শক্তিৰ পৰিচয় লাভ কৰিব পাৰে একমাত্ৰ আধ্যাত্মিক জ্ঞানৰ যোগেদিহে; যাৰ আধাৰত জীৱনটোক শৃংখলাবদ্ধভাৱে আগুৱাই নিব পাৰি। বৰ্তমান বিজ্ঞানৰ যুগত বিজ্ঞানৰ লগতে আধ্যাত্মিকতাবাদকো সমানে আগুৱাই লৈ যাব পাৰিলেহে সম্পূৰ্ণ জীৱন প্ৰাপ্ত হোৱা বুলি ক'ব পাৰি। এই আধ্যাত্মিকতা সকলো ধৰ্মতে বিৰাজমান হৈ আছে। মাথোঁ তাক বিচাৰি ল'ব জানিব লাগিব। ইয়াৰ অন্তৰ্নিহিত শক্তিৰ আধাৰতে পৃথিৱীত মহান মহান পুৰুষসকলে সমাজৰ বাবে দেখুৱাই গৈছিল প্ৰেম, দয়া, ক্ষমা আদি মানৱীয় গুণসমূহৰ জ্বলন্ত নিদৰ্শন। গতিকে আধ্যাত্মিক জ্ঞানৰ দ্বাৰাই আজিৰ যুৱ সমাজৰ মানসিকতা পৰিবৰ্তন কৰিব পৰা যাব। মুল্যবোধৰ চিন্তনেই ব্যক্তিৰ কৰ্ম, সিদ্ধান্ত শুদ্ধ ৰূপত ল'ব পাৰিব, শুদ্ধ সিদ্ধান্তই ভাল কৰ্মত মনোনিবেশ ঘটাব। ফলস্বৰূপে শুদ্ধ সংস্কাৰৰ গঠন হ'ব। এই ধৰণেই



বাৰে বাৰে কৰা অভ্যাসেই আকৌ মনোজগতত শুদ্ধ চিন্তনে বিস্তাৰ কৰিব। এনেদৰেই পৰিবৰ্তন হ'ব আমাৰ ভৱিষ্যত প্ৰজন্ম, যুৱ সমাজ, গঠন হ'ব সুখ-শান্তিৰে ভৰপূৰ এক সমাজ; যাৰ বাবে বাট চাই আছো আপুনি, মই। জীৱ শ্ৰেষ্ঠ মানুহ হিচাপে চিনাকী দিবলৈ, আমাৰ অন্তৰ্নিহিত হৈ থকা গুণসমূহৰ বিকাশ ঘটাব লাগিব। এই ধাৰণা দিব পাৰিব লাগিব আজিৰ যুৱসমাজক। ই সম্ভৱ হ'ব একমাত্ৰ আধ্যাত্মিক জ্ঞানৰ দ্বাৰাই।◈

# কৌতুক

◈ বাপেকে পুতেকক সুধিছে—

বাপেক ঃ পৰীক্ষালৈ তোমাৰ প্ৰস্তুতি কেনে চলিছে?
পুতেক ঃ ঠিকেই চলিছে দেউতা
বাপেক ঃ প্ৰশ্নবোৰ ভালদৰে সাজু কৰিছানে?
পুতেক ঃ দেউতা মই সকলোবোৰ বস্তু সাজু কৰি থৈছো কেৱল মাত্ৰ পঢ়িবলৈ বাকী আছে।

◈ গ্ৰাহক ঃ দাদা বহী আছে নেকি?

দোকানী ঃ অ' বহি আছোঁ।
গ্ৰাহক ঃ নহয় দাদা বহী আছে নেকি?
দোকানী ঃ দেখা নাই বহি আছোঁ যে
গ্ৰাহক ঃ নহয় মানে দাদা... ... কপী আছে নেকি?
দোকানী ঃ ক'ত মোক কঁপি থকা দেখিলে।
গ্ৰাহক ঃ নহয়..... আপোনাৰ দোকানত বহী আছে নেকি?
দোকানী ঃ (খঙত) মোৰ দোকানত বহি নাথাকি তোৰ বাপেৰৰ দোকানত বহি আছোঁ নেকি?

সংগ্ৰাহক ঃ-

# মোৰ সপোন

উম্মে চাউদা পাৰবিন

মই এগৰাকী শিক্ষয়িত্ৰী
শিক্ষকতাই মোৰ জীৱন বৃত্তি
শিক্ষাৰ মাজেৰে পোহৰ বিলাম
অলেখ শিশুৰ জীৱন গঢ়িম
নিৰক্ষৰতা গুচাই স্বাক্ষৰ কৰিম
সুন্দৰ এখনি সমাজ গঢ়িম
যি সমাজে বুজি পাব
অবুজ শিশুৰ অবুজ ভাষা
যি সমাজে দূৰ কৰিব
হত্যা, লুণ্ঠন আৰু নিৰ্যাতনৰ বেথা
যি সমাজে ঘৃণা আঁতৰাই
ৰোপণ কৰিব ভালপোৱাৰ বীজ
য'ত হতাশা আছে
তাত দিব আশা
য'ত অন্ধকাৰ আছে
তাত দিব পোহৰৰ জ্যোতি
পুৰণি গুচি নতুন হ'ব
শিক্ষকাত মোৰ সাৰ্থক হ'ব।◈






# অকণ অকণ মইনা

শ্বেখ আব্দুলাহ

অকণ অকণ মই আমি
অকণ অকণ কাম
আমাৰ বাবে আমি কৰো
মইনা আমাৰ নাম।
খেল খেলো লুডু খেলো
খেলো ক'ত খেলা
গান গাই নাচি বাগি
পাতো ক'ত মেলা
চাফা কাপোৰ পিন্ধি আমি
পঢ়াশালিলৈ যাম,
ভাই-ভনীক মৰম কৰিলে
তেহে মৰম পাম।
দেউতাকো ভক্তি কৰিম
তেহে মৰম পাম,
গুৰুজনাক সন্মান কৰি
ৰাখিম দেশৰ নাম।◈

# চৰ-চাপৰিৰ মুছলমান আৰু শিক্ষা

**খন্দকাৰ জাহাঙ্গীৰ আলম**

শিক্ষা অবিহনে কোনো জাতিয়ে উন্নতিৰ শিখৰলৈ অগ্ৰসৰ হ'ব নোৱাৰে; ই নিশ্চিত। অসমৰ মুছলমান বিশেষকৈ চৰ চাপৰিৰ মুছলমানসকলে কৃষিত কৰ্মপটুতা দেখুৱালেও শিক্ষাত অতিকৈ পিছপৰা। অতি পৰিতাপৰ বিষয়, অসমৰ বেছিভাগ মুছলমান চৰ চাপৰি আৰু অতিকৈ পিছপৰা অঞ্চলত বসবাস কৰে। য'ত শিক্ষাৰ পোহৰ অতি দুখজনক। যি সময়ত মঙ্গল গ্ৰহতো মানুহে বসবাসৰ চিন্তা-চৰ্চা চলাইছে, কিন্তু সেই সময়ত চৰ চাপৰিৰ বেছিভাগ মানুহে নাজানে মঙ্গল গ্ৰহ কি? এই সভ্যতাৰ যুগতো সিহঁতক শিক্ষাৰ পোহৰে ঢুকি পোৱা নাই; ইয়াৰ বাবে প্ৰকৃত দায়ী কোন? মই ভাবো ইয়াৰ বাবে প্ৰকৃত দায়ী বুদ্ধিজীৱীসকল, ৰাজনৈতিক নেতা আৰু বিভিন্ন সংগঠনৰ নেতা মূলতঃ চৰকাৰ। শিক্ষাৰ ক্ষেত্ৰত থকা অসচেতনতা আৰু জনসংখ্যা বিস্ফোৰণৰ ফলত আজি এই জাতিটোয়ে বিভিন্ন জাতি, ধৰ্ম, সংগঠনৰ নিৰ্যাতনৰ বলি হ'ব লগা হৈছে। ইয়াৰ মাজৰ পৰা নগণ্য সংখ্যক যুৱক-যুৱতীয়ে শিক্ষিত বা উচ্চ শিক্ষিত হৈছে যদিও চৰকাৰে কোনোধৰণৰ কৰ্মসংস্থান দিয়া নাই। মুছলমান জাতিটো শিক্ষা নাইবা বিভিন্ন ক্ষেত্ৰত পিছপৰা যদিও চাকৰিৰ ক্ষেত্ৰত মুছলমানসকলৰ কাৰণে সংবিধানত সংৰক্ষণৰ ব্যৱস্থা ৰখা নাই। ফলত যুৱক-যুৱতীসকল হতাশাত ভোগে। জৰীপ কৰি দেখা যায় যে অন্য অন্য জাতিতকৈ বহুগুণে পিছপৰা এই জাতি। কিন্তু ইহঁত সাধাৰণ শ্ৰেণী। কিন্তু নিযুক্তিত এতিয়াও এই জাতিটো সংবিধান আৰু চৰকাৰে সাধাৰণ শ্ৰেণী বুলি গণ্য কৰে। আছেনে আপোনালোকৰ ওচৰত ইয়াৰ সঠিক উত্তৰ? চৰকাৰৰ এনে একপক্ষীয় নীতিৰ বাবে চৰ-চাপৰি অঞ্চলৰ এই পীড়িত জাতিটোৰ মানুহৰ মাজত শিক্ষাৰ সচেতনতা নাই। এই ক্ষেত্ৰত চৰকাৰে জাতি বৈষমতা আঁতৰাই



উপযুক্ত ব্যৱস্থা নল'লে শিক্ষাৰ প্ৰসাৰ কৰিব পাৰিবনে বুলি এনে ধৰণৰ প্ৰশ্নৰ উদ্ভাৱন হৈ থাকিব। অসমৰ বুদ্ধিজীৱীসকলৰ ওচৰত এটা প্ৰশ্ন— কি ব্যৱস্থা ল'লে এই অজ্ঞ মানুহখিনিয়ে শিক্ষাৰ ক্ষেত্ৰত ধনাত্মক সঁহাৰি জনাব? দিবনে ইয়াৰ সঠিক পৰামৰ্শ? নে এই পীড়িত মানুহখিনিক এনেকুৱাকৈ পুতলা সদৃশ সজাই ৰাখিব যাতে বিভিন্ন জাতি-সংগঠনে ইহঁতৰ ওপৰত লুণ্ঠন, অত্যাচাৰ, মিছা বদনাম, উৎপীড়ন কৰিব পাৰে।

আজি দুবছৰমান আগতে অসমৰ শিক্ষা বিভাগে 'টে'ট' পৰীক্ষা পাতি শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰিছিল। সেই সূত্ৰত চৰ-চাপৰিৰ বিদ্যালয়সমূহতো ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক দিব নোৱাৰিলেও যিকেইজন শিক্ষক/শিক্ষয়িত্ৰীৰ নিযুক্তি দিছিল, ভবা হৈছিল— এতিয়াৰ পৰা চৰ-চাপৰিৰ মুছলমান জাতিটো শিক্ষাৰ ক্ষেত্ৰত অলপ অগ্ৰসৰ হ'ব। কিন্তু চাপৰি অঞ্চলত যাতায়াত বা যোগাযোগৰ অচলাৱস্থাৰ বাবে বেছিভাগ শিক্ষক/শিক্ষয়িত্ৰী বদলি হ'ল আৰু নিয়মীয়া পদ পূৰণৰ বাবে বামৰ স্কুলবিলাকলৈ গুচি গ'ল। আকৌ আগৰ অৱস্থা, যিকেইজন শিক্ষক/শিক্ষয়িত্ৰী আছে বিভিন্ন সমস্যাৰ সন্মুখীন হৈছে। সময়মতে আহিব নোৱাৰে, কাৰণ যাতায়াত ব্যৱস্থা সুচল নহয়। আগতীয়াকৈ স্কুল এৰিব লাগে, কিয়নো শিক্ষক/শিক্ষয়িত্ৰীজনৰ ঘৰ বহু দূৰ। যাৰ ফলত আকৌ এবাৰ প্ৰবঞ্চিত হ'ব লগা হৈছে এই জাতিটো। যদি বামৰ শিক্ষক/শিক্ষয়িত্ৰীসকলে দুৰ্গম ঠাই হোৱা কাৰণে সময়মতে বিদ্যালয়ত আহিব নোৱাৰে তেন্তে চৰকাৰে ৰাস্তা-ঘাটৰ সু-ব্যৱস্থা কৰি দিয়ক আৰু নহ'লে স্থানীয় যুৱক-যুৱতীক বিশেষভাৱে নিয়োগ কৰাৰ ব্যৱস্থা কৰক।

শুনি আছো- ১ঃ৩০ অনুপাতত সকলো বিদ্যালয়ত শিক্ষক নিযুক্তিৰ কাম চলি আছে। কিন্তু চৰকাৰৰ এই পদ্ধতি চৰ-চাপৰিত কিমানদূৰ ফলৱতী হ'ব সেয়া সময়ত লক্ষ্যণীয় বিষয় হ'ব যদিও এতিয়াই ইয়াৰ ফলাফল চকু মুদি কৈ দিব পাৰি যে এই পদ্ধতিও অসাৰ আৰু নিৰৰ্থক হ'ব। কাৰণ বহুতো শিক্ষক আছে যিসকল শিক্ষকে ৰাজনৈতিক নেতা বা আমোলা বিষয়ক ঘোচ বা উপঢৌকন দি হ'লেও এনেকুৱা দুৰ্গম ঠাইৰ পৰা আঁতৰি যাবলৈ সমৰ্থ হ'ব, ই ধ্ৰুৱহ।

কিন্তু আমি এই জাতিটো যে শিক্ষিত হ'বই লাগিব। চৰকাৰে আমাক সহায় নকৰে, কোনো সংগঠনে আমাক সহায় নকৰে। গতিকে মই অতি

কাতৰভাৱে অসমৰ মুছলমান বুদ্ধিজীৱী, শিক্ষিত যুৱক-যুৱতী আৰু বিভিন্ন যোগাযোগ মাধ্যমক অনুৰোধ জনাওঁ যাতে এই পীড়িত মুছলমানসকলৰ শিক্ষাৰ ক্ষেত্ৰত সচেতনতাৰ বাট মুকলি কৰি অন্ধকাৰৰ পৰা পোহৰলৈ আনে।

আমি জন্মিছো অসমত
আমি অসমীয়া
আমি কৰিছো খেতি পথাৰ
শস্যৰে সেউজীয়া
আমি অসমীয়া।।◈

## সাথঁৰ ঃ

◈ ইহে সিহে পিঠি সেকি, আঞ্জা খুৱাই কিহে?
◈ হাত ভৰি নাই যদিও বাগৰি যায় কাটিলেও তেজ নোলায় সকলোৱে খায়।
◈ ঘৰ দুৱাই নাই, মাত আছে মানুহ নাই।
◈ বগা বগা চাহাবৰ ক'লা ক'লা টুপী, দুয়োৰে খুন্দা লাগি খণ্ডত উঠে জ্বলি।

উত্তৰ ঃ ১। কেৰাহী ২। পানী ৩। ৰেডিঅ' ৪। দিয়াচলাই

**সংগ্ৰাহক ঃ জহিৰুল ইছলাম**

---

◈ পানীত থাকে জল কুঁৱৰী
পানীতেই যাৰ বাসস্থান,
হাড় নাই কিন্তু
কেৱল মাংসৰে গঢ়া
কোৱাচোন কি?

◈ কাটিলে হয় নতুন যুৱতীজনী,
কোৱাচোন ভাইটি ভণ্টিহঁত
কোন সেইজনী?

◈ ইয়ালৈকেও আহে, তালৈকেও যায়
কিন্তু কোনেও নাজানে, ক'লৈ বা যায়
কোৱাচোন কি বস্তু এইটো ভাই?

◈ বগা পৃথিৱীত ই হৈছে ক'লা গুটি,
জ্ঞান বিলাই ফুৰা বস্তু সেইটি,
কি বাৰু বস্তু সেইটো?

উত্তৰ ঃ ১। জোক ২। পেঞ্চিল ৩। বাট ৪। কিতাপ

**সংগ্ৰাহক ঃ আব্দুল মজিদ খন্দকাৰ**



# পৰিৱৰ্তন

**মঃ আইনাল হক**

আমাক পৰিৱৰ্তন লাগে
প্ৰগতি আৰু শান্তিৰ
পৰিৱৰ্তন;
আমি কৰি যাম
কৰ্ম জীৱনৰ
শান্তিৰ বাবে,
প্ৰগতিৰ বাবে।

সংস্কাৰ আমাৰ লক্ষ্য
সততা আমাৰ মন্ত্ৰ,
পৰিৱৰ্তন
আমাৰ কাম্য।◈

# হেৰোৱাৰ বেদনা

**মঃ খইবৰ ৰহমান**

সপোনবোৰ পাহৰি গৈছো
যাৰ মিঠা মিঠা স্মৃতি
লাগি আছে আজিও
যাৰ চিৰ চেনেহৰ শীতল ছায়া।
এদিন!
বেদনাত কান্ধিছিলো
হিয়া ঢকিয়াই
হেৰাই গ'ল বুকুৰ
আলফুলীয়া মুকুতা!◈





সাধু

# উপকাৰীক অজগৰে খায়

**সমৰ আলী**

এখন দেশত ৰামনাথ নামৰ এজন ৰজা আছিল। তেওঁ বৰ টান বেমাৰত ভুগি আছিল। দেশৰ ডাক্তৰ আৰু কবিৰাজৰ চিকিৎসা কৰিও কোনো আৰাম পোৱা নাছিল। দিনে দিনে বেমাৰ বেছি হ'বলৈ ধৰিলে। ৰজাৰ এজন পুতেক আছিল ৰতন। তেওঁৰ বয়স ২২ বছৰ।

সেই সময়ত ক'ৰবাৰ পৰা এজন কবিৰাজ আহিছিল। ৰতনে খবৰ পাই তেওঁক মাতি নি ৰজাক দেখুৱাবলৈ লৈ গৈছিল। কবিৰাজে ৰজাক দেখি কৈছিল ৰজাৰ বেমাৰ নিশ্চয় ভাল হ'ব। কিন্তু... ...

ৰতনে সুধিলে কিন্তু কি কবিৰাজ ভাই? কোৱাচোন কি লাগে?

কবিৰাজে ক'লে- গোলাপফুল এটা লাগিব। এই গোলাপ পাহি নাকত শুঙিবলৈ দিলে নিশ্চয় বেমাৰ ভাল হ'ব। পাৰিলে অতি সোনকালে ফুল যোগাৰ কৰি দিয়া।

সেই সময়ত আছিল ফাগুন মাহ। কি কৰে উপায় নাই। দেশৰ বিভিন্ন ঠাইলৈ বহুতো লোক পঠাই দিলে। কিন্তু কোনেও এটা ফুল আনিব নোৱাৰিলে। এইদৰে ছয় দিন পাৰ হৈ যায়। ৰতনে কান্দি কান্দি এখন নদীৰ পাৰত এডাল বট গছৰ তলত বহি আছিল। এনেতে গছৰ পৰা মাত ভাহি আহিল- 'হে বোপা কিয় কান্দি আছা'? মূৰ দাঙি ৰতনে চাই দেখিলে গছৰ ওপৰত এটা কেতেকী চৰাই।

ঃ আৰে কেতেকী চৰাই তোমাক কৈ কি হব? অহাকালি মোৰ দেউতা এই ধৰা ত্যাগ কৰি চিৰদিনৰ বাবে চকু মুদিব। কাৰণ দেউতাৰ বৰ ডাঙৰ বেমাৰ হৈছে। কবিৰাজে কৈছে গোলাপ হ'লে নিশ্চয় ভাল হব! গোলাপ ফুল ক'ত পাওঁ। —এইবুলি হুক্ হুকাই কান্দিবলৈ ধৰিলে।

ঃ নাকান্দিবা বোপা নাকান্দিবা। গোলাপ ফুল পোৱা যাব। কিন্তু... ...

ঃ কিন্তু কি আকৌ?

ঃ এই গোলাপ ফুল পাবলৈ হ'লে মোৰ দেহ এইখন পৃথিৱীৰ পৰা চিৰদিনৰ বাবে গুচি যাব।

ঃ কি? অসম্ভৱ কথা। অইন কিবা উপায় আছে নেকি?

ঃ আছে এটা উপায়। মই গোলাপ ফুলৰ গছৰ কাঁইট গাত বিন্ধাই গোটেই ৰাতি চিঞৰি থাকিম। ৰাতিপুৱা দোকমোকালিতে গোলাপ ফুল ফুলিব। তেতিয়া ফুলটো ছিঙি লগে লগে তুমি মোক তোমাৰ কাষলতিৰ তলত অলপ সময় ৰাখিলে মই জী উঠিম।

ঃ হ'ব হ'ব হ'ব এই সামান্য এটা উপকাৰ? তুমি মোৰ ইমান ডাঙৰ উপকাৰ কৰিবা আৰু মই... ...।

দুয়ো পাহাৰৰ ফালে আগবাঢ়ি গ'ল। সন্ধিয়া হওঁ হওঁ অৱস্থা। কেতেকী চৰাইয়ে কোৱামতে গোলাপৰ কাঁইট গাত বিন্ধাই ওলমি থাকি চিঞৰিবলৈ ধৰিলে। গোটেই ৰাতি চিঞৰি থাকিল।

দোকমোকালিতে গছত এটা গোলাপ ফুল ফুলিল। ৰতনে থাপ্‌মাৰি ফুলটো ছিঙি ঘৰলৈ দৌৰ মাৰিলে। কেতেকী চৰাইৰ কথা পাহৰি গ'ল। হায়, কেতেকী চৰাইয়ে চকু টুকি টুকি গছত ওলমি মৰি থাকিল। কবিৰাজে গোলাপ ফুলপাহি ৰজাৰ নাকত শুঙিবলৈ দিয়াত ৰজা বেমাৰৰ পৰা আৰোগ্য হ'ল।

ৰজা এইখন পৃথিৱীত আনন্দ কৰি থাকিল আৰু কেতেকী চৰাইয়ে চিৰদিনৰ বাবে চকু মুদিলে।

সেয়ে মানুহে কয়— উপকাৰীক অজগৰে খায়।◈



# আমাৰ গাৱৰ ৰাতিপুৱা

**মুস্তাফা হুছেইন**

কাউৰীয়ে কৈ গ'ল কা-কা-কা
বিছনাখন এৰি কামে কাজে যা।
সাৰি-মচি চাফা কৰা নিজ চোতাল-ঘৰ
যাৰ যি কাম বন ভাগে ভাগে কৰ।
গোহালিটো চাফা কৰ গোবৰখিনি পেলা
হাঁহ কুকুৰাৰ গড়াল খোল, হয় দেখোন বেলা।
দামুৰিটো এৰি দে গাখীৰ খীৰাই আন
ঢাৰি-পাটী পাৰি লৈ খা জা-জলপান।
হাল কোৰ লৈ বোপা পথাৰলৈ ব'ল
সোনকালে খোজ দে বেলি দুপৰ হ'ল।।◈



# এপাহি গোলাপ

**দীপ কুমাৰ দে**

শাৰদীয় জোনাকৰ পূৰ্ণিমাত
শেৱালিজোপাই বৰকৈ আমনি কৰে
